গোট ১

# স্বাধীনোত্তৰ কালৰ ভাৰতবৰ্ষ আৰু অসমৰ মাধ্যমিক শিক্ষা

## বিষয় সূচী


উদ্দেশ্য

প্ৰস্তাৱনা

(ক) মাধ্যমিক শিক্ষা আয়োগ ১৯৫২-৫৩

১। মাধ্যমিক শিক্ষাৰ আসোৱাহসমূহ।

২। মাধ্যমিক শিক্ষাৰ লক্ষ্যসমূহ

গণতান্ত্ৰিক নাগৰিকত্বৰ বিকাশ

বৃত্তীয় যোগ্যতাৰ শ্ৰীবৃদ্ধিকৰণ

ব্যক্তিত্বৰ বিকাশ

নেতৃত্বৰ শিক্ষা

(খ) কোঠাৰী আয়োগ ১৯৬৪-৬৬

১। শিক্ষা আৰু জাতীয় লক্ষ্য

(ক) শিক্ষা আৰু উৎপাদনমুখিতা

(খ) শিক্ষা, সামাজিক আৰু জাতীয় সংহতি

(গ) শিক্ষা আৰু আধুনিকীকৰণ

(ঘ) সামাজিক, নৈতিক আৰু আধ্যাত্মিক মূল্যবোধ।

২। শিক্ষা ব্যৱস্থাৰ সংগঠন আৰু মানদণ্ড

— স্কুলীয়া শিক্ষাৰ পুনৰ সংগঠন

— হাইস্কুল পৰ্যায়ত

— উচ্চতৰ মাধ্যমিক পৰ্যায়ত

— প্ৰাক্-বিশ্ববিদ্যালয় স্তৰৰ স্থানান্তৰণ

৩। শিক্ষাক বৃত্তিমুখীকৰণ

(গ) ৰাষ্ট্ৰীয় শিক্ষানীতি ১৯৮৬

মূল দিশসমূহ

☞ শিক্ষাৰ প্ৰয়োজনীয়তা আৰু ভূমিকা

☞ ৰাষ্ট্ৰীয় শিক্ষা পদ্ধতি

☞ সমতাৰ বাবে শিক্ষা

মহিলাৰ সমতাৰ বাবে শিক্ষা

অনুসূচীত জাতিৰ শিক্ষা

অনুসূচীত জনজাতিৰ শিক্ষা

☞ আন আন শিক্ষাৰ ক্ষেত্ৰত পিছপৰা সম্প্ৰদায় আৰু অঞ্চলসমূহ।

☞ সংখ্যালঘুৰ শিক্ষা, ☞ বাধাগ্ৰস্তসকলৰ শিক্ষা, ☞ বয়স্ক শিক্ষা, ☞ বিভিন্ন স্তৰৰ শিক্ষানুষ্ঠানসমূহৰ পুনৰ গঠন, ☞ প্ৰাথমিক শিক্ষা, ☞ শিশুকেন্দ্ৰিক শিক্ষা, ☞ স্কুলৰ সুবিধাসমূহ, ☞ অনানুষ্ঠানিক শিক্ষা, ☞ মাধ্যমিক শিক্ষা, ☞ বৃত্তিমুখী শিক্ষা, ☞ উচ্চ শিক্ষা, ☞ মুক্ত বিশ্ববিদ্যালয় আৰু দূৰশিক্ষণ, ☞ উপাধিক নিয়োগৰ পৰা বিচ্ছিন্ন, ☞ গ্ৰাম্য বিশ্ববিদ্যালয়, ☞ কাৰিকৰী আৰু ব্যৱস্থাপনা শিক্ষা, ☞ নৱপ্ৰৱৰ্তন গৱেষণা আৰু বিকাশ, ☞ সকলোপৰ্যায়ত দক্ষতাৰ উন্নতীকৰণ আৰু ফলপ্ৰসূতা, ☞ ব্যৱস্থাপনা কৰ্মসমূহ আৰু পৰিৱৰ্তন, ☞ পদ্ধতিগত কৰ্মসৃষ্টি, ☞ বিষয়সূচী আৰু শিক্ষা প্ৰক্ৰিয়াৰ পুনৰীক্ষণ, ☞ মূল্যবোধ শিক্ষা, ☞ ভাষাসমূহ, ☞ গ্ৰন্থসমূহ আৰু পথিভড়াল।

(ঘ) (১) স্বাধীনতাৰ পিছত অসমত মাধ্যমিক শিক্ষাৰ বিকাশ

(২) অসমৰ মাধ্যমিক শিক্ষাৰ সমস্যা

সাৰাংশ, প্ৰশ্নাৱলী

# গোট ১

# স্বাধীনোত্তৰ কালৰ ভাৰতবৰ্ষ আৰু অসমৰ মাধ্যমিক শিক্ষা

## (DEVELOPMENT OF SECONDARY EDUCATION IN INDIA AND ASSAM - POST INDEPENDENCE PERIOD)

### উদ্দেশ্য (Objectives)

অধ্যায়টি অধ্যয়ন কৰাৰ পিছত তুমি সমৰ্থবান হবা ঃ

- স্বাধীনোত্তৰ কালত ভাৰতবৰ্ষ আৰু অসমৰ মাধ্যমিক শিক্ষা সম্বন্ধে জানিবলৈ
- ভাৰতবৰ্ষ আৰু অসমৰ মাধ্যমিক শিক্ষা বিকাশৰ ধাৰা বৰ্ণনা কৰিবলৈ
- মুড'লিয়ৰ আয়োগে (১৯৫২-৫৩) আগবঢ়োৱা শিক্ষাৰ লক্ষ্য সম্বন্ধে জানিবলৈ
- ১৯৬৪-৬৬ চনৰ কোঠাৰী আয়োগে শিক্ষাৰ গাঠনি সম্পৰ্কে দিয়া পৰামৰ্শ বুজিবলৈ
- কোঠাৰী আয়োগে পৰামৰ্শ দিয়া বৃত্তিমুখী শিক্ষা সম্বন্ধে জানিবলৈ
- স্বাধীনতাৰ পিচৰ অসমৰ মাধ্যমিক শিক্ষাৰ বিকাশৰ ধাৰা জানিবলৈ
- ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ মূল দিশবোৰ ব্যাখ্যা কৰিবলৈ
- দুৰ-শিক্ষাৰ বিষয়ে জানিবলৈ
- মুক্ত বিদ্যালয় ব্যৱস্থাৰ বিষয়ে জানিবলৈ
- মুক্ত বিশ্ববিদ্যালয়ৰ লক্ষ্য আৰু ভূমিকা সম্বন্ধে বুজিবলৈ
- অসমৰ মাধ্যমিক শিক্ষাৰ বিকাশ সম্বন্ধে ব্যাখ্যা কৰিবলৈ
- অসমৰ মাধ্যমিক শিক্ষাৰ সমস্যাসমূহ বাখ্যা কৰিবলৈ।

### প্ৰস্তাৱনা

মাধ্যমিক শিক্ষা হ'ল প্ৰাথমিক শিক্ষা আৰু উচ্চশিক্ষাৰ মাজৰ চাবিকাঠি। বয়ঃসন্ধিকালৰ বাবে যি শিক্ষা ব্যৱস্থা কৰা হয় সেই শিক্ষাকে মাধ্যমিক শিক্ষা বোলে। মাধ্যমিক শিক্ষাই কিশোৰ কিশোৰীসকলক ভৱিষ্যত জীৱনৰ বাবে প্ৰস্তুত কৰি তুলিব লাগে।

ভাৰত বৰ্ষৰ চৰকাৰে মাধ্যমিক শিক্ষাৰ সকলোখিনি দিশ অধ্যয়ন কৰাৰ বাবে ১৯৫২-৫৩ চনত মাধ্যমিক শিক্ষা আয়োগ গঠন কৰি দিয়ে। এই আয়োগৰ সভাপতি আছিল ডঃ লক্ষ্মণস্বামী মুডালিয়াৰ। মাধ্যমিক শিক্ষা আয়োগে ব্যক্তিত্বৰ পূৰ্ণ বিকাশ সাধন, নেতৃত্বৰ প্ৰশিক্ষন, গনতান্ত্ৰিক নাগৰিকত্বৰ ধাৰনা, চৰিত্ৰ গঠনৰ শিক্ষা আৰু বৃত্তিমূলক দক্ষতাৰ শিক্ষাক লক্ষ্য হিচাপে স্থিৰ কৰে।

ভাৰতবৰ্ষৰ চৰকাৰে ১৯৬৪-৬৬ চনত কোঠাৰী আয়োগ গঠন কৰে। কোঠাৰী আয়োগ গঠন কৰাৰ মূল উদ্দেশ্য হ'ল জাতীয় শিক্ষাৰ বিকাশ সাধন কৰা। আয়োগে ১০ + ২ + ৩ সূত্ৰটোৰ মাধ্যমত শিক্ষাৰ বিকাশ সাধন কৰাৰ পৰামৰ্শ দিছিল। কোঠাৰী আয়োগে শিক্ষাৰ সামগ্ৰীক দিশটোৰ বিকাশ সাধন

কৰাৰ অৰ্থে গাঠনিক দিশটোৰ ওপৰত গুৰুত্ব দি মানদণ্ড উন্নত অৱস্থালৈ নিয়াৰ পোষকতা কৰিছিল। আয়োগে বৃত্তিমূলক শিক্ষা সম্প্ৰসাৰনৰ ওপৰত গুৰুত্ব আৰোপ কৰি কৰ্ম অভিজ্ঞতাৰ মাধ্যমত শিক্ষাক বিজ্ঞানসন্মত কৰি তোলাৰ কথা কৈছিল।

ভাৰতচৰকাৰে ১৯৮৬ চনত নতুন শিক্ষানীতি প্ৰৱৰ্তন কৰে। ৰাষ্ট্ৰীয় শিক্ষানীতিৰ মাধ্যমত শিক্ষাৰ সকলো দিশতে নতুনত্বৰ ধাৰনা প্ৰবৰ্তন কৰিবলৈ বিচৰা হয়। শিক্ষাৰ ভূমিকাক মূল চাবিকাঠি হিচাপে লৈ সকলো দিশতে নতুনত্বৰ ধাৰণা প্ৰবৰ্তন কৰিবলৈ বিচৰা হয়। সকলো দিশৰ উন্নতি সাধন হোৱাৰ ক্ষেত্ৰত প্ৰয়োজনীয় দিশবোৰ শিক্ষানীতিত সামৰি লোৱা হৈছে। সমাজৰ সকলো দিশৰ শিক্ষাৰ বিকাশ সাধন কৰিবলৈ বিচৰাৰ লগতে 'অপাৰেচন ব্লেকব'ৰ্ড' আঁচনি আৰু গ্ৰাম্যাঞ্চলৰ বিকাশৰ অৰ্থে 'নৱোদয় বিদ্যালয়' স্থাপন কৰাৰ দিশত শিক্ষানীতিয়ে প্ৰাধ্যন্যতা দিয়ে।

অসমৰ মাধ্যামিক শিক্ষাৰ ক্ষেত্ৰখন ১৯৫২-৫৩ চনৰ মুডালিয়ৰ আয়োগ, ১৯৬৪-৬৬ চনৰ কোঠাৰী আয়োগ, ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ আধাৰতহে বিকশিত কৰি তুলিবলৈ বিচৰা হৈছে। কিন্তু আজিও আমাৰ ৰাজ্যৰ মাধ্যমিক শিক্ষা ব্যৱস্থা নানা সমস্যাৰে জৰ্জৰিত।

## ১ (ক) : মাধ্যমিক শিক্ষা আয়োগ : ১৯৫২-৫৩ চন (The Secondary Education Commission : 1952-53)

ভাৰতবৰ্ষই ১৯৪৭ চনত স্বাধীনতা লাভ কৰে। স্বাধীনতা লাভ কৰাৰ পাছত ভাৰতৰ ৰাজনৈতিক পট-পৰিববৰ্তন হ'ল— ইয়াৰ লগে লগে ভাৰতীয় শিক্ষা ব্যৱস্থাই শিক্ষাৰ বুৰঞ্জীত নতুন স্থান লাভ কৰিলে। ১৯৪৮ চনৰ কেন্দ্ৰীয় শিক্ষা উপদেষ্টা পৰিষদৰ বৈঠকত ভাৰতৰ প্ৰথম শিক্ষা মন্ত্ৰী মৌলনা আবুল কালাম আজাদে উল্লেখ কৰিছিল যে "প্ৰচলিত পদ্ধতিৰে শিক্ষা সমস্যা সমাধান কৰাৰ দিন উকলিল। নতুন সূত্ৰ উদ্ভাৱন কৰিব লাগিব।" ইয়াৰোপৰি স্বাধীন ভাৰতৰ সৰ্বপ্ৰথম শিক্ষা আয়োগে (১৯৪৮) উচ্চশিক্ষাৰ সমস্যাসমূহৰ অধ্যায়ন কালত এইদৰে মন্তব্য কৰিছিল যে- বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষাৰ প্ৰকৃত উন্নতি সাধন কৰিবলৈ হলে পূৰ্বৱৰ্তী এই মাধ্যমিক শিক্ষা ব্যৱস্থাক সংস্কাৰ কৰি লোৱাটো অতি প্ৰয়োজনীয়। মাধ্যমিক শিক্ষাৰ মান উন্নত কৰিব পাৰিলেহে উচ্চ শিক্ষাৰ মান উন্নত কৰিব পৰা যাব। কাৰণ মহাবিদ্যালয় পঢ়িবলৈ অহা ছাত্ৰ-ছাত্ৰীয়ে মাধ্যমিক স্কুলত উপযুক্ত শিক্ষা লাভ কৰিব পাৰিলেহে মহাবিদ্যালয়ৰ শিক্ষাৰ পৰা লাভবান হয়। আনপিনে, মাধ্যমিক শিক্ষাৰ মানদণ্ডই প্ৰাথমিক শিক্ষাৰ মানদণ্ডওঁ নিৰ্ধাৰণ কৰে, কাৰণ প্ৰাথমিক স্কুলৰ শিক্ষকসকলে মাধ্যমিক শিক্ষা সাং কৰি শিক্ষকতা কাম কৰিবলৈ আহে।

এনেবিলাক মন্তব্যৰ আধাৰতে কেন্দ্ৰীয় শিক্ষা উপদেষ্টা পৰিষদে ১৯৪৯ চনৰ ডাঃ তাৰাচান্দ কমিটিৰ মাধ্যমিক শিক্ষাৰ সংস্কাৰ আৰু উন্নতিৰ অৰ্থে আগবঢ়োৱা পৰামৰ্শ চাইছিল। তাৰ পিছত পৰিষদে ভাৰত চৰকাৰৰ ওচৰত মাধ্যমিক শিক্ষাৰ উন্নতিকল্পে পৰামৰ্শ আগবঢ়াবলৈ প্ৰস্তাৱ দাঙি ধৰে। এই পৰিপ্ৰেক্ষিতে ভাৰত চৰকাৰে মাধ্যমিক শিক্ষাক স্বাৱলম্বী কৰাৰ অভিপ্ৰায়েৰে আৰু তাৰ আসোঁৱাহবোৰ যিমান পাৰি আঁতৰ কৰিবলৈ চৰকাৰক পৰামৰ্শ দিবৰ বাবে ১৯৫২ চনৰ ২৩ চেপ্তেম্বৰত ডঃলক্ষ্মণস্বামী মুডালিয়াৰৰ নেতৃত্বত এখন 'মাধ্যমিক শিক্ষা আযোগ' (১৯৫২-৫৩) গঠন

DAILY ASSAM



কৰিলে। তেখেতৰ নামানুসৰি আয়োগখন মুডালিয়া আয়োগ হিচাপেও জনাজাত। আয়োগখনত সৰ্বমুঠ ৯ জন সদস্য আছিল। তাৰে দুজন বিদেশী শিক্ষাবিদ আছিল।

আয়োগখনৰ সদস্যসকল হ'ল—

১। ডঃ লক্ষ্মণস্বামী মুডালিয়াৰ-মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য (সভাপতি)
২। ডঃ এ. এন. বসু- অধ্যক্ষ কেন্দ্ৰীয় শিক্ষা বিদ্যালয়, দিল্লী (সম্পাদক)
৩। ডঃ কে. এল. শ্ৰীমালী- অধ্যক্ষ, বিদ্যাভৱন শিক্ষক মহাবিদ্যালয়, উদয়পুৰ।
৪। শ্ৰীমতী হংস মেহতা-উপাচৰ্য্য বৰোদা বিশ্ববিদ্যালয়।
৫। প্ৰফেছাৰ জন ক্ৰিষ্টি-অধ্যক্ষ জেচুইট কলেজ, অক্সফোৰ্ড।
৬। ডঃ কেনেথ ৰাষ্ট্ উইলিয়ামচ্-এচ' চিয়েট ডাইৰেক্টৰ, দক্ষিণ আঞ্চলিক শিক্ষাৰ' বৰ্ড আটালান্টা আমেৰিকা।
৭। শ্ৰী কে. জি, চৈয়াদিন- শিক্ষাবিদ।
৮। শ্ৰী জে. এ. তাৰাপুৰৱালা-শিক্ষাবিদ।
৯। শ্ৰী এম. টি. ব্যাস- শিক্ষাবিদ।

এই আয়োগৰ মুল কাম আছিল-তলত দিয়া দিশসমুহৰ ক্ষেত্ৰত ভালদৰে অনুসন্ধান কৰি দেশৰ চাহিদা আৰু সম্পদৰ সৈতে সম্বন্ধ ৰাখি সুস্থ আৰু সমপৰ্যায়ৰ মাধ্যমিক শিক্ষা প্ৰৱৰ্তন কৰা।

১। প্ৰচলিত মাধ্যমিক শিক্ষাৰ সৰ্বদিশৰ অনুসন্ধান সম্বলিত প্ৰতিবেদন প্ৰস্তুত কৰা আৰু

২। মাধ্যমিক শিক্ষাৰ পুনৰ গঠন আৰু উন্নতিৰ বাবে লব লগা ব্যৱস্থা, বিশেষকৈ নিম্নলিখিত দিশসমূহৰ সংক্ৰান্তত ঃ

(ক) মাধ্যমিক শিক্ষাৰ লক্ষ্য, বিষয়বস্তু আৰু সংগঠন সম্পৰ্কে,

(খ) প্ৰাথমিক, বুনিয়াদী আৰু উচ্চ শিক্ষাৰ সৈতে মাধ্যমিক শিক্ষাৰ সম্বন্ধ।

(গ) বিভিন্ন ধৰণৰ মাধ্যমিক স্কুলৰ আন্তঃসম্বন্ধ আৰু

(ঘ) আন আন সংশ্লিষ্ট সমস্যাসমুহ।

১৯৫২ চনৰ ৬ অক্টোবৰ তাৰিখে শিক্ষামন্ত্ৰী মৌলানা আবুল কালাম আজাদে আয়োগখনৰ আনুষ্ঠানিক উদ্বোধন কৰে আৰু তেতিয়াৰে পৰা আয়োগৰ সদস্যসকলে কৰ্মত প্ৰবৃত্ত হয়। তেওঁলোকে মাধ্যমিক শিক্ষাৰ সকলো দিশ সামৰি এখন প্ৰশ্নাৱলী প্ৰস্তুত কৰি বিভিন্নজন শিক্ষা বিশেষজ্ঞ, শিক্ষাবিদ আৰু শিক্ষকলৈ মতামত তথা পৰামৰ্শৰ কাৰণে পঠিয়াইছিল। ইয়াৰ জৰিয়তে আয়োগে মাধ্যমিক শিক্ষা সম্বন্ধীয় অনেক তথ্য, মতামত আৰু পৰামৰ্শ সংগ্ৰহ কৰিবলৈ সক্ষম হৈছিল। তাৰোপৰি আয়োগৰ সদস্যসকলে বিভিন্ন ৰাজ্যত ঘুৰি-ফুৰি সমাজৰ বিভিন্ন দিশৰ মানুহক সাক্ষাৎ কৰি যথেষ্ঠ তথ্যপাতি সংগ্ৰহ কৰিছিল। এনেদৰে আয়োগে মাধ্যমিক শিক্ষাৰ সৰ্বদিশৰ ওপৰত বিশেষ অধ্যয়ন তথা পৰ্য্যালোচনাৰ অন্তত ১৫ টা অধ্যায়যুক্ত প্ৰতিবেদন প্ৰস্তুত কৰি ১৯৫৩ চনৰ ২৯ আগষ্ট তাৰিখে দাখিল কৰে।

প্ৰতিবেদনখনৰ ওপৰত কেন্দ্ৰীয় শিক্ষা উপদেষ্টা পৰিষদে ১৯৫৩ চনৰ ৯ আৰু ১০ নৱেম্বৰ তাৰিখে আলোচনা কৰিছিল। পৰিষদে আয়োগৰ পৰামৰ্শৱলী নিখুঁতভাৱে পৰীক্ষা কৰি দ্ৰুত কাৰ্য্যকৰীকৰণৰ ক্ষেত্ৰত পৰামৰ্শ দিবলৈ এখন কমিটি গঠন কৰিবলৈ আয়োগৰ সভাপতিক দায়িত্ব দিয়ে। ১৯৫৪ চনৰ ফেব্ৰুৱাৰী মাহত কমিটিৰ

পৰামৰ্শৰলী আলোচনা কৰা হয় আৰু এইদৰে ভাৰত চৰকাৰে মাধ্যমিক শিক্ষা আয়োগৰ পৰামৰ্শৰলী গ্ৰহণ কৰে।

### ১. মাধ্যমিক শিক্ষাৰ আসোঁৱাহ সমূহ (Detects of the Secondary Education system)

মাধ্যমিক শিক্ষা আয়োগৰ প্ৰতিবেদনৰ তৃতীয় আধ্যায়ত মাধ্যমিক শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে আলোচনা কৰোতে মাধ্যমিক শিক্ষাত থকা আসোঁৱাহবোৰৰ কথা আঙুলিয়াই দিছে। এই আসোঁৱাহবোৰ সংক্ষেপে এনে ধৰণৰ —

১। আমাৰ বৰ্তমানৰ মাধ্যমিক শিক্ষা বাস্তৱ জীৱনৰ লগত জড়িত নহয়। এই শিক্ষা পুথিগত, যান্ত্ৰিক, একমুখী আৰু পৰিবৰ্তনৰ দিশলৈ মনোযোগ নিদিয়া এক গতানুগতিক শিক্ষা ব্যৱস্থা।

২। এই শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীৰ পূৰ্ণ ব্যক্তিত্বৰ বিকাশত অসমৰ্থ হৈছে। ছাত্ৰ-ছাত্ৰীৰ অত্যাৱশ্যকীয় গুণ, যেনে— অনুশাসন, সহযোগিতা আৰু নেতৃত্ব দিব পৰা গুণাৱলীৰ বিকাশ উপযুক্ততাৰে সাধন কৰিব পৰা নাই।

৩। বৰ্তমানৰ মাধ্যমিক শিক্ষা ঠেক গণ্ডীৰ আৰু এক পক্ষীয় হোৱৰ কাৰনে সমতা লোপ পাইছে। এনে পৰিস্থিতিত প্ৰকৃত ব্যক্তিত্বৰ গঠন সম্ভৱ নহয়।

৪। শিক্ষা আহৰণৰ মাধ্যম ইংৰাজী ভাষা হোৱা বাবে আৰু ই বাধ্যতামূলক বিষয় হোৱা বাবে নানা বেমেজালিৰ সৃষ্টি হৈছে। সমাজৰ প্ৰয়োজনীয়তাক আওঁকাণ কৰি ইংৰাজী আৰু দুই এটা বিষয়ৰ অধ্যয়নত অধিক গুৰুত্ব দিয়া হৈছে। আনকি আঞ্চলিক ভাষাৰ দাবীকো তুচ্ছ জ্ঞান কৰা হৈছে।

৫। গতানুগতিক শিক্ষা পদ্ধতিয়ে ছাত্ৰ-ছাত্ৰীৰ মাজত স্বাধীনতা আৰু আত্ম-প্ৰত্যয়ৰ অনুভূতি জগাই তোলাত ব্যৰ্থ হৈছে। এনে শিক্ষণ পদ্ধতি মুঠেই বিজ্ঞান সন্মত নহয়। পাঠ্যক্ৰমৰ বিষয় গধুৰ হোৱা বাবে আৰু মুখস্থ কাৰ্যক আগস্থান দিয়া বাবে ছাত্ৰৰ কল্পনা-শক্তি ধ্বংস কৰিছে।

৬। শ্ৰেণীসমূহত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা প্ৰয়োজনতকৈ অনেক বেছি হোৱা বাবে শিক্ষক আৰু ছাত্ৰৰ মাজৰ পাৰস্পৰিক নিবিড় সম্বন্ধ ৰক্ষা কৰাত কঠিন হৈ পৰিছে। ইয়াৰ ফলস্বৰূপে, ছাত্ৰৰ চাৰিত্ৰিক সবলতা, কৰ্তব্যনিষ্ঠা আদিৰ গুণৰ বিকাশৰ ক্ষেত্ৰত শিক্ষকৰ প্ৰভাৱ কমি আহিছে।

৭। শিক্ষাকসকলৰ অৱস্থা আগতকৈ বেয়া হব ধৰিছে। শিক্ষকৰ বেতনৰ মান নিম্ন হোৱা বাবে উপযুক্ত তথা অভিজ্ঞতা থকা লোক শিক্ষকতা কামৰ বাবে আহিব নোখোজে।

৮। মাধ্যমিক শিক্ষাত পৰীক্ষাত হেঁচা বৰ বেছি আৰু পৰীক্ষা ব্যৱস্থাও ক্ৰটিপূৰ্ণ। এনে পৰীক্ষাই ছাত্ৰ-ছাত্ৰীৰ প্ৰকৃত জ্ঞানৰ পৰিমাপ কৰাত বিফল হৈছে।

৯। মাধ্যমিক স্কুলৰ শিক্ষক নিৰ্বাচন পদ্ধতি ক্ৰটিপূৰ্ণ।

DAILY ASSAM



১০। সহঃপাঠ্যক্রমিক কাৰ্যৱলীৰ অভাৱ। অলপ খেলা-ধূলা, শিল্পকলা আদি পাঠ্যক্ৰমৰ অন্তৰ্ভক্ত কৰা হৈছে যদিও মুখ্য ভূমিকা গ্ৰহণ কৰিব পৰা নাই।

১১। মাধ্যমিক শিক্ষাত বৃত্তিমূলক শিক্ষাৰ দিশটোক একেবাৰে আওঁকাণ কৰা হৈছে:

মাধ্যমিক শিক্ষা আয়োগে এই আটাইবিলাক দিশ চালি-জাৰি চাই মাধ্যমিক শিক্ষাৰ পুনৰ গঠন আৰু উন্নতিৰ কাৰণে বিভিন্ন উপায় উদ্ভাৱন কৰি বহুতো মূল্যবান পৰামৰ্শ আগবঢ়াইছিল।

আয়োগৰ শিক্ষাৰ লক্ষ্য সন্দৰ্ভৰ পৰামৰ্শসমূহ তলত দিয়া ধৰণৰ।

## ২। মাধ্যমিক শিক্ষাৰ লক্ষ্যসমূহ (Aims of the Secondary Educatin)

প্ৰতিবেদনৰ তৃতীয় অধ্যায়ত মুডালিয়াৰ আয়োগে মাধ্যমিক শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য কেনে হোৱা উচিত, সেই বিষয়ে তলত দিয়া ধৰণে উল্লেখ কৰিছে। পোনতে আয়োগে সদ্যপ্ৰাপ্ত স্বাধীনতাৰ কথা কৈছে আৰু লগতে সদ্য ৰচিত সংবিধানে স্থিৰ কৰি দিয়া দেশীয় দৰ্শনৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰি, সংবিধানৰ মূল তাত্বিক দিশৰ সৈতে সম্বন্ধ ৰাখি গণতান্ত্ৰিক ভিত্তিত চাৰিটা উদ্দেশ্য সম্পৰ্কে উল্লেখ কৰিছে। সেইকেইটা সংক্ষেপে এনে ধৰণৰ—

### ক) গণতান্ত্ৰিক নাগৰিকত্বৰ বিকাশ (Development of Democratic Citizenship) :

মুডালিয়াৰ আয়োগে উল্লেখ কৰিছে যে মাধ্যমিক শিক্ষা যিহেতু সৰহভাগ নাগৰিকৰে শেষ শিক্ষা হব, সেয়েহে ছাত্ৰ-ছাত্ৰীসকলে গণতান্ত্ৰিক ভাৰতবৰ্ষৰ প্ৰয়োজনীয়তা পুৰণ কৰিব পৰাকৈ শিক্ষা লাভ কৰিব। গণতন্ত্ৰৰ বাবে প্ৰত্যেকজন নাগৰিকৰে বহু গুণৰ দৰকাৰ হয়, যেনে —

১। সুস্থ চিন্তাধাৰা ঃ এখন গণতান্ত্ৰিক দেশত প্ৰত্যেক নাগৰিৰে সুস্থ চিন্তাধাৰৰ অতীব প্ৰয়োজন। যাতে তেওঁ নিত্য-নতুন চিন্তাৰে দেশৰ উন্নয়নত ইন্ধন যোগাব পাৰে। সেয়েহে তেওঁ আজ্ঞানতা, কু-সংস্কাৰ, অন্ধবিশ্বাস আদিক জয় কৰি বৈজ্ঞানিক দৃষ্টিভংগীৰে বিবেচনা কৰিব পৰা ধৰণৰ হব লাগিব। প্ৰত্যেক নাগৰিকে যাতে সুচিন্তা কৰি নিজৰ ভাৱ স্পষ্টভাৱে প্ৰকাশ কৰিব পাৰে, তাৰবাবে মাধ্যমিক শিক্ষাই উপযুক্ত শিক্ষা প্ৰদান কৰিব লাগিব।

২। সুস্থ সামাজিক সমাযোজন ঃ সমাজৰ সৈতে সুস্থ সমাযোজনৰ বাবে প্ৰতিজন নাগৰিকে উপযুক্ত শিক্ষা লাভ কৰিব। স্কুলত বিভিন্ন আৰ্থিক, সামাজিক আৰু ভিন্ন ধৰ্মীয় ছাত্ৰ- ছাত্ৰী গোট খায়। স্কুলত সেইবাবে সমাজৰ লগত মিলিজুলি থাকিব পৰাৰ বাবে প্ৰশিক্ষণ দিয়াৰ যথেষ্ট সুবিধা আছে। এই সুবিধা সকলো স্কুলে গ্ৰহণ কৰা উচিত। প্ৰতিজন নাগৰিকৰ নিজৰ কৰ্তব্য, ওচৰ-চুবুৰীয়াৰ সৈতে সদভাৱ, মিলা-প্ৰীতি, বন্ধুত্ব, সহানুভূতি, ত্যাগৰ মনোভাৱ, অনুশাসন, সহযোগিতা, সামাজিক চেতনা, সংযম আদি গুণ সমূহৰ বিকাশ মাধ্যমিক শিক্ষাই সাধন কৰিব লাগিব।

৩। সামাজিক ন্যায় ঃ গণতন্ত্ৰই প্ৰতিজন

নাগৰিককে সম-অধিকাৰ প্ৰদান কৰিছে যেতিয়া মাধ্যমিক শিক্ষাই কোনো ধৰণৰ ব্যক্তি-বৈষম্যতাক গুৰুত্ব নিদি সামাজিক ন্যায়ৰ প্ৰতি সু-মনোভাৱ ছাত্ৰ-ছাত্ৰীৰ মনত গঢ়ি তোলাত গুৰুত্ব দিব লাগিব। ধৰ্ম-নিৰপেক্ষতা আৰু দেশীয় বহুল দৃষ্টিভংগীৰ ক্ষেত্ৰত যাতে কোনো ধৰণৰ বাধাৰ সৃষ্টি নহয় তাৰ প্ৰতি শিক্ষা ব্যৱস্থা সজাগ হৈ থাকিব লাগিব।

৪। বাক্-পটুতা আৰু লিখনিৰ স্পষ্টতা ঃ মাধ্যমিক শিক্ষাই স্বকীয়-চিন্তন ক্ষমতা, নতুন ধ্যান ধাৰণাৰ জাগৰণ, নৱ-আদৰ্শ আৰু বৌদ্ধিক সংহতি গ্ৰহণ কৰিব পৰা যোগ্যতা আদি গুণৰ বিকাশ কৰাৰ উপৰিও ছাত্ৰ-ছাত্ৰীৰ প্ৰকাশ ভংগী, কথন-কৌশল, লিখন-ভংগী আদি দিশত উপযুক্ত প্ৰশিক্ষণ দিব লাগিব।

৫। সহনশীলতা ঃ মাধ্যমিক শিক্ষা-ব্যৱস্থাই আমাৰ কষ্ট -সহিষ্ণুতা, কৰ্তব্য পৰায়ণ, নিয়মানুৱৰ্তিতা আদি গুণৰ বিকাশ ঘটাব লাগিব

৬। প্ৰকৃত দেশপ্ৰেম ঃ মাধ্যমিক শিক্ষাৰ লক্ষ্য হব স্বদেশ প্ৰেম জাগ্ৰত কৰি দেশমাতৃৰ হিত সাধন কৰা। নিজৰ দেশক ভাল পোৱা মানেই আনৰ দেশক বেয়া পোৱা নুবুজায়।ইয়ে এইটোও নুবুজায় যে নিজৰ দেশৰ প্ৰতিটো কথাই ভাল,তাত কোনো বেয়াৰ চাপ থাকিব নোৱাৰে। আচলতে দেশক ভাল পোৱা মানে দেশৰ সভ্যতা-সংস্কৃতিক প্ৰশংসা কৰা, ইয়াত থকা দুৰ্বলতাক স্বীকাৰ কৰা আৰু দুৰ্বলতাবোৰ আঁতৰাবলৈ চেষ্টা কৰা। প্ৰকৃত দেশপ্ৰেমৰ বাবে তিনিটা গুণৰ অতীব প্ৰয়োজন, সেই কেইটা সংক্ষেপে এনেধৰণৰ—

১। নিজৰ দেশৰ সাংস্কৃতিক আৰু সামাজিক ঐতিহ্যৰ উচ্চ মনোভাৱ পোষণ।

২। বিষম জাতীয়তাবাদস্বৰূপ ভিন ভিন বদগুণবিলাক চিনাক্ত কৰি সেইবিলাকৰ শুধৰণিৰ ব্যৱস্থা গ্ৰহণ, আৰু

৩। ৰাষ্ট্ৰীয় ঐক্য আৰু ৰাষ্ট্ৰীয় সংহতিৰ প্ৰয়োজনীয়তাত ব্যক্তিগত স্বাৰ্থক আওকাণ কৰি দেশৰ হিতৰ বাবে ইন্ধন যোগোৱা ইত্যাদি। মাধ্যমিক শিক্ষাই এই দিশবিলাকৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগিব।

### খ) বৃত্তিগত যোগ্যতাৰ উন্নতকৰণ (Improvement of Vocational efficiency) :

আমাৰ দ্বিতীয় প্ৰয়োজনীয় দিশটো হৈছে-ছাত্ৰীসকলৰ বৃত্তিগত পাৰদৰ্শিতা বৃদ্ধি কৰা। কাৰণ আমাৰ ছাত্ৰ-ছাত্ৰীয়ে হাতৰ কাম, উৎপাদনমূলক কাম কৰিব নাজানে, ফলত আনৰ পৰিশ্ৰমৰ ওপৰত শিক্ষিত শ্ৰেণীৰ মানুহে ৰঘুমলাৰ দৰে খাবলৈ লৈছে। কায়িক শ্ৰমৰ প্ৰতি গুৰুত্ব কমি গৈছে। দেশৰ সম্পদ কমি গৈছে। গতিকে ছাত্ৰ-ছাত্ৰীৰ কায়িক শ্ৰমৰ প্ৰতি শ্ৰদ্ধাভাৱ জগাই তোলা, স্ব-ক্ৰিয়াৰ প্ৰতি সচেতন কৰি তোলা, কৰ্ম তৎপৰতা বৃদ্ধি কৰা, শিল্প উদ্যোগৰ বাবে প্ৰয়োজনীয় কৌশল আয়ত্তকৰণ ব্যৱস্থা সূচল কৰা ইত্যাদি দিশৰ প্ৰতি মাধ্যমিক শিক্ষাই গুৰুত্ব

DAILY ASSAM


প্ৰদান কৰিব লাগিব। কোনো এটা বৃত্তি সকলো ছাত্ৰ-ছাত্ৰীকে বাধ্যতামূলকভাৱে শিকালে তাৰ পৰা তেওঁলোকৰ ব্যক্তিত্বৰ কেওঁটা দিশৰ বিকাশ হব। জীৱিকা উপাৰ্জনৰ বাট বিচাৰি পাব, আগলৈ কাৰিকৰী বা ব্যৱহাৰিক শিক্ষা লাভৰ সুবিধা পাব। দেশৰ সম্পদ বৃদ্ধি হব। সুখানুভূতি বৃদ্ধি পাব, শাৰীৰিক পৰিশ্ৰম হব, কায়িক শ্ৰমৰ প্ৰতি আমাৰ মানুহৰ মনোভাৱ সলনি হব আৰু লগতে পাঠ্যক্ৰমখনো বেছি আকৰ্ষণীয় হব। তেতিয়াহে মাধ্যমিক শিক্ষাই শিক্ষাৰ্থীসকলক স্বাৱলম্বী কৰি তুলিব লগতে জাতীয় অৰ্থৰ ভঁৰাল টনকিয়াল হব আৰু জন-সাধৰণৰ জীৱন ধাৰণৰ মান উন্নত হব।

### গ) ব্যক্তিত্বৰ বিকাশ (Development of Personality) :

মাধ্যমিক শিক্ষাৰ আন এটা উদ্দেশ্য হৈছে ব্যক্তিত্বৰ বিকাশ সাধন কৰা। ব্যক্তিত্বৰ পূৰ্ণ বিকাশ কৰিবলৈ হলে ব্যক্তিৰ শাৰীৰিক, মানসিক, অনুভূতিক, সামাজিক আৰু ব্যৱহাৰিক জ্ঞানৰ চাহিদা পূৰণ কৰিব লাগিব।

### ঘ) নেতৃত্বৰ শিক্ষা (Education for leadership):

গণতন্ত্ৰৰ সুস্থ বিকাশৰ বাবে নেতৃত্বৰ শিক্ষা অতি প্ৰয়োজনীয়। সাহিত্য, কলা, বানিজ্য, কাৰিকৰী, উদ্যোগ- সকলোতে উচ্চতম নেতৃত্বৰ যোগান ধৰাটো বিশ্ববিদ্যালয়ৰ কাম। কিন্তু সকলোৱে বিশ্ববিদ্যালয়লৈ যাব নোৱাৰে। সেইবাবে সৰহভাগ নাগৰিকৰ কাৰণে মাধ্যমিক শিক্ষাই শেষ শিক্ষা। এনেস্থলত মাধ্যমিক শিক্ষাই মাধ্যমিক পৰ্যায়ত সাহিত্য, কলা, ৰাজনীতি, উদ্যোগ, বাণিজ্য আদিত নেতৃত্বৰ যোগান ধৰিব লাগিব। এই নেতৃত্বৰ বিকাশৰ ক্ষেত্ৰত মাধ্যমিক স্কুলে স্কুলৰ ভিতৰতে সকলো ধৰণৰ সা-সুবিধা ধৰিব লাগিব।

**মনত ৰাখিবলগীয়া-১**

১। ভাৰতবৰ্ষৰ চৰকাৰে মাধ্যমিক শিক্ষাৰ সকলোখিনি দিশ অধ্যয়ন কৰাৰ বাবে ১৯৫২-৫৩ চনত মাধ্যমিক শিক্ষা আয়োগে গঠন কৰি দিয়ে।

২। মাধ্যমিক শিক্ষা আয়োগখনৰ সভাপতি আছিল ড°লক্ষ্মণস্বামী মুডালিয়ৰ।

৩। ১৯৫২-৫৩ চনৰ মাধ্যমিক শিক্ষা আয়োগখনৰ মতে মাধ্যমিক শিক্ষাৰ লক্ষ্যবোৰ হ'ল ---

(ক) ব্যক্তিত্বপূৰ্ণ বিকাশ সাধন

(খ) নেতৃত্বৰ প্ৰশিক্ষণ

(গ) গণতান্ত্ৰিক নাগৰিকত্বৰ ধাৰণা

(ঘ) চৰিত্ৰ গঠনৰ শিক্ষা

(ঙ) বৃত্তিমূলক দক্ষতাৰ বাবে শিক্ষা

৪। মাধ্যমিক শিক্ষাৰ সময় হ'ব লাগে ৭ বছৰ। ইয়াৰ আৰম্ভণি হ'ব লাগে ১১ বছৰ বয়সত আৰু অন্ত পৰিব লাগে ১৭ বা ১৮ বছৰত।

DAILY ASSAM



**কাৰ্য্যাৱলী**

১। ভাৰতবৰ্ষই কোন চনত স্বাধীনতা লাভ কৰে?
২। মাধ্যমিক শিক্ষা আয়োগ কেতিয়া গঠন কৰা হৈছিল?
৩। মাধ্যমিক শিক্ষা আয়োগে নিৰ্ধাৰন কৰা শিক্ষাৰ লক্ষ্যবোৰ কি কি আছিল লিখা।
১। ১৯৫২- ৫৩ চনৰ মুডালিয়াৰ আয়োগে উল্লেখ কৰা শিক্ষাৰ লক্ষ্যসমূহৰ বিষয়ে চমুকৈ লিখা।

## ১ (খ) ঃ কোঠাৰী আয়োগ ঃ ১৯৬৪-৬৬ (Kothari Commission : 1964-66)

ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাৰ সকলোখিনি দিশ সামৰি লৈ পৰামৰ্শ দিবৰ বাবে কেন্দ্ৰীয় চৰকাৰে ১৯৬৪ চনৰ ১৪ জুলাইত এখন শিক্ষা আয়োগ গঠন কৰে। সেই আয়োগত বিশ্ববিদ্যালয় অনুদান আয়োগৰ সভাপতি ডি.এচ. কোঠাৰীক অধ্যক্ষ স্বৰূপে আৰু আন ১৪ জন বিশেষজ্ঞক সদস্য হিচাপে নিযুক্তি দিয়া হয়। বিদেশৰ সদস্যৰ ভিতৰত ইংলেণ্ড, আমেৰিকা, ফ্ৰান্স, জাপান আৰু ৰাছিয়াৰ সদস্য অন্তৰ্ভুক্ত কৰা হয়। ভাৰতীয় সদস্যসকল আছিল এ. আৰ. দাউড আৰ. এ. গোপাল স্বামী, ভি. এচ. ঝ, পি.এন. কৃপাল, বি. পি. পাল, কুমাৰী এচ. পানান্দিকাৰ, কে.জি. চায়দেইন আৰু টি. সেন ইত্যাদি। জে. পি. নাইক আছিল আয়োগৰ সদস্য সচিব. ১৯৬৪ চনৰ ২ অক্টোবৰত জাতিৰ পিতা মহাত্মা গান্ধীৰ জন্ম দিনৰ দিনা আয়োগখনৰ শুভ উদ্বোধন হয়। উদ্বোধনী ভাষণত সেই সময়ৰ ৰাষ্ট্ৰপতি ড. সৰ্বপল্লী ৰাধাকৃষ্ণণে আশা প্ৰকাশ কৰিছিল যে আয়োগে প্ৰাথমিক, মাধ্যমিক, উচ্চ শিক্ষা আৰু কাৰিকৰী শিক্ষাৰ সকলো দিশৰ অধ্যয়ন কৰি ইয়াৰ ওপৰত পৰামৰ্শ আগবঢ়াব আৰু সকলো পৰ্য্যয়ৰ শিক্ষাৰ বিকাশ সাধনত সহায় কৰিব। শিক্ষাৰ দিশটো সামগ্ৰিকভাৱে অধ্যয়ন কৰিবলৈ আয়োগে ১২ টা কাৰ্যদল আৰু ৭ খন কাৰ্য কমিতি গঠন কৰে। আয়োগৰ সদস্যসকলে দেশৰ বিভিন্ন ৰাজ্য ভ্ৰমণ কৰি স্কুল, কলেজ আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰ, শিক্ষক, শিক্ষক, শিক্ষাবিদ আৰু প্ৰশাসকসকলৰ লগত আলোচনা কৰে। আয়োগে বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলৰ দুখন সন্মিলন আহ্বান কৰে। ইয়াৰ উপৰিও শিক্ষাৰ লগত জড়িত আৰু আগ্ৰহী লোকৰ সাক্ষ্যাত গ্ৰহণ কৰে। আয়োগে বিভিন্ন লোকৰ লিখিত তথ্য, স্মাৰক পত্ৰ আৰু প্ৰস্তুত প্ৰশ্নাৱলীৰ উত্তৰ সংগ্ৰহ কৰে। আয়োগে ২,৪০০ খনতকৈও অধিক লোকৰ স্মাৰক পত্ৰ আৰু টোকা সংগ্ৰহ কৰে। দেশৰ শিক্ষা প্ৰশাসক, মন্ত্ৰী আৰু সাংসদ আদিৰ উপৰিও বিদেশৰ বহুতো শিক্ষা বিশেষজ্ঞৰ পৰামৰ্শ আয়োগে গ্ৰহণ কৰে। তাৰ ভিতৰত ইংলেণ্ড, আমেৰিকা, ফ্ৰান্স, জাপান আৰু চোভিয়েত দেশ আৰু UNESCO ৰ শিক্ষা বিশেষজ্ঞসকলেই প্ৰধান। আয়োগে ২১ মাহ পিছত প্ৰতিবেদন প্ৰস্তুত কৰি ১৯৬৬ চনৰ ২১ জুন তাৰিখে ভাৰতৰ সেই সময়ৰ শিক্ষা মন্ত্ৰী এম.চি. চাগলাৰ হাতত প্ৰদান কৰে। ভাৰতীয় শিক্ষাত কোঠাৰী আয়েগৰ প্ৰতিবেদন খনেই হৈছে বৰ্তমানলৈকে সৰ্ববৃহৎ শিক্ষা প্ৰতিবেদন। মূল প্ৰতিবেদনৰ পৰামৰ্শসমূহ প্ৰায় ৭০০ পৃষ্ঠা আগুৰি আছে। প্ৰতিবেদনখন ২০ টা আধ্যায়ত ৰচনা কৰা হৈছে। আধ্যায় কেইটা আয়োগে পুনৰ বহল ভাৱে ৩ টা ভাগত বিভক্ত

DAILY ASSAM



কৰিছে। ইয়াৰ প্ৰথম ভাগত শিক্ষাৰ জাতীয় লক্ষ্য, উদ্দেশ্যসমূহ আৰু তাক সাধন কৰিবৰ বাবে শিক্ষা ব্যৱস্থাৰ প্ৰয়োজনীয় পৰিবৰ্তন সাধন, শিক্ষা গাঠনিৰ পুনৰ সংগঠন, শিক্ষকসকলৰ মানদণ্ড উন্নতিকৰণ আৰু শিক্ষা সা-সুবিধাৰ সমতা স্থাপন আদি দিশ অন্তৰ্ভুক্ত কৰা হয়।

**(১) শিক্ষা আৰু জাতীয় লক্ষ্য (Education and National Objectives) :**

আয়োগে প্ৰতিবেদন খনৰ প্ৰথম বাক্যত ব্যক্ত কৰিছে যে শিক্ষানুষ্ঠানৰ শ্ৰেণী-কক্ষসমূহতেই দেশৰ ভাগ্য নিৰ্মাণ কৰি থকা হৈছে। স্কুল-কলেজ আদিৰ পৰা ওলাই অহা ছাত্ৰ ছাত্ৰসকলে ৰাষ্ট্ৰ নিৰ্মাণ কাৰ্যত বৰঙণি যোগব লাগিব। জাতীয় বিকাশৰ দিশত সফলতা অৰ্জন কৰিবৰ বাবে আয়োগে দেশৰ সমস্যা সমাধানৰ ক্ষমতা অকল শিক্ষাতহে নিহিত হৈ থকাৰ কথা অনুভৱ কৰে। শিক্ষাক দেশৰ সামাজিক পৰিবৰ্তন আৰু বিকাশ সাধনৰ প্ৰধান আহিলা স্বৰূপে গণ্য কৰিব পাৰি। শিক্ষাই দেশৰ বৈষয়িক সম্পদৰ বিকাশ সাধন কৰিব পাৰে। সেইবাবে জাতীয় শিক্ষা ব্যৱস্থা ইয়াৰ গুণগত আৰু সংখ্যাগত দিশত সুসংগঠিত কৰি তোলাৰ ওপৰত আয়োগে গুৰুত্ব প্ৰদান কৰে। প্ৰচলিত শিক্ষা ব্যৱস্থাৰ উদ্দেশ্য আৰু ইয়াৰ আন আন দিশত গণতান্ত্ৰিক আৰু সমাজ বাদী সমাজৰ প্ৰয়োজন পূৰণ কৰিব পৰাকৈ এক আমূল পৰিবৰ্তন সাধনৰ প্ৰয়োজন। শিক্ষাক মানুহৰ জীৱন, প্ৰয়োজন আৰু আশা আকাংক্ষাবোৰৰ লগত সম্বন্ধিত কৰি তুলিব লাগে। শিক্ষাক সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক ৰূপান্তৰ সাধনৰ আহিলা স্বৰূপে প্ৰয়োগ কৰি জাতীয় লক্ষ্যত উপনীত হ'ব লাগিব। শিক্ষাৰ এনেদৰে বিকাশ কৰিব লাগিব যাৰ যোগেদি আমাৰ উৎপাদন ক্ষমতা বৃদ্ধি কৰি তুলিব পাৰি, সামাজিক আৰু জাতীয় সংহতি স্থাপন কৰি তুলিব পাৰি, আধুনিকীকৰণ প্ৰক্ৰিয়া খৰতকীয় কৰি তুলিব পাৰি আৰু সামাজিক, নৈতিক আৰু আধ্যাত্মিক মূল্যবোধৰ ভাৱ গঢ় দি তুলিব পাৰি। শিক্ষাৰ মাধ্যমেদি জাতীয় বিকাশ সাধনৰ বাবে যিবোৰ লক্ষ্য আৰু উদ্দেশ্য আয়োগে চিনাক্তকৰণ কৰি তুলিছে। সেইবোৰ হ'ল —

- **শিক্ষা আৰু উৎপাদনমুখিতা (Education and productivity) :**

(ক) বিজ্ঞান ভিত্তিক শিক্ষা (Science based education)

(খ) কৰ্ম-অভিজ্ঞতা (Work-experience)

(গ) বৃত্তিমুখী কৰণ (Vocationalisation)

(ঘ) বিজ্ঞান আৰু কাৰিকৰী শিক্ষাৰ উন্নতি সাধন (Improvement of Scientific and Technical Education)

- **শিক্ষা, সামাজিক আৰু জাতীয় সংহতি (Education, Social and National Integration)**

(ক) সাধাৰণ বিদ্যালয় স্থাপন (Establishment of Common School)

(খ) সামাজিক আৰু জাতীয় সেৱা (Social and National Service)

(গ) ভাষা-নীতি গঢ় দি তোলা (Estabishment and language Policy)

(ঘ) জাতীয় সচেতনতাৰ বিকাশ (Promoting National consciousness)

(ঙ) আন্তৰ্জাতিক বুজাপৰাৰ বাবে শিক্ষা (Education for International Understanding)

- **শিক্ষা আৰু আধুনিকীকৰণ (Education and Modernisation)**

(ক) জ্ঞানৰ বিস্ফোৰণ (Explosion of Knowledge)

(খ) দ্ৰুত সামাজিক পৰিবৰ্তন (Rapid Social Change)

(গ) দ্ৰুত অগ্ৰগতিৰ প্ৰয়োজন (Need of rapid Advancement)

(ঘ) আধুনিকীকৰণ আৰু শিক্ষাৰ অগ্ৰগতি (Modernisation and educational progress)

- **সামাজিক, নৈতিক আৰু আধ্যাত্মিক মূল্যবোধ (Social, Moral and Spiritual values) ধৰ্ম-নিৰপেক্ষতা আৰু ধৰ্ম (Secularism and religion)**

**(2) শিক্ষা ব্যৱস্থাৰ সংগঠন আৰু মানদণ্ড (Structure and Standard of Education system) :**

আয়োগৰ মূল প্ৰতিবেদনত দেশৰ শিক্ষাৰ সাংগঠনিক ব্যৱস্থাৰ এক পুনৰ গঠনৰ ব্যৱস্থা এই অধ্যায়ৰ মাধ্যমেৰে দাঙি ধৰা হয়। প্ৰাক-প্ৰাথমিক পৰ্যায়ৰ পৰা বিশ্ববিদ্যালয় পৰ্য্যয়লৈকে সামৰি লোৱা শিক্ষাৰ সাংগঠনিক ব্যৱস্থাৰ লগত জাতীয় বিকাশৰ বিশেষ সম্বন্ধ আছে। শিক্ষা দান আৰু শিক্ষা গ্ৰহণৰ মুঠ সময়সীমাৰ লগত শিক্ষাৰ গুণমান ৰক্ষা কৰা আৰু দেশৰ মানৱ সম্পদৰ পূৰ্ণ প্ৰয়োগ কৰাৰ বিষয়টো জড়িত হৈ আছে। এই প্ৰসংগত আয়োগৰ পৰামৰ্শবোৰৰ চমু বৰ্ণনা তলত দাঙি ধৰা হ'ল।

আয়োগৰ মতে যিকোনো শিক্ষা ব্যৱস্থাৰে এই মানদণ্ড চাৰিটা দিশৰ ওপৰত নিৰ্ভৰ কৰে।

দিশকেইটা হৈছে —

১। শিক্ষা গাঁঠনিৰ ভিন ভিন পৰ্য্যায়কৰণ আৰু তাৰ মাজত ৰক্ষা কৰা পাৰস্পৰিক সম্বন্ধ।

২। ভিন ভিন পৰ্য্যায়ে সামৰি লোৱা সময় সীমা।

৩। শিক্ষক, পাঠ্যক্ৰম, শিক্ষা পদ্ধতি, পৰীক্ষণ ব্যৱস্থা, স্কুলঘৰ আৰু শিক্ষণ সজুঁলি আদিৰ প্ৰয়োগ কৰণৰ পৰিমাণ আৰু তাৰ গুণমান বিশিষ্টতা।

৪। উপলব্ধ শিক্ষাৰ সা-সুবিধাবোৰৰ প্ৰয়োগকৰণ।

আয়োগে আঙুলিয়াই দিয়ে যে, চাৰিওটা দিশ এটা আনটোৰ লগত সম্বন্ধযুক্ত যদিও ইয়াৰ প্ৰতিটো দিশ সমানে গুৰুত্বপূৰ্ণ নহয়। আয়োগৰ মতে শিক্ষাত উপলব্ধ হোৱা সা-সুবিধাবোৰৰ পূৰ্ণ প্ৰয়োগ কৰাটোৱে হৈছে আটাইতকৈ গুৰুত্বপূৰ্ণ কথা। উল্লেখযোগ্য যে এই দিশটোৰ প্ৰতি বৰ্তমান অৱস্থাত শিক্ষাব্যৱস্থা আৰু শিক্ষাৰ অনুষ্ঠানবোৰত বিশেষভাৱে অৱহেলা কৰা দেখা যায়।

১৯৫৩ চনত মাধ্যমিক শিক্ষা আয়োগে দিয়া স্কুলীয়া শিক্ষাৰ সাংগঠনিক ব্যৱস্থাৰ বিষয়টো কোঠাৰী আয়োগে কিছু সংশোধন কৰে। মাধ্যমিক শিক্ষা আয়োগৰ মতে স্কুলীয়া শিক্ষা হ'ল ১১ বছৰীয়া। ইয়াৰ প্ৰথম ৫ বছৰ হ'ল নিম্ন প্ৰাথমিক, ৩ বছৰ হ'ল উচ্চ প্ৰাথমিক আৰু শেষৰ ৩ বছৰ উচ্চতৰ মাধ্যমিক স্বৰূপে বিভক্ত কৰা হৈছিল। সেইদৰে স্নাতক পৰ্যায়টো ৩ বছৰীয়া আৰু স্নাতকোত্তৰ পৰ্যায়টো ২ বছৰীয়া কৰা হৈছিল। কোঠাৰী আয়োগে লক্ষ্য কৰে যে এই ব্যৱস্থা সমগ্ৰ দেশতে কাৰ্যকৰী কৰা নহল, কেৱল পাচঁখন ৰাজ্যতহে এই ব্যৱস্থা কাৰ্যকৰী কৰা হৈছিল। তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাৰ শেষলৈকে সমগ্ৰ দেশতে মাত্ৰ শতকৰা ২৫% ভাগ মাধ্যমিক স্কুলকহে উচ্চতৰ মাধ্যমিক স্তৰলৈ ৰূপান্তৰ কৰা হয়, সেইবাবে এই গাঁঠনি পৰিহাৰ কৰা হয় আৰু ১০ + ২ + ৩ ৰ নতুন গাঁঠনিৰ পৰামৰ্শ দিয়া হয়।

DAILY ASSAM



১৯৬৪-৬৬ চনৰ কোঠাৰী আয়োগে মত প্ৰকাশ কৰে যে শিক্ষাৰ গাঁঠনি সমগ্ৰ দেশতে সমৰূপত গঢ় দি তোলাটো সম্ভৱপৰ নহয়। ভাৰতবৰ্ষ এখন বিশাল দেশ হোৱা হেতুকে ইয়াৰ বিভিন্ন অঞ্চলৰ পৰিস্থিতি আৰু স্থানীয় প্ৰয়োজন ভিন ভিন ধৰণৰ। এনে প্ৰয়োজন পূৰণ কৰা বাবে শিক্ষাৰ সংগঠন ব্যৱস্থাত গতিশীলতাৰ নীতি গ্ৰহণ কৰাৰ প্ৰয়োজন। শিক্ষাৰ বিভিন্ন পৰ্যায়ৰ মাজত সমন্বয় সাধনৰ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে আয়োগে পৰামৰ্শ আগবঢ়ায়।

১৯৬৪-৬৬ চনৰ আয়োগে স্কুলীয়া শিক্ষাৰ কাল এবছৰ বৃদ্ধি কৰি মুঠ ১২ বছৰীয়া কৰি তোলাৰ পৰামৰ্শ আগবঢ়ায়। ১১ বছৰীয়া স্কুলীয়া শিক্ষা আয়োগৰ মতে যথেষ্ট নহয়। আয়োগে পূৰ্বৰ কলিকতা বিশ্ববিদ্যালয় আয়োগ, ৰাধাকৃষ্ণণ আয়োগ আৰু আবেগিক সংহতি সাধন কমিটিৰ পৰামৰ্শবোৰৰ লগত একমত হয়। ১৯৬৪ চনত অনুষ্ঠিত হোৱা ৰাজ্যিক শিক্ষমন্ত্ৰীসকলৰ সন্মিলনত ১২ বছৰীয়া স্কুলীয়া শিক্ষা সম্বন্ধে লোৱা সিদ্ধান্তৰ কথাও আয়োগে উনুকিয়ায়।

ভাৰতবৰ্ষৰ বিশালতা আৰু ইয়াৰ শিক্ষা গাঁঠনিৰ ভিন্নতাৰ প্ৰতি লক্ষ্য ৰাখি আয়োগে প্ৰস্তাৱিত নতুন শিক্ষা গাঠনি পৰ্যায়ক্ৰমে ২০ বছৰৰ ভিতৰত কাৰ্যকৰী কৰাৰ বাবে পৰামৰ্শ আগবঢ়ায়। প্ৰথম পৰ্যায়ত আয়োগে আগতে থকা নৱম শ্ৰেণীৰ পৰা উচ্চ মাধ্যমিক শিক্ষা বিশেষীকৰণ কৰাৰ ব্যৱস্থা ত্যাগ কৰি একাদশ শ্ৰেণীৰ পৰা কৰাৰ পৰামৰ্শ দিয়ে। লগতে পৰামৰ্শ দিয়ে যে প্ৰাকবিশ্ববিদ্যালয় স্তৰতো বিশ্ববিদ্যালয় আৰু ইয়াৰ সংবদ্ধ কলেজবোৰৰ পৰা মাধ্যামিক স্কুলবোৰলৈ তুলি নিব লাগে। আয়োগৰ মতে চলি থকা ব্যৱস্থাটোৱে উচ্চ শিক্ষাৰ মানদণ্ড নিম্নগামী কৰি তুলিছে। আয়োগৰ দৃষ্টিগোচৰ হোৱা নমনীয় নতুন শিক্ষা গাঁঠনি আছিল তলত দিয়া ধৰণৰ ঃ

১। প্ৰাক-প্ৰাথমিক পৰ্যায় ১ বছৰৰ পৰা ৩ বছৰলৈ।

২। প্ৰাথমিক পৰ্যায় ৭-৮ বছৰলৈ। ইয়াক দুটা উপ পৰ্যায় স্বৰূপে ভাগ কৰি নিম্ন-প্ৰাথমিক ৪-৫ বছৰৰ আৰু উচ্চ প্ৰাথমিক ৩ বছৰৰ কৰিব লাগে।

৩। নিম্ন-মাধ্যমিক বা হাইস্কুলৰ সাধাৰণ শিক্ষা ৩ বা ২ বছৰৰ আৰু বৃত্তিয় শিক্ষা ১ বছৰৰ পৰা ৩ বছৰৰ বাবে হব লাগে।

৪। উচ্চতৰ মাধ্যমিকৰ সাধাৰণ শিক্ষা ২ বছৰৰ আৰু বৃত্তীয় শিক্ষা ১ বছৰৰ পৰা ৩ বছৰৰ হব লাগে।

৫। উচ্চ শিক্ষা প্ৰথম ডিগ্ৰীৰ অধ্যয়ন সূচী ৩ বছৰ বা অধিক হব লাগে।

**ক. স্কুলীয়া শিক্ষাৰ পুনৰ সংগঠন (Re-organisation of School Education) :**

ভাৰতবৰ্ষৰ স্কুলীয়া শিক্ষাৰ বিভিন্ন পৰ্যায়ৰ সাংগনিক ব্যৱস্থা সম্বন্ধে আয়োগে তলত দিয়া ধৰণেৰে পৰামৰ্শ আগবঢ়ায়।

**(১) হাইস্কুল পৰ্যায়ত (In High School Stage):**

১। ৭ বা ৮ বছৰ প্ৰাথমিক পৰ্যায় আৰু ২ বা ৩ বছৰ নিম্ন-মাধ্যমিক পৰ্যায়কে ধৰি প্ৰথম ১০ বছৰৰ স্কুলীয়া শিক্ষাই কোনো পৃথকীকৰণ নকৰাকৈ সাধাৰণ শিক্ষাৰ পাঠ্যক্ৰম প্ৰদান কৰিব।

২। যত সম্ভৱ হয় তাত প্ৰাথমিক শিক্ষাৰ পূৰ্বেই ১ বছৰৰ পৰা ৩ বছৰলৈকে প্ৰাক-প্ৰাথমিক শিক্ষা দিয়া হব

৩। প্ৰাথমিক স্কুলৰ প্ৰথম শ্ৰেণীত প্ৰবেশৰ বয়স সাধাৰণতে ৬ বছৰৰ কম হব নোৱাৰিব।

৪। প্ৰাথমিক পৰ্যায়ৰ অন্তত শতকৰা প্ৰায় ২০ ভাগ ছাত্ৰই বিদ্যালয় এৰি নিজ কৰ্ম জীৱনত প্ৰবেশ কৰিব। শতকৰা প্ৰায় ২০ ভাগ ছাত্ৰই সাধাৰণ শিক্ষা এৰি বিভিন্ন বৃত্তিমূলক পাঠ্যক্ৰম গ্ৰহণ কৰিব। অৱশিষ্ট শতকৰা প্ৰায় ৬০ ভাগে সাধাৰণ শিক্ষা লৈ থাকিব।

৫। ১০ বছৰীয়া স্কুলীয়া শিক্ষাৰ শেষত বহিঃ পৰীক্ষা অনুষ্ঠিত কৰা হব।

৬। ১০ বছৰ শিক্ষাৰ অন্তত শিক্ষাৰ মানদণ্ড সৰ্বভাৰতীয় পৰ্যায়ৰ কৰি তোলা হ'ব।

৭। ১০ বছৰীয়া স্কুলীয়া শিক্ষাৰ শেষত শতকৰা প্ৰায় ৪০ ভাগ ছাত্ৰই কৰ্ম জীৱনত প্ৰবেশ কৰিব, শতকৰা প্ৰায় ৩০ ভাগ ছাত্ৰই বৃত্তিমূলক শিক্ষাত প্ৰবেশ কৰিব, এই শিক্ষাৰ কাল হব ১ বছৰৰ পৰা ৩ বছৰ আৰু শতকৰা ৩০ ভাগ ছাত্ৰই সাধাৰণ শিক্ষাত প্ৰৱেশ কৰিব তেওঁলোকৰ শিক্ষা কাল হবগৈ ২ বছৰ।

**(২) উচ্চতৰ মাধ্যমিক স্তৰত (In Higher Secondary stage)**

১। পূৰ্বৰ নৱম শ্ৰেণীত শিক্ষাক 'শাখা কৰণ' কৰা কাৰ্যটো পৰিহাৰ কৰিব লাগে। দশম শ্ৰেণীলৈকে পাঠ্যক্ৰমৰ বিশেষীকৰণৰ বিষয়ে কোনো প্ৰচেষ্টা চলাব নালাগে। পাঠ্যক্ৰম পুনৰ সংগঠন কৰাৰ ব্যৱস্থা কৰিব লাগে।

২। প্ৰতিখন হাইস্কুলক উচ্চতৰ মাধ্যমিক পৰ্যায়লৈ উন্নীত কৰাৰ ভাৱধাৰা ত্যাগ কৰিব লাগে।

৩। আয়োগে মাধ্যমিক স্কুল দুই ধৰণৰ হোৱাটো বিচাৰে। প্ৰথম বিধ হব ১০ বছৰীয়া পাঠ্যক্ৰমৰ শিক্ষা দিয়া হাইস্কুল আৰু দ্বিতীয়বিধ হব ১২ বছৰীয়া পাঠ্যক্ৰমৰ শিক্ষা দিয়া উচ্চতৰ মাধ্যমিক স্কুল।

৪। মাধ্যমিক স্কুলৰ মুঠ সংখ্যাৰ চাৰি ভাগৰ এভাগ উচ্চতৰ মাধ্যমিক পৰ্যায়লৈ উন্নীতকৰণ কৰিব পাৰিলেই হব। সেই ব্যৱস্থাটোৱে প্ৰাক বিশ্ববিদ্যালয় প্ৰয়োজন পূৰণ কৰিব পাৰিব বুলি আয়োগে আশা কৰে।

৫। উচ্চতৰ মাধ্যমিক শিক্ষানুষ্ঠানসমূহৰ পৰিসৰ বহল হব লাগে। ইয়াক কেন্দ্ৰীয়ভাবে কৰিব লাগে আৰু গাওঁ আৰু নগৰ উভয় অঞ্চলতে সমানভাবে স্থাপন কৰিব লাগে।

৬। কোনো অনুষ্ঠান একেবাৰে সৰু হলে, মিতব্যয়ী ধৰণৰ নহলে আৰু গুণমান উন্নত নহলে তাক পুনৰ হাইস্কুললৈ ৰূপান্তৰ কৰিব লাগে।

৭। নৱম আৰু দশম শ্ৰেণীৰ শিক্ষা ১০ বছৰীয়া সাধাৰণ শিক্ষাৰ অন্তৰ্ভুক্ত কৰিব লাগে। একাদশ আৰু দ্বাদশ শ্ৰেণীৰ শিক্ষা বিশেষীকৰণ কৰি স্বয়ং বিধৰ কৰি তুলিব লাগে।

৮। ১০ বছৰীয়া সাধাৰণ শিক্ষাৰ অন্ত পেলাবলৈ দশম শ্ৰেণীৰ অন্তত এটি বহিঃ পৰীক্ষা অনুষ্ঠিত কৰিব লাগে।

**(৩) প্ৰাক-বিশ্ববিদ্যালয় স্তৰৰ স্থানান্তৰকৰণ (Transfer of the Pre-University Stage) :**

আয়োগে পূৰ্বৰ প্ৰাক-বিশ্ববিদ্যালয় পৰ্যায়টো কলেজ আৰু বিশ্ববিদ্যালয় পৰা উচ্চতৰ মাধ্যমিক স্কুললৈ স্থানান্তৰ কৰাৰ বিষয়ে ব্যৱস্থা গ্ৰহনৰ বিবেচনা কৰে। আয়োগে মত প্ৰকাশ কৰে যে পূৰ্বতে এই পাঠ্যক্ৰম উচ্চতৰ মাধ্যমিক শিক্ষা কাৰ্যকৰীকৰণৰ বাবে এক অৱস্থান্তৰ ব্যৱস্থা হিচাপেহে গ্ৰহণ কৰা হৈছিল কিন্তু পৰবৰ্তী সময়ত এনে ব্যৱস্থাই স্থায়ীৰূপ ধাৰণ কৰাত আৰু স্নাতক পৰ্যায়ৰ শিক্ষাৰ গুণগত মান নিম্নগামী কৰি তোলত আয়োগে আক্ষেপ প্ৰকাশ কৰে। আয়োগে এনে অৱস্থা সকলো পিনৰ

DAILY ASSAM



পৰাই অমংগলজনক বুলি অভিহিত কৰে। এই ক্ষেত্ৰতে আয়োগে দৃঢ়তাৰে মত প্ৰকাশ কৰি কয় যে পঞ্চম পাচঁ বছৰীয়া পৰিকল্পনাৰ অন্তত এই প্ৰাক বিশ্ববিদ্যালয়ৰ স্তৰটো স্কুললৈ স্থানান্তৰকৰণ কৰাটো সম্পূৰ্ণ হৈ উঠিব লাগিব। এই ক্ষেত্ৰত আয়োগে তলৰ পৰামৰ্শসমূহ আগবঢ়ায়।

১। প্ৰাক- বিশ্ববিদ্যালয় আৰু ইন্টাৰমিডিয়েট শিক্ষাৰ স্তৰটো কলেজ আৰু বিশ্ববিদ্যালয়ৰ পৰা স্কুললৈ স্থানান্তৰ কৰাৰ দায়িত্ব বিশ্ববিদ্যালয় অনুদান আয়োগে লব লাগে।

২। এনে কাৰ্য পৰ্যায়ক্ৰমে অহা ১০ বছৰৰ ভিতৰত সম্পাদন কৰিব লাগে।

৩। চতুৰ্থ পৰিকল্পনাৰ পিছত প্ৰাক-বিশ্ববিদ্যালয় অথবা ইন্টাৰমিডিয়েট পৰ্যায়ৰ অনুষ্ঠান নতুনকৈ খোলাৰ অনুমতি লব নালাগে। পঞ্চম পৰিকল্পনাৰ শেষত ইয়াক সম্পূৰ্ণ ৰূপে বন্ধ কৰি দিব লাগে।

৪। ইয়াৰ লগে লগে কিছুমান নিৰ্বাচিত স্কুলত উচ্চতৰ মাধ্যমিক শ্ৰেণী খোলাৰ ব্যৱস্থা হাতত লব লাগে। ৰাজ্যিক শিক্ষা বিভাগটোৱে ইয়াৰ দায়িত্ব লব লাগে লগতে প্ৰয়োজনীয় অৰ্থ সাহাৰ্য্য দিয়াৰ ব্যৱস্থা কৰিব লাগে।

৫। উচ্চতৰ মাধ্যমিক পৰ্যায়টোৰ দায়িত্ব গ্ৰহণ কৰিব পৰাকৈ মাধ্যমিক শিক্ষাৰ পৰিষদবোৰ পুনৰ সংগঠন কৰিব লাগে।

### ৩। শিক্ষাক বৃত্তিমূখীকৰণ (Vocation-alisation of Education) :

শিক্ষা উৎপাদনমুখী কৰি তুলিবৰ বাবে মাধ্যমিক শিক্ষাত বৃত্তিমূলক প্ৰৱনতা শক্তিশালী কৰা উচিত। ইয়াৰ বাবে বিশ্ববিদ্যালয় পৰ্যায়তো কৃষিমূলক আৰু কাৰিকৰী বিজ্ঞানমূলক শিক্ষাৰ ওপৰত জোৰ দিব লাগে। আয়োগে ভাৰতত বৃত্তিমূলক শিক্ষাৰ অনগ্ৰসৰতা আক্ষেপেৰে লক্ষ্য কৰে। এই ক্ষেত্ৰত আয়োগে ভবিষ্যত স্কুলীয়া শিক্ষাৰ গতি ধাৰাৰ প্ৰতি দৃষ্টিপাত কৰি কয় যে সাধাৰণ আৰু বৃত্তিমূলক এই দুয়োটা দিশৰ উপাদান ভবিষ্যতে ফলপ্ৰসু ভাৱে এটা আনটোৰ লগ লাগি পৰিব। আমি ভৱিষ্যতে যিখন সমাজত বাস কৰিবলৈ ওলাইছো তাত এই দুয়ো দিশৰ শিক্ষাক সম্পূৰ্ণ পৃথক কৰি ৰখাটো কেৱল অবাঞ্চনীয়ই নহয় ই অসম্ভৱো হৈ পৰিব। বৃত্তিমুখী শিক্ষা প্ৰয়োগৰ অৰ্থ হল আত্মনিয়োগৰ ব্যৱস্থা কৰাৰ লগতে চাহিদা আৰু দক্ষমানৱশক্তিৰ মাজত থকা অপসমাযোজন নোহোৱা কৰা। ইয়াৰ উপৰিও যিবিলাকে কোনো ধৰণৰ আগ্ৰহ আৰু উদ্দেশ্য নোহোৱাকৈ উচ্চ শিক্ষা লাভ কৰিবলৈ বিচাৰে তেওঁলোকক অন্য উপায় দিয়াৰ ব্যৱস্থা কৰা। বৃত্তিমূখী শিক্ষা এটা নিৰ্দিষ্ট শাখা হিচাপে পৰিগণিত হব আৰু শিক্ষাৰ্থীসকলক নিৰ্দিষ্ট পেচাৰ বাবে প্ৰস্তুত কৰি তোলা হব। এই শিক্ষা মাধ্যমিক স্তৰৰ পিছত দিয়া হব যদিও ইয়াৰ কিছু শিঠিলতা থাকিব আৰু অষ্টম শ্ৰেণীৰ পৰা এই শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হব। ইয়াৰ বাবে ঔদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰবোৰত বিভিন্ন ধৰণৰ সুবিধা থাকিব। স্বাস্থ্য পৰিকল্পনা আৰু স্বাস্থ্যসেৱা ব্যৱস্থাপনা কৰি স্বাস্থ্য জড়িত বৃত্তিৰ বিষয় শিক্ষাত সন্নিবিষ্ট কৰি বৃত্তিৰ উপযোগী কৰি তোলা হব। এই শিক্ষা + ২ স্তৰৰ উচ্চতৰ মাধ্যমিক শিক্ষাত প্ৰয়োগ কৰা হব। বৃত্তিমুখী শিক্ষাৰ অনুষ্ঠানসমূহ স্থাপন কৰাৰ দায়িত্ব চৰকাৰৰ ওপৰত থাকিব। সেই দৰে ৰাজহুৱা আৰু ব্যক্তি মালিকানা নিয়োগকাৰী সকলৰ ওপৰতো দায়িত্ব থাকিব। চৰকাৰে মহিলাসকলৰ প্ৰয়োজন পূৰণৰ কাৰণে

ব্যৱস্থা হাতত লব লগতে গ্ৰাম্যঞ্চলৰ শিক্ষাৰ্থীসকলৰ বাবেও নজৰ ৰাখিব। বাধাগ্ৰস্ত শিশুসকলৰ বাবে উপযুক্ত আঁচনি আৰম্ভ কৰিব। আয়োগে মত দিয়ে যে কৰ্ম-অভিজ্ঞতা আমাৰ সাধাৰণ আৰু বৃত্তিমূলক সকলোবোৰ বিষয়ৰ শিক্ষাৰ অবিচ্ছেদ্য অংগ হব লাগিব। ইয়াৰ সংজ্ঞা দি কয় যে গৃহ, স্কুল, কৰ্মশালা, ফাৰ্ম, ফেক্টৰী অথবা আন যিকোনো উৎপাদনমূলক পৰিস্থিতিত অংশ গ্ৰহণ কৰা কাৰ্য্যই হৈছে কৰ্ম-অভিজ্ঞতা। আয়োগৰ মতে উদ্দেশ্যপ্ৰনোদিত ভাবে দিয়া সকলোবোৰ শিক্ষাতে সাক্ষৰতা, কৰ্ম-অভিজ্ঞতা আৰু সমাজ সেৱা এই চাৰিটা শিক্ষাৰ উপাদান থাকিব লাগিব। কৰ্ম-অভিজ্ঞতা প্ৰবৰ্তনে আধুনিক শিক্ষাত থকা কৰ্ম বিমুখতাৰ দুৰ্বলতা গুচাব পাৰে। ই হৈছে শিক্ষা আৰু কৰ্মৰ মাজত সমন্বয় সাধনকাৰী, বিজ্ঞানভিত্তিক কাৰিকৰী বিজ্ঞান গ্ৰহণ কৰা। বৰ্তমানৰ সকলোবোৰ সমাজৰ বাবেই কৰ্ম অভিজ্ঞতা হৈছে অপৰিহাৰ্য। ই বুদ্ধিজীবি আৰু শ্ৰমজীবি সকলৰ মাজত ব্যৱধান আঁতৰ কৰিব পাৰে।

**মনত ৰাখিবলগীয়া - ২**

১। ভাৰতবৰ্ষৰ চৰকাৰে ১৯৬৪-৬৬ চনত কোঠাৰী আয়োগ গঠন কৰি দিয়ে।
২। ড° ডি এচ কোঠাৰী ১৯৬৪-৬৬ চনৰ জাতীয় শিক্ষা আয়োগখনৰ সভাপতি আছিল।
৩। ১৯৬৪-৬৬ চনৰ কোঠাৰী আয়োগে ১০ + ২ + ৩ সূত্ৰটোৰ মাধ্যমত শিক্ষাৰ বিকাশ সাধন কৰাৰ পৰামৰ্শ দিছিল।
৪। কোঠাৰী আয়োগে শিক্ষাৰ সামগ্ৰীক দিশটোৰ বিকাশ সাধন কৰাৰ অৰ্থে গাঠনিক দিশটোৰ ওপৰত গুৰুত্ব দি মানদণ্ড উন্নত অৱস্থালৈ নিয়াৰ পোষকতা কৰিছিল।
৫। আয়োগখনে বৃত্তিমূলক শিক্ষা সম্প্ৰসাৰণত গুৰুত্ব আৰোপ কৰি 'কৰ্ম অভিজ্ঞতাৰ' মাধ্যমত শিক্ষাক বিজ্ঞানসন্মত কৰি তোলাৰ কথা কৈছিল।

**শিক্ষাৰ্থীৰ কাম-২**

১। কোঠাৰী আয়োগে আগবঢ়োৱা জাতীয় শিক্ষাৰ লক্ষ্যবোৰ উল্লেখ কৰা।
২। ১০ + ২ + ৩ সূত্ৰটোৱে কি সূচাইছে।
৩। আয়োগখনে স্কুলীয়া শিক্ষা কেইবছৰ হোৱাৰ কথা কৈছে।
৪। কোঠাৰী আয়োগে বৃত্তিমুখী শিক্ষা সন্দৰ্ভত কেনেধৰণৰ মতামত আগবঢ়াইছিল লিখা।
৫। 'কৰ্ম অভিজ্ঞতা' বুলিলে কি বুজা।

## ১ (গ) ঃ ৰাষ্ট্ৰীয় শিক্ষানীতি ১৮৮৬ (National Policy on Education 1986)

**১। প্ৰস্তাৱনা (Intruduction) :**

শিক্ষাই মানৱ সম্পদৰ উন্নয়নত এটি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। ৰাষ্ট্ৰৰ কল্যাণ আৰু বিকাশৰ মূল মন্ত্ৰ হব শিক্ষা। শিক্ষাৰ সফল প্ৰয়োগ হলে ৰাষ্ট্ৰৰ কল্যাণ সম্ভৱ হৈ উঠে। সকলো ৰাষ্ট্ৰই সময়ৰ বিবৰ্তনে কঢ়িয়াই আনিব পৰা প্ৰত্যাহ্বানৰ

DAILY ASSAM



সন্মুখীন হব পৰাকৈ শিক্ষা ব্যৱস্থাক সজাই পৰাই তোলে, লগতে প্ৰয়োজনসমূহ পূৰণ কৰিব পৰাকৈ শিক্ষা ব্যৱস্থাক উপযুক্ত কৰি তোলাৰ আঁচনি হাতত লয়। ভাৰতবৰ্ষত বৰ্তমান পৰিস্থিতিলৈ লক্ষ্য ৰাখি আমাৰ অতীত আৰু বৰ্তমানৰ পৰা আহৰণ কৰা অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি শিক্ষা ব্যৱস্থাক বিকাশ কৰাৰ লগতে পৰিবৰ্তন সাধন কৰা আঁচনি হাতত লোৱা হয়। এই আঁচনিৰ মূলতে অন্তৰ্নিহিত হৈ আছে দেশৰ ঔদ্যোগিক আৰু অৰ্থনৈতিক বিকাশৰ ধাৰা। সামাজিক আৰু ৰাজনৈতিক দিশৰ পৰা চালে উপলব্ধি কৰিব পৰা যায় যে শিক্ষাৰ বিকাশ সাধন কৰিব লাগিলে ৰাষ্ট্ৰইহে দায়িত্ব গ্ৰহণ কৰিব লাগিব আৰু প্ৰয়োজন হব জনসাধাৰণৰ সক্ৰিয় সহযোগ। আমি স্বাধীন ভাৰতৰ শিক্ষা আয়োগসমূহৰ পৰামৰ্শসমূহ ফঁহিয়াই চালে দেখিবলৈ পাওঁ যে আয়োগসমূহে একোটা নিৰ্দিষ্ট দিন হাতত লৈ পৰিবৰ্তনৰ কথা পৰিকল্পনা কৰিছিল। ১৯৬৮ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিত কোৱা হৈছিল যে প্ৰতি পাঁচ বছৰ মূৰে মূৰে শিক্ষাৰ উন্নতি সম্পৰ্কে আলোচনা কৰা হব আৰু নতুন নীতি তথা কাৰ্যসূচীও প্ৰস্তুত কৰি থকা হব। সেই উদ্দেশ্য আগত ৰাখি পাঁচবছৰীয়া পৰিকল্পনা সমূহত শিক্ষাৰ ক্ষেত্ৰত হোৱা ত্ৰুটি বিচ্যুতি সম্পৰ্কে পৰ্যালোচনা কৰা হব আৰু ভৱিষ্যতৰ বাবে কাৰ্যপন্থা হাতত লোৱা হব।

মানৱ সম্পদৰ উন্নতি সাধন কৰাই হব শিক্ষাৰ মূল উদ্দেশ্য। জ্ঞান আৰু বুদ্ধি উভয়ৰ দৃষ্টিভংগী আগত ৰাখি প্ৰমূল্য তথা যোগ্যতা বিকাশ কৰাৰ উদ্দেশ্য শিক্ষাৰ লগত নিহিত হৈ থাকে। আনহাতে পৰিবৰ্তিত পৰিস্থিতিৰ সৈতে মুখা-মুখি হবলৈ শিক্ষাই মানুহক শক্তি আৰু দৃঢ়তাৰ যোগন ধৰে। শিক্ষাই সমাজৰ উন্নতিৰ ক্ষেত্ৰত যথেষ্ট বৰঙণি যোগায় আৰু মানৱ সম্পদক উপযুক্ত কৰি তোলে। এই মানৱ সম্পদক সকলো প্ৰকাৰে বিকাশ কৰিবলৈ হলে এটি সুসংহত, সুপৰিকল্পিত শিক্ষা ব্যৱস্থাৰ যথোপযুক্ত কাৰ্যকৰী ব্যৱস্থাৰ প্ৰয়োজন। এই প্ৰয়োজনসমূহ পূৰণ কৰিবলৈও দেশত শিক্ষানীতিৰ প্ৰবৰ্তন কৰা হয়। আমি আহিআহি কুৰি শতিকাৰ শেষ দশকত উপনীত হৈছো। কুৰি শতিকাৰ শেষ মুহূৰ্তত পদাৰ্পন কৰি ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাই নতুন চিন্তাধাৰা আৰু বৈজ্ঞানিক দৃষ্টিভংগীৰ প্ৰসূত জ্ঞানৰ মাজেৰেহে নতুন পুৰুষক একৈশ শতিকাৰ বাবে প্ৰস্তুত কৰি তুলিব লাগিব। এই উদ্দেশ্য আগত ৰাখি ১৯৮৫ চনত "শিক্ষা প্ৰত্যাহ্বান" (Challenge of education) নামৰ এখন শিক্ষা সম্পৰ্কীয় এখন পত্ৰ প্ৰকাশ কৰা হয়। 'শিক্ষা প্ৰত্যাহ্বান' পত্ৰৰ ভেটীত গণতান্ত্ৰিক ভাৱধাৰাৰে বিভিন্ন দিশৰ ভাৰতীয় নাগৰিকসকলৰ পৰা শিক্ষা সম্পৰ্কীয় পৰামৰ্শ গ্ৰহণ কৰা হয়। 'শিক্ষা ৰাষ্ট্ৰৰ বৰ্তমান আৰু ভৱিষ্যতৰ সংযোজনৰ ক্ষেত্ৰত এক অদ্বিতীয় আৰু উল্লেখযোগ্য বিনিযোগ ব্যৱস্থা'। এই তত্ত্ব ওপৰত ভিত্তি কৰি ১৯৮৬ চনৰ মে মাহত ভাৰতবৰ্ষৰ দুয়োখন সংসদৰ অধিবেশনত নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি গৃহীত কৰা হয়। ইয়াক 'ৰাষ্ট্ৰীয় শিক্ষানীতি ১৯৮৬' বুলি জনা যায়।

**(২) শিক্ষাৰ প্ৰয়োজনীয়তা আৰু ভূমিকা (The Essence and Role of Education) :**

শিক্ষাৰ প্ৰয়োজন সকলোৰে বাবে। আমাৰ সৰ্বাঙ্গীন বিকাশৰ ক্ষেত্ৰত সহায় কৰিব পাৰিব শিক্ষা ব্যৱস্থাইহে। শিক্ষাই সকলো ব্যক্তিৰ সূক্ষ্ম অনুভূতিক জাগ্ৰত কৰিব পাৰে। শিক্ষাৰ মূল দায়িত্ব হল ৰাষ্ট্ৰীয় ঐক্য গঠন কৰাৰ লগতে বৈজ্ঞানিক চিন্তা ধাৰাৰ বিকাশ ঘটোৱা। বিৱৰ্তনমূখী সমাজত শিক্ষাৰ ভুমিকা অতি দৃঢ়। শিক্ষা ব্যৱস্থাৰ সহায়ত মানৱ

সম্পদৰ পূৰ্ণবিকাশ ঘটাব পাৰি। শিক্ষাক ভৱিষ্যতৰ বাবে বিনিয়োগ ব্যৱস্থা বুলি কব পাৰি আৰু ই বৰ্তমানক বিকাশ কৰাৰ সহায়ক হৈ পৰে। ইয়াকে ৰাষ্ট্ৰীয় শিক্ষানীতিত মূল হিচাপে লোৱা হৈছে।

**(৩) ৰাষ্ট্ৰীয় শিক্ষা পদ্ধতি (National System of Education) :**

ভাৰতৰ সংবিধানে ৰাষ্ট্ৰীয় পদ্ধতিৰ শিক্ষা ব্যৱস্থাৰ কথা প্ৰকাশ কৰিছে। ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থাৰ অৰ্থ হ'ল জাতি, বৰ্ণ, নিৰ্বিশেষে সকলোলোকে শিক্ষা গ্ৰহণৰ সুবিধা দিয়া। প্ৰৱৰ্তিত শিক্ষানীতিত এক সৰ্বভাৰতীয় দৃষ্টিভংগী অন্তৰ্নিহিত হৈ আছে আৰু ইয়াক দেশত এটা উপযুক্ত ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থা প্ৰতিষ্ঠা কৰিবৰ বাবে অবিৰতভাৱে চলোৱা প্ৰচেষ্টা বুলি কব পাৰি। ১৯৬৮ চনৰ শিক্ষানীতিয়ে প্ৰৱৰ্তন কৰিবলৈ বিচৰা সাধাৰণ 'স্কুল ব্যৱস্থা' এইক্ষেত্ৰত অধিক ফলপ্ৰসু হব। ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থাত সকলোৰে বাবে সাধাৰণ শিক্ষাৰ গাঁথনিৰ কথা কোৱা হৈছে। দেশৰ সকলো অংশতে ১০ + ২ + ৩ সূত্ৰৰ গাঁঠনিৰে শিক্ষা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰে প্ৰথম দহবছৰৰ ৫ বছৰ প্ৰাথমিক শিক্ষা, ৩ বছৰ উচ্চ প্ৰাথমিক আৰু ২ বছৰীয়া মাধ্যমিক শিক্ষাৰ বাবে প্ৰয়োজ্য হব।

ৰাষ্ট্ৰীয় শিক্ষা পদ্ধতিৰ পাঠ্যক্ৰম হব ৰাষ্ট্ৰীয় ভিত্তিৰ আৰু ইয়াৰ কিছুমান সাধাৰণ দিশ থাকিব আৰু আন কিছুমান পৰিবৰ্তনীয় দিশ থাকিব। সাধাৰণ দিশবোৰৰ ভিতৰত থাকিব ভাৰতৰ ইতিহাস, স্বাধীনতা আন্দোলন সাংবিধানিক দায়বদ্ধতা আৰু আন প্ৰয়োজনীয় জাতীয় চিহ্নিত দিশসমূহ। এই দিশবোৰৰ মাজেৰে মূল্যবোধৰ বিকাশ কৰা হব আৰু ভাৰতীয় সংস্কৃতিৰ ধাৰা, গণতন্ত্ৰৰ ধাৰা, ধৰ্মনিৰপেক্ষতাবাদ, সমভাৱাপন্নতা, স্ত্ৰী-পুৰুষৰ সমতা, পৰিবেশৰ সংৰক্ষণ, সামাজিক বাধা দূৰীকৰণ, সৰু পৰিয়ালৰ আদৰ্শ গ্ৰহণ, বিজ্ঞানসন্মত দৃষ্টিভংগী আহৰণৰ কথা প্ৰকাশ পাব। সকলো ধৰণৰ শিক্ষাৰ কাৰ্যসূচী সম্পূৰ্ণভাবে ধৰ্মনিৰপেক্ষ।

ভাৰতবৰ্ষই সদায় শান্তি আৰু জাতিসমূহৰ বুজাবুজিৰ বাবে কাম কৰি যাব আৰু পৃথিৱীখনক এক পৰিয়াল হিচাবে গণ্য কৰিব। এই ধাৰণাৰ বশৱৰ্তী হোৱাৰ বাবে উঠি অহা নতুন বংশধৰসকলক আন্তৰ্জাতিক সমন্বয়, শান্তিপূৰ্ণ সহস্থিতি আদিৰ শিক্ষা দিব লাগিব আৰু ইয়াক উপেক্ষা কৰিব পৰা নেযাব। সমতাৰ বিকাশ সাধন কৰাৰ বাবে সকলোকে সমানে সুবিধা দিব লাগিব যাতে সকলোৱে বিকাশ কৰিব পাৰে। ইয়াক সাধাৰণ পাঠ্যক্ৰমৰ মাজেৰে প্ৰয়োগ কৰিব পৰা যাব। সামাজিক পৰিবেশৰ মাজেৰে অন্ধবিশ্বাস আঁতৰ কৰিব লাগিব।

শিক্ষাৰ প্ৰতিটো স্তৰতে আয়ত্ব কৰিবলগীয়া নুন্যতম শিক্ষা নিৰ্ধাৰিত কৰিব লাগিব। শিক্ষাৰ্থীসকলৰ মাজত ভাৰতৰ বিভিন্ন প্ৰান্তত থকা সংস্কৃতি আৰু সামাজিক ব্যৱস্থাৰ জ্ঞান অৱগত কৰাৰ ব্যৱস্থা হাতত লব লাগিব। সংযোগ ভাষাৰ বিকাশ সাধন কৰাৰ লগতে এটা ভাষাৰ পৰা আন এটা ভাষালৈ কিতাপ-পত্ৰ অনুবাদ কৰাৰ কাৰ্যসূচী হাতত লব লাগিব। এই দিশৰ লগতে বহুভাষিক অভিধান প্ৰণয়নৰ ব্যৱস্থা কৰিব লাগিব। নতুন পুৰুষসকলে ভাৰতবৰ্ষক পুনৰ আবিস্কাৰ কৰাৰ সুবিধা পালে তেওঁলোকৰ নিজস্ব প্ৰতিৰূপ আৰু সংযোজন প্ৰকাশত উদ্‌গনি পাব।

শিক্ষানীতিত উচ্চ শিক্ষাৰ ক্ষেত্ৰত,বিশেষভাৱে কাৰিকৰী শিক্ষাৰ দিশত সকলোকে যোগ্যতা অনুসাৰে শিক্ষাৰ সুবিধা দিয়াৰ কথা কোৱা হৈছে

DAILY ASSAM



আৰু আন্তঃ আঞ্চলিক ধাৰণাৰে সুবিধা প্ৰদানৰ কথা কৈছে। বিশ্ববিদ্যালয় আৰু আন আন উচ্চ শিক্ষাৰ অনুষ্ঠানত শিক্ষালাভৰ ক্ষেত্ৰতো সাৰ্বজনীন চৰিত্ৰৰ কথা প্ৰকাশ কৰিছে। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ শিক্ষাৰ ক্ষেত্ৰত গৱেষণা আৰু বিকাশৰ ওপৰত গুৰুত্ব দিব লাগিব। দেশৰ বিভিন্ন অনুষ্ঠানৰ মাজত সমন্বয় গঢ়ি তুলিব লাগিব আৰু ৰাষ্ট্ৰীয় গুৰুত্ব সম্পন্ন আঁচনি সমূহত অংশগ্ৰহণ কৰাৰ লগতে ৰাষ্ট্ৰীয় সমলসমূহ কামত লগাব লাগিব। ৰাষ্ট্ৰই সম্পূৰ্ণভাৱে কাৰ্যসূচীসমূহ প্ৰয়োগ কৰাৰ দায়িত্ব গ্ৰহণ কৰিব লাগিব আৰু বৈষম্যতা দূৰকৰি সাৰ্বজনীন প্ৰাথমিক শিক্ষা, বয়স্ক শিক্ষা, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ গৱেষণাত গুৰুত্ব আৰোপ কৰিব লাগিব।

শিক্ষা প্ৰক্ৰিয়াৰ উদ্দেশ্য হ'ল জীৱনজোৰা শিক্ষা। নিৰক্ষৰতা দূৰীকৰণ, যুৱকসকলক সুবিধা প্ৰদান কৰাৰ লগতে গৃহিণী, কৃষক আৰু ঔদ্যোগিক কৰ্মীসকলে যি শিক্ষা লাভ কৰিববলৈ বিচাৰে তাৰ ব্যৱস্থা কৰিব লাগিব। ভৱিষ্যতে মুক্ত আৰু দূৰশিক্ষণ পদ্ধতিৰ নিৰ্দেশনা থাকিব।

শিক্ষানুষ্ঠানসমূহে যাতে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ বাবে শক্তি আহৰণ কৰিব পাৰে তাৰ দায়িত্ব বিশ্ববিদ্যালয় অনুদান আয়োগে (U.G.C) সদৌভাৰত কাৰিকৰী শিক্ষা পৰিষদ (A.I.C.T.E) ভাৰতীয় কৃষি গৱেষণা পৰিষদ (I.C.A.R), ভাৰতীয় চিকিৎসা পৰিষদ (I.M.C.) আদিয়ে বহন কৰিব। এই সংস্থাসমূহৰ মাজত সংহত পৰিকল্পনা অনুষ্ঠিত কৰা হব যাতে কৰ্ম সংযোগ স্থাপন গৱেষণা আৰু স্নাতকোত্তৰ শিক্ষাৰ ব্যৱস্থা কৰিব পৰা যায়। শিক্ষানীতি প্ৰয়োগৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (N.C.E.R.T), শিক্ষা পৰিকল্পনা আৰু প্ৰশাসন ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান (N.I.E.P.A), আৰু বিজ্ঞান প্ৰযুক্তি বিদ্যা শিক্ষা আন্তঃৰাষ্ট্ৰীয় প্ৰতিষ্ঠান (I.I.S.T.E) আদিক জড়িত কৰিব পৰা যায়।

**(৪) শিক্ষাত কেন্দ্ৰ আৰু ৰাজ্যচৰকাৰ ভূমিকা (Role of the Central and state Government in Education):**

১৯৭৬ চনৰ সংবিধানৰ সংশোধনৰ অনুসাৰে শিক্ষাক সমৱৰ্তী সূচীত অন্তৰ্ভুক্ত কৰা হয়। জাতীয় জীৱনৰ ক্ষেত্ৰ অনুসাৰে ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰসমূহে বৈষয়িক, অৰ্থনৈতিক আৰু প্ৰশাসনিক দিশৰ দায়িত্ব ভগায় লব লাগিব। ৰাজ্যিক চৰকাৰসমূহৰ শিক্ষাৰ দায়িত্ব একেধৰণৰ থাকিব। কেন্দ্ৰীয় চৰকাৰে শিক্ষাৰ দায়িত্ব বহলভৱে ল'ব কাৰণ সকলো পৰ্যায়তে গুণ আৰু মানদণ্ড উন্নত কৰাব লাগিব। ইয়াৰ উপৰিও ৰাষ্ট্ৰৰ শৈক্ষিক প্ৰয়োজনসমূহৰ অধ্যয়ন কৰি মানৱ সম্পদৰ বিকাশ সাধন, উচ্চ অধ্যয়ন আৰু গবেষনাৰ প্ৰয়োজনীয়, শিক্ষাৰ আন্তৰ্জাতিক ধাৰণাৰ প্ৰতি লক্ষ্য ৰখা, সংস্কৃতি আৰু মানৱ সম্পদ বিকাশ আৰু সাধাৰণভাৱে সমগ্ৰ দেশৰ শিক্ষাৰ পিৰামিদৰ বৈশিষ্ট্যসমূহৰ অগ্ৰগতিৰ খতিয়ান লোৱাৰ দায়িত্ব বহন কৰে। স্বাধীনোত্তৰ ভাৰতবৰ্ষক শিক্ষাৰ যাবতীয় দিশসমূহৰ দায়িত্ব লবৰ কাৰণে কেন্দ্ৰীয় শিক্ষা মন্ত্ৰণালয় দপ্তৰক ন্যস্ত কৰা হৈছে। শিক্ষাক অৰ্থপূৰ্ণ আৰু প্ৰত্যাহ্বান স্বৰূপ কৰাৰ ক্ষেত্ৰত সমৱৰ্ত্তী সূচীৰ বিশেষত্ব আছে। ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে ইয়াক ফলপ্ৰসু কৰি তুলিব।

**(৫) সমতাৰ বাবে শিক্ষা (Education for Equality) :**

নতুন শিক্ষানীতিয়ে বিভিন্নতা দূৰ কৰাৰ বাবে বিশেষ গুৰুত্ব আৰোপ কৰিছে। শিক্ষাৰ সুবিধাসমূহ সমভাৱে দিয়াৰ ক্ষেত্ৰত বিশেষ প্ৰয়োজনীয় দিশবোৰ হাতত লোৱাৰ কথা কৈছে। যিবিলাকে সুবিধাৰ পৰা বঞ্চিত হৈ আছে তেওঁলোকৰ ববে সমপৰ্যায়ৰ শিক্ষা প্ৰদান কৰাৰ সা-সুবিধা আগবঢ়োৱাত গুৰুত্ব আৰোপ কৰিছে।

**মহিলাৰ সমতাৰ বাবে শিক্ষা (Educatio for women's equality) :**

নতুন শিক্ষানীতিত মহিলাৰ বাবে শিক্ষাৰ বিকাশ আৰু প্ৰগতিত বিশেষ গুৰুত্ব দিছে। মহিলাসকলক সম অধিকাৰ প্ৰদান কৰাৰ ক্ষেত্ৰত শিক্ষাই মূল বাহক হিচাপে পৰিগণিত হব। অতীতত সৃষ্টি হোৱা বৈষম্যতা দূৰ কৰি নিৰপেক্ষ দৃষ্টিভংগী লোৱাৰ ক্ষেত্ৰসমূহ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হব। শিক্ষানুষ্ঠানসমূহত মহিলা শিক্ষাৰ বিকাশৰ বাবে প্ৰয়োজনীয় সা-সুবিধাসমূহৰ ব্যৱস্থা কৰা হব, পাঠ্যপুথি পুনৰ গঠন কৰি নতুন মূল্যবোধ সৃষ্টি কৰা হব, পাঠ্যপুথি, শিক্ষক, প্ৰশিক্ষণ আৰু অভিৰোচন ব্যৱস্থা কৰা হব। উচ্চশিক্ষাৰ পাঠ্যক্ৰমত মহিলা অধ্যয়ন আদিৰ দৰে বিষয়বোৰ সামৰি লোৱা হব আৰু অনুষ্ঠানসমূহে যাতে মহিলাসকলৰ ভবিষ্যত বিকাশত উদগনি যোগায় তাৰ প্ৰতিও চকু ৰখা হব।

মহিলাসকলৰ মাজৰ পৰা নিৰক্ষৰতা নিৰ্মূল কৰাৰ ব্যৱস্থা কৰি প্ৰাথমিক শিক্ষা যাতে নিশ্চিতভাৱে লাভ কৰিবলৈ সক্ষম হয় তাৰ প্ৰতি গুৰুত্ব দিয়া হব। এই প্ৰচেষ্টাত কৃতকাৰ্য হোৱাৰ বাবে সকলো প্ৰকাৰৰ সেৱা জৰুৰীভাৱে প্ৰয়োগ কৰাৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ উপৰিও বৃত্তিমুখী, কাৰিকৰী শিক্ষা লাভ কৰিবলৈ সুযোগ পায় তাৰ ওপৰত অধিক গুৰুত্ব দিয়া হব। মহিলাসকলৰ ক্ষেত্ৰত লিংগভেদ নাৰাখি বৃত্তিমুখি আৰু পেচামুখী শিক্ষাত অংশগ্ৰহন কৰাৰ সুবিধা দিয়াৰ লগে লগে অপৰম্পৰাগত জৰুৰীকালীন প্ৰযুক্তিবিদ্যাৰ বৃত্তিসমূহতো জড়িত কৰাৰ ব্যৱস্থা কৰা হ'ব।

**অনুসুচীত জাতিৰ শিক্ষা (The Education of Schedule Caste)**

অনুসূচীত জাতিৰ লোকসকলে যাতে অ-অনুসূচীত জাতিৰ লোক সকলৰ সমানে শিক্ষালাভ কৰিবলৈ সক্ষম হয় তাৰ ব্যৱস্থা কৰা হব। গ্ৰাম্যঞ্চলৰ মহিলা আৰু পুৰুষ আৰু চহৰ অঞ্চলৰ মহিলা-পুৰুষ মাজত সমতা ৰক্ষাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হব। পিছপৰা অঞ্চলৰ পৰিয়াল সমূহৰ ল'ৰা-ছোৱালীয়ে যাতে ১৪ বছৰ বয়সলৈ স্কুললৈ গৈ থাকে তাৰ প্ৰতিও সজাগ হোৱাটো প্ৰয়োজন হব। পূৰ্ব প্ৰবেশিকা জলপানিৰ ব্যৱস্থা কৰাৰ প্ৰয়োজন হব আৰু ইয়াক আঁচনি হিচাপে লৈ আয়বিহীন পৰিয়ালসমূহকো এই আঁচনিৰ অন্তৰ্ভুক্ত কৰা হব। অনুসূচিত জাতিৰ ল'ৰা-ছোৱালীৰ শিক্ষা আৰু নিয়োগৰ সম্ভাৱনীয়তা উন্নত কৰাৰ প্ৰতিকাৰমূলক পাঠ্যসূচী দিহা কৰা হব। অনুসূচীত জাতিৰ ল'ৰা-ছোৱালীৰ নামভৰ্তিকৰণ অপচয়ৰোধকৰণ আৰু সফলতা নিশ্চিতকৰণৰ বাবে সঘনাই নিৰীক্ষণ কৰা

DAILY ASSAM



আৰু পৰিকল্পনা কৰাত গুৰুত্ব দিয়া হৈছে। অনুসূচীত জাতিৰ ল'ৰা-ছোৱালীয়ে অংশগ্ৰহণ কৰিব পৰাকৈ স্কুলঘৰ, বালকেন্দ্ৰ আৰু বয়স্ক শিক্ষাৰ কেন্দ্ৰ আদি গঢ়ি তোলাৰ ব্যৱস্থা কৰা হব। জনজাতিৰ মাজৰ পৰা শিক্ষক নিয়োগৰ ব্যৱস্থাও কৰা হব। শিক্ষাৰ্থীসকলে জিলাৰ মুখ্যস্থানত যাতে আবাসিক সুবিধা পায় তাৰ বাবে ছাত্ৰবাস স্থাপন কৰাৰ ওপৰত পৰ্যায়ক্ৰমে গুৰুত্ব দিয়া হব।

**অনুসূচিত জনজাতিৰ শিক্ষা (The Education of Schedule Tribe) :**

অনুসূচিত জনজাতি অধ্যুষিত অঞ্চলত প্ৰাথমিক বিদ্যালয় স্থাপন কৰাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়া হব। তেনেকুৱা অঞ্চলৰ বিদ্যালয়ৰ ঘৰবোৰ শিক্ষাৰ সাধাৰণ কোষৰ সাহাৰ্যত বনোৱাৰ ব্যৱস্থা কৰা হব। জনজাতীয় কল্যাণ আঁচনিৰ পৰাও এই ক্ষেত্ৰত সাহাৰ্য্য আগবঢ়োৱা হব। জনজাতিৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ স্বকীয় বৈশিষ্ট্যৰ প্ৰয়োজন সাপেক্ষে শিক্ষাদানৰ সামগ্ৰী প্ৰাৰম্ভিক স্তৰৰ বাবে এনেভাৱে প্ৰস্তুত কৰা হব যাতে পৰৱৰ্ত্তী সময়ছোৱাত তেওঁলোকে আঞ্চলিক ভাষাত সকলো কাম কৰিবলৈ সক্ষম হয়। এই উদ্দেশ্যৰ লগতে জনজাতীয় ভাষাসমূহক প্ৰাৰম্ভিক স্তৰত শিক্ষণীয় বিষয়বস্তুৰ অন্তৰ্ভুক্ত কৰিব পৰা যাব। জনজাতিৰ শিক্ষিত আৰু উদ্দোগীযুৱক সকলক শিক্ষক হিচাবে নিজ এলকা সমূহতে নিয়োগ কৰিব পৰা যাব। এনে ধৰণৰ অঞ্চলত আবাসিক বিদ্যালয়, আশ্ৰম বিদ্যালয় আদি স্থাপন কৰিব পৰা যাব। জনজাতীয় জীৱনৰ বিশেষ প্ৰয়োজনসমূহ পূৰণৰ বাবে আঁচনি গ্ৰহণ কৰা হব। উচ্চ শিক্ষাৰ বাবে জলপানিৰ ব্যৱস্থা, কাৰিকৰী আৰু ব্যৱসায়িক শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মনোসামাজিক দিশৰ বিকাশ সাধন কৰিবলৈ চেষ্টা কৰা হব। অংগনবাদী, অনানুষ্ঠানিক আৰু বয়স্ক শিক্ষাৰ কেন্দ্ৰ আদি মুকলি কৰা হব। জনজাতীয় শিক্ষাৰ বিকাশৰ বাবে পাঠ্যক্ৰমসমূহ সাংস্কৃতিক চিনাক্তকৰণৰ ভিত্তিত সৃষ্টিশীল ধাৰণাৰে পূনৰ গঠন কৰা হব।

**আন আন শিক্ষাৰ ক্ষেত্ৰত পিচপৰা সম্প্ৰদায় আৰু অঞ্চলসমূহ (Other Educationally Back ward Section and Areas) :**

সমাজৰ সকলো শ্ৰেণীৰ পিচপৰা সম্প্ৰদায় সমূহক শিক্ষাৰ ক্ষেত্ৰত আগুৱাই নিয়াৰ ব্যৱস্থা কৰা হব। বিশেষকৈ গ্ৰাম্যাঞ্চলত, পাহাৰীয়া অঞ্চল, মৰুভূমিৰ জিলা, দুৰ্গম যোগাযোগৰ অঞ্চল আৰু দ্বীপ অঞ্চল সমূহত প্ৰয়োজনীয় শিক্ষানুষ্ঠান স্থাপন কৰি উদগনিমূলক ব্যৱস্থা লোৱা হব।

**সংখ্যালঘুৰ শিক্ষা (Education of Minorities) :** কিছুমান অঞ্চলৰ সংখ্যালঘু সম্প্ৰদায় সমূহ শিক্ষাৰ পৰা বঞ্চিত আৰু পিছপৰা হৈ আছে। সমতা আৰু সামাজিক ন্যায় স্থাপন কৰাৰ অৰ্থে এনে সম্প্ৰদায় সমূহৰ ওপৰত মনোযোগ দিয়া হব। এইবোৰৰ সাংবিধানিক নিশ্চয়তা আছে। সংখ্যালঘু সকলৰ ভাষা আৰু সংস্কৃতি ৰক্ষাৰ অৰ্থে তেওঁলোকৰ নিজস্ব অনুষ্ঠান স্থাপনৰ ক্ষেত্ৰত উদ্‌গনি দিয়া হব বিদ্যালয়ৰ কৰ্ম আঁচনি আৰু পাঠ্যক্ৰম আদিৰ প্ৰস্তুতিৰ ক্ষেত্ৰতো মনোযোগ দিয়া হব।

**বাধাগ্ৰস্তসকলৰ শিক্ষা (Education of Handicapped) :** বাধাগ্ৰস্ত শিক্ষাৰ্থীসকলৰ বাবে প্ৰতিখন জিলাতে আবাসিক বিদ্যালয় স্থাপন কৰা হব। অসমৰ্থ এনে শিক্ষাৰ্থীসকলক উপযুক্ত প্ৰকাৰৰ

বৃত্তিমূলক শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হব। বাধাগ্ৰস্ত শিক্ষাৰ্থীসকলৰ বিশেষ অসুবিধালৈ লক্ষ্য ৰাখিবৰ কাৰণে প্ৰাথমিক পৰ্যায়ৰ শিক্ষক প্ৰশিক্ষণৰ ব্যৱস্থা কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হব। শাৰীৰিক আৰু মানসিকভাৱে বাধাগ্ৰস্ত সকলকো অন্যান্যসকলৰ দৰে একেধৰণৰ সুবিধা প্ৰদান কৰা হব। অসমৰ্থসকলৰ বিকাশৰ বাবে কৰা স্বেচ্ছামূলক প্ৰচেষ্টা কৰা সংগঠনসমূহক উৎসাহ প্ৰদান কৰা হব।

**বয়স্ক শিক্ষা (Adult Education)** : ৰাষ্ট্ৰীয় শিক্ষানীতিত বয়স্ক শিক্ষাৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰা হৈছে। আমাৰ অতীতৰ বৰ্ণনাসমূহত পোৱা যায় যে শিক্ষাই 'নিৰ্বান' তথা মুক্তি লাভ কৰাবলৈ সক্ষম হয়। শিক্ষাই অজ্ঞান আন্ধাৰৰ পৰা আমাক মুক্তিৰ পথলৈ আনে। আধুনিক পৃথিৱীত প্ৰকতাৰ্থত লিখা আৰু পঢ়াক সামৰি লোৱা হৈছে বহল দৃষ্টিভংগীৰে। তেতিয়াৰে পৰা ইয়াক শিক্ষণ প্ৰক্ৰিয়াৰ মূল আহিলা বুলি ধৰা হয়। বৰ্তমান সময়ত বয়স্ক শিক্ষা আৰু বয়স্ক নিৰক্ষৰতাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

আজিৰ সমাজৰ প্ৰয়োজন অনুসাৰে মানৱ সম্পদক সফলভাৱে প্ৰয়োগ কৰাৰ পৰিকল্পনা কৰা হৈছে। দক্ষকৰ্মীৰ গতিশীল উন্নতিকৰণৰ ব্যৱস্থা কৰাৰ দিহা কৰা হৈছে। এই ক্ষেত্ৰত লাভবান হোৱাৰ বাবে বিভিন্ন ধৰণৰ বিকাশমূলক কাৰ্যসূচী হাতত লোৱা হৈছে। এই কাৰ্যসূচীসমূহে পদ্ধতিগতভাৱে বয়স্ক শিক্ষাৰ বিকাশত সহায় কৰিছে আৰু জাতীয় লক্ষ্যত উপনীত হোৱাত সহায়ক হৈছে। এই ক্ষেত্ৰত দাৰিদ্ৰতা দূৰীকৰণ, জাতীয় সংহতি, পৰিবেশ সংৰক্ষণ, ব্যক্তিসকলৰ সাংস্কৃতিক সৃষ্টি, সৰা পৰিয়ালৰ আদৰ্শ পালন, মহিলাৰ সমতা স্থাপনৰ উন্নতিকৰণ আদিৰ দৰে কাৰ্যসূচী হাতত লোৱা হব আৰু কাৰ্যসূচীসমূহক পুনৰ নিৰীক্ষণ আৰু শক্তিশালী কৰা হব।

সমগ্ৰ জাতিটোৱে ১৫ বছৰৰ পৰা ৩৫ বছৰৰ ভিতৰত ব্যক্তিসকলৰ মাজৰ পৰা নিৰক্ষৰতা দূৰীকৰণৰ প্ৰতিজ্ঞা কৰিব লাগিব। কেন্দ্ৰীয় চৰকাৰে আৰু ৰাজ্য চৰকাৰসমূহ, ৰাজনৈতিক দলসমূহ আৰু তেওঁলোকৰ বৃহৎ সংগঠন, গনসংযোগ মাধ্যম আৰু শিক্ষানুষ্ঠানসমূহে সমাজৰ পৰা নিৰক্ষৰতা দূৰ কৰাৰ বাবে স্বাক্ষৰতা অভিযান চলাম বুলি সংকল্প বদ্ধ হব লাগিব। ইয়াৰ লগতে বিস্তৃতভাৱে শিক্ষক, শিক্ষাৰ্থী যুৱক, স্বেচ্ছাসেৱক, সংগঠন, কৰ্মচাৰী সকলো জড়িত হব লাগিব। বিভিন্ন ধৰণৰ গৱেষণাৰ সংগঠনসমূহক বয়স্ক শিক্ষাৰ শৈক্ষিক ধাৰণাৰ বিকাশৰ কামত সমূহীয়া প্ৰচেষ্টা চলাবলৈ দিয়া হব। স্বাক্ষৰতা অভিযানৰ লগে লগে কৰ্মক্ষম জ্ঞান আৰু দক্ষতা, আৰ্থ সামাজিক সম্যতা, পৰিবৰ্তনৰ সম্ভাৱনীয়তা সমূহকো অন্তৰ্ভুক্ত কৰা হব।

বয়স্ক আৰু গতিশীল শিক্ষাক সম্প্ৰসাৰণ কৰাৰ অৰ্থে বিস্তৃত আঁচনি হাতত লোৱা হৈছে আৰু ইয়াক কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত নিম্ন উল্লেখিত দিশসমূহ অন্তৰ্ভুক্ত কৰা হৈছে।

(ক) গ্ৰামাঞ্চলত অবিৰত শিক্ষাৰ কেন্দ্ৰ স্থাপন কৰা।

(খ) নিয়োগকাৰী, কৰ্মীসংস্থা আৰু চৰকাৰৰ জড়িত সংস্থাসমূহৰ মাধ্যমত শিক্ষাৰ ব্যৱস্থা কৰা।

(গ) উত্তৰ মাধ্যমিক শিক্ষানুষ্ঠান।

(ঘ) পাঠ্যপুথি, পুথিভঁড়াল আৰু পাঠাগাৰ আদিৰ বিস্তৃত উন্নয়ন।

(ঙ) গণমাধ্যম হিচাপে ৰেডিঅ' দূৰদৰ্শন আৰু কথাছবিৰ ব্যৱহাৰ।

(চ) শিক্ষাৰ্থীৰ দল আৰু সংগঠনৰ সৃষ্টি।

DAILY ASSAM



(ছ) দূৰ শিক্ষণ আঁচনিসমূহ,

(জ) আত্মশিক্ষণ প্ৰণালীৰ ব্যৱস্থাকৰণৰ সহযোগ আৰু

(ঝ) প্ৰয়োজনীয় আৰু মনোগ্ৰাহী বৃত্তিমুখী প্ৰশিক্ষণ আঁচনিৰ ব্যৱস্থাকৰণ।

**(৬) বিভিন্ন স্তৰৰ শিক্ষানুষ্ঠানসমূহৰ পুৰ্ণ গঠন (Re-organisation of Education at Different stages):**

**আগতীয়া বাল্যকালৰ যতন আৰু শিক্ষা (Early Childhood care & Education) :**

ৰাষ্ট্ৰীয় শিক্ষানীতিত কণ কণ শিশুসকলৰ বিকাশৰ ওপৰত গুৰুত্ব দিয়া হয়। শিশুসকলে আনন্দমুখৰ পৰিবেশৰ মাধ্যমত যাতে বিকশিত হব পাৰে তাৰ ব্যৱস্থা লোৱাৰ অৰ্থে সুষম খাদ্য, স্বাস্থ্য আৰু সামাজিক, মানসিক আৰু শাৰীৰিক দিশৰ ওপৰত গুৰুত্ব দিব লাগিব। আগতীয়া বাল্যকালৰ তত্ত্বাৱধান আৰু শিক্ষা, (E.C.C.E.) ই এই ক্ষেত্ৰত প্ৰাধান্য লাভ কৰিব লগতে সুসংহত শিশুবিকাশ সেৱা আঁচনি (I.C.D.E.P.) সম্ভৱ হলে কাৰ্যকৰী কৰা হব। 'দিবাতত্ত্বাৱধান' কেন্দ্ৰৰ ব্যৱস্থা কৰি প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰাৰ ব্যৱস্থা কৰা হব। ইয়াৰ লগতে দুখীয়া শ্ৰেণীৰ কৰ্মৰত মহিলা সমৰ্থিত সেৱাৰ আঁচনি হাতত লোৱা হব। আগতীয়া বাল্যকালৰ তত্ত্বাৱধান আৰু শিক্ষা (E.C.C.E.) কাৰ্যসূচী সম্পূৰ্ণৰূপে শিশুকেন্দ্ৰিক হব আৰু ইয়াক ক্ৰীড়াভিত্তিক ব্যক্তিমুখী কৰি তোলা হব। এই স্তৰত লিখা-পঢ়া আৰু অংক কৰা (3 Rs) আদিক নিয়মীয়া পদ্ধতি হিচাবে লোৱাত উদগনি দিয়া নহব। এই আঁচনিসমূহ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত স্থানীয় সম্প্ৰদায় সমূহক জড়িত কৰা হব। প্ৰাক্-প্ৰাথমিক স্তৰৰ বিকাশ কৰাৰ ব্যৱস্থা কৰা হব। সাধাৰণভাবে প্ৰাথমিক শিক্ষা আৰু মানৱসম্পদৰ বিকাশৰ কাৰণে শক্তিশালী ব্যৱস্থা হাতত লোৱা হব।

**(ক) প্ৰাথমিক শিক্ষা (Primary Education)** : প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত দুটা দিশৰ ওপৰত গুৰুত্ব দিয়া হব. (১) সাৰ্বজনীন নাম ভৰ্তিকৰণ আৰু ১৪ বছৰ বয়সলৈ শিক্ষানুষ্ঠানত উপস্থিতি, (২) শিক্ষাৰ গুণগত দিশৰ উন্নীতকৰণ।

**শিশুকেন্দ্ৰিক শিক্ষা (Child Centred Education) :**

শিশুসকলক শিক্ষানুষ্ঠানত উপস্থিত হোৱা শিকাৰ বাবে সুন্দৰভাৱে স্বাগম জনাই উৎসাহপূৰ্ণ ধাৰণা লব লাগিব আৰু প্ৰয়োজনসমূহ পূৰণৰ চেষ্টা কৰিব লাগিব। প্ৰাথমিক স্তৰত শিক্ষা প্ৰক্ৰিয়া কৰ্মকেন্দ্ৰিক আৰু শিশুকেন্দ্ৰিক কৰি তুলিব লাগিব। প্ৰথম গোষ্ঠীৰ শিক্ষাৰ্থীসকলৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা হব। তেওঁলোকৰ ব্যক্তিগত চাহিদা, পঠনীয় বিষয়ৰ প্ৰতি অনুৰাগ, দৃষ্টিভংগী আৰু সামৰ্থৰ প্ৰতি লক্ষ্য ৰাখিহে শিক্ষা প্ৰদান কৰা হব। শাস্তি প্ৰদান কৰাৰ ব্যৱস্থা বাদ দি শিশুৰ সুবিধা হোৱাকৈ স্কুলৰ সময় আৰু বন্ধৰ দিন সমাযোজন কৰা হব।

**স্কুলৰ সুবিধাসমূহ (School facilities) :** প্ৰাথমিক বিদ্যালয়সমূহক প্ৰয়োজনীয় সা-সুবিধাখিনি দিয়াৰ ব্যৱস্থা কৰিব লাগিব। সকলো সময়ৰ উপযোগীকৈ দুটা ডাঙৰ কোঠা, পুতলা, ব্লেক বোৰ্ড, মানচিত্ৰ, চাৰ্ট আৰু আন আন সঁজুলিসমূহ যোগান ধৰিব লাগে। প্ৰত্যোকখন বিদ্যালয়তে দুজনকৈ শিক্ষক নিয়োগ কৰিব লাগিব তাৰে এগৰাকী মহিলা হোৱাটো বাঞ্চনীয়। পাৰিলে শিক্ষকৰ সংখ্যা বৃদ্ধি কৰি প্ৰতোক শ্ৰেণীৰ বাবে একোজন শিক্ষকৰ ব্যৱস্থা কৰিব লাগে। সমগ্ৰ

ৰাষ্ট্ৰতে বিদ্যালয়বিলাকক 'অপাৰেচন ব্লেকবোৰ্ড' আঁচনিৰ মাধ্যমেৰে উন্নত কৰাৰ ব্যৱস্থা কৰিব লাগে। সমগ্ৰ ৰাষ্ট্ৰতে বিদ্যালয়বিলাকক 'অপাৰেচন ব্লেকবোৰ্ড' আঁচনিৰ মাধ্যমেৰে উন্নত কৰা ব্যৱস্থা সোনকালে ফলপ্ৰসু হোৱাকৈ ব্যৱস্থা হাতত লোৱা হব। এই ক্ষেত্ৰত স্থানীয় সংস্থাসমূহ, স্বেচ্ছাসেৱক অনুষ্ঠান আৰু ব্যক্তিসকলক সম্পূৰ্ণৰূপে জড়িত কৰা হব।

**অগতানুগতিশিক্ষা (Non formal Education) :** অগতানুগতিক শিক্ষাৰ পদ্ধতিগত কাৰ্যসুচী হাতত লোৱা হব। এই কাৰ্যসূচীৰ মাধ্যমেৰে বিদ্যালয় নোহোৱা স্থানসমূহৰ শিশু, কৰ্মৰত ল'ৰা আৰু ছোৱালী যিবিলাকে সম্পূৰ্ণ দিনটো স্কুলত কটাব নোৱাৰে তেওঁলোকক সহায় কৰা হব। অগতানুগতিক শিক্ষাৰ কেন্দ্ৰসমূহক আধুনিক প্ৰযুক্তিবিদ্যাৰ আহিলা প্ৰয়োগৰ সুবিধা দিয়া হব। এই কেন্দ্ৰসমূহত সেৱা আগবঢ়োৱাৰ বাবে স্থানীয় সমাজৰ পৰা উচ্চ বুদ্ধিসম্পন্ন পুৰুষ আৰু মহিলা নিয়োগ কৰা হব। তেওঁলোকৰ বাবে উপযুক্ত প্ৰশিক্ষণৰ ব্যৱস্থাও কৰা হব আৰু প্ৰয়োজন সাপেক্ষে অনানুষ্ঠানিক দিশলৈ নিয়া হব। এনেধৰণৰ কেন্দ্ৰবোৰৰ বাবে স্থানীয় পৰিবেশৰ উপযোগীকৈ পাঠ্যক্ৰম জাতীয় ভিত্তিত প্ৰস্তুত কৰা হব। সকলো শিক্ষৰ্থীৰ বাবে উচ্চ পৰ্যায় শিক্ষণৰ আহিলা বিনামূলীয়াকৈ দিয়া হব। এই আঁচনিমতে শিক্ষণ পৰিবেশত অংশগ্ৰহণ, খেলা-ধূলা, ভ্ৰমণ কাৰ্যসূচী, সাংস্কৃতিক কাৰ্যসূচী আদিৰ ব্যৱস্থা কৰা হব। অগতানুগতিক শিক্ষাৰ কেন্দ্ৰসমূহ চলোৱাৰ বাবে স্বেচ্চাসেৱী অনুষ্ঠান আৰু পঞ্চায়তী ৰাজ অনুষ্ঠানসমূহৰ ওপৰত দায়িত্ব অৰ্পন কৰা হব। এই অনুষ্ঠানসমূহলৈ সময়মতে আৰ্থিক সাহায্য দিয়া হব। চৰকাৰে এই ক্ষেত্ৰত সম্পূৰ্ণ দায়িত্ব গ্ৰহণ কৰিব।

এক সিদ্ধান্ত অনুসাৰে ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে বিদ্যালয় বাদ দিয়া ল'ৰা-ছোৱালীৰ সমস্যা সমাধানৰ বাবে বিশেষ প্ৰাধান্য দিয়াৰ কথা কৈছে। একেবাৰে আৰম্ভণিৰ পৰা সমাধানৰ প্ৰচেষ্টা চলাই ফলপ্ৰসু কৰাৰ ব্যৱস্থা কৰিব লাগিব। ১৯৯০ চনলৈ ১১ বছৰ হোৱা ল'ৰা-ছোৱালীক ৫ বছৰীয়া বিদ্যালয়ৰ শিক্ষা দিয়া বা সমপৰ্যায় অগতানুগতিক শিক্ষাৰ ব্যৱস্থা কৰা হব। সেইদৰেই ১৯৯৫ চনৰ ভিতৰত ১৪ বছৰ বয়সলৈ সকলো ল'ৰা-ছোৱালীক বাধ্যতামূলক মুক্ত শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হব।

**(খ) মাধ্যমিক শিক্ষা (Secondary Education) :** মাধ্যমিক শিক্ষাই ল'ৰা-ছোৱালীক বিকশিত হবলৈ সুবিধা প্ৰদান কৰে। এই ক্ষেত্ৰত বিজ্ঞান, কলা আৰু সমাজবিজ্ঞানে বিভিন্ন ধৰণৰ ভূমিকা গ্ৰহণ কৰে। এই সময়ছোৱাত ইতিহাস আৰু জাতীয় বিকাশ, সাংবিধানিক কৰ্তব্য আৰু নাগৰিকসকলৰ অধিকাৰ আদিৰ বিষয়ে শিক্ষা দিব পাৰি। পাঠ্যক্ৰমৰ মাধ্যমেৰে মানৱতাবোধ মিশ্ৰ সংস্কৃতি আদিৰ জ্ঞানো দিয়াৰ ব্যৱস্থা কৰা হব। বিশেষ অনুষ্ঠানসমূহৰ মাধ্যমেৰে শিক্ষা ব্যৱস্থাক বৃত্তিমুখী কৰি তোলা হব আৰু মানৱ শক্তিৰ বিকাশৰ লগতে আৰ্থনৈতিক বিকাশৰ ওপৰত গুৰুত্ব দিয়া হব। উচ্চ পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ সুবিধা দিয়াৰ ব্যৱস্থা কৰা হব। সময় সাপেক্ষে দেশৰ বিভিন্ন স্থানত 'নবোদয় বিদ্যালয়' স্থাপনৰ ব্যৱস্থা কৰা হব। এই বিদ্যালয়ৰ মাধ্যমেৰে নিম্ন স্তৰৰ ল'ৰা-ছোৱালীবোৰক উন্নত স্তৰৰ শিক্ষা প্ৰদান কৰা হব। বিদ্যালয় বিকাশ আঁচনিক কাৰ্যকৰী কৰাৰ কাৰণে ৰাষ্ট্ৰীয় ভিত্তিক ধাৰণা লোৱা হ'ব। নবোদয়

DAILY ASSAM



বিদ্যালয়সমূহ আবাসিক আৰু বিনামূলীয়া শিক্ষাৰ অনুষ্ঠান হ'ব।

**বৃত্তিমুখী শিক্ষা (Vocationalisation of Education) :** শিক্ষা পুনৰ গঠন আঁচনিত পদ্ধতিগতভাৱে সুপৰিকল্পিত বৃত্তিমূলক শিক্ষাৰ ব্যৱস্থা কৰাৰ কথা কোৱা হৈছে। এই শিক্ষা প্ৰয়োগৰ অৰ্থ হ'ল আত্মনিয়োগৰ ব্যৱস্থা কৰাৰ লগতে চাহিদা আৰু দক্ষ মানৱশক্তিৰ মাজত থকা অপসমাযোজন নোহোৱা কৰা। ইয়াৰ উপৰিও যিবিলাকে কোনো ধৰণৰ আগ্ৰহ আৰু উদ্দেশ্য নোহোৱাকৈ উচ্চ শিক্ষা লাভ কৰিবলৈ বিচাৰে তেওঁলোকক অন্য উপায় দিয়াৰ ব্যৱস্থা কৰা।

বৃত্তিমুখী শিক্ষা এটা নিৰ্দিষ্ট শাখা হিচাপে পৰিগণিত হব আৰু শিক্ষাৰ্থীসকলক নিৰ্দিষ্ট পেচাৰ বাবে প্ৰস্তুত কৰি তোলা হব। এই শিক্ষা মাধ্যমিক স্তৰৰ পিচত দিয়া হব যদিও ইয়াৰ কিছু শিথিলতা থাকিব আৰু অষ্টম শ্ৰেণীৰ পৰা এই শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হব। ইয়াৰ বাবে ঔদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰবোৰত বিভিন্ন ধৰণৰ সুবিধা থাকিব। স্বাস্থ্যপৰিকল্পনা আৰু স্বাস্থ্যসেৱা ব্যৱস্থাপনা কৰি স্বাস্থ্য জড়িত বৃত্তিৰ বিষয় শিক্ষাত সন্নিবিষ্ট কৰি বৃত্তিৰ উপযোগী কৰি তোলা হব। এই শিক্ষা + ২ স্তৰৰ উচ্চতৰ মাধ্যমিক শিক্ষাত প্ৰয়োগ কৰা হব

বৃত্তিমুখী শিক্ষাৰ অনুষ্ঠানসমূহ স্থাপন কৰাৰ দায়িত্ব চৰকাৰৰ ওপৰত থাকিব। সেইদৰেই ৰাজহুৱা আৰু ব্যক্তি গত মালিকানা নিয়োগকাৰী সকলৰ ওপৰতো দায়িত্ব থাকিব। চৰকাৰে মহিলাসকলৰ প্ৰয়োজন পূৰণৰ কাৰণে ব্যৱস্থা হাতত লব লগতে গ্ৰাম্যাঞ্চলৰ শিক্ষাৰ্থীসকলৰ বাবেও নজৰ ৰাখিব। বাধাগ্ৰস্ত শিশুসকলৰ বাবে উপযুক্ত আঁচনি আৰম্ভ কৰিব।

সাধাৰণ শিক্ষা, কাৰিকৰী শিক্ষা আৰু বৃত্তিমুখী শিক্ষাৰ বাবে সংযোগ পাঠ্যক্ৰমৰ ব্যৱস্থা কৰি শিক্ষাৰ জীৱন উন্নীত কৰা হব। নতুন শিক্ষিত, প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰা যুৱক আৰু স্কুল এৰা শিক্ষাৰ্থীৰ বাবে প্ৰয়োজনীয় অগতানুগতিক, পৰিবৰ্তনশীল শিক্ষাৰ ব্যৱস্থা থাকিব। ইয়াৰ উপৰিও কৰ্মত লিপ্ত হৈ থকা ব্যক্তি আৰু নিয়োগহীন অথবা আংশিকভাৱে নিয়োগ হোৱা ব্যক্তিৰ বাবেও সুবিধা থাকিব। মহিলাসকলৰ ক্ষেত্ৰত বিশেষ মনোযোগ দিয়া হব।

উচ্চতৰ মাধ্যমিক স্তৰৰ শতকৰা ১০ ভাগ শিক্ষাৰ্থীৰ বাবে ১৯৯০ চনৰ ভিতৰত আৰু শতকৰা ২৫ ভাগৰ বাবে ১৯৯৫ চনৰ ভিতৰত বৃত্তিমুখী শিক্ষাৰ ব্যৱস্থা কৰা হব। বৃত্তিমুখী শিক্ষা লাভকৰা সকলে যাতে নিযোগ অথবা আত্মনিয়োগ হব পাৰে তালৈ লক্ষ্য ৰখা হব। চৰকাৰেও নিয়োগ নীতিৰ পুনৰ নিৰীক্ষণ কৰি এই ক্ষেত্ৰত উদগনি যোগাব।

**(গ) উচ্চ শিক্ষা (Higher Education) :** উচ্চশিক্ষাই মানৱতাৰ সন্মুখীন হব পৰাকৈ ব্যক্তিসকলক সজাই পৰাই তোলে। ব্যক্তিসকলে এই শিক্ষালাভ কৰি জটিল সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক, নৈতিক আৰু আধ্যাত্মিক দিশবোৰৰ সন্মুখীন হবলৈ সক্ষম হয়। উচ্চশিক্ষাৰ সহায়ত জাতিৰ বিকাশ সম্ভৱ হৈ উঠে।

DAILY ASSAM



**মুক্ত বিশ্ববিদ্যালয় আৰু দূৰ শিক্ষণ (Open University and Distance Learning) :** গণতান্ত্ৰিক শিক্ষাৰ বিকাশ আৰু উচ্চশিক্ষাৰ বিকাশ সাধনৰ কাৰণে মুক্ত বিশ্ববিদ্যালয় স্থাপন কৰা হ'ব। ইতিমধ্যে স্থাপন কৰা 'ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়'ৰ পৰিসৰ বৃদ্ধি কৰা হ'ব। গ্ৰাম্য বিশ্ববিদ্যালয় স্থাপন কৰা হ'ব।

**উপাধিক নিয়োগৰ পৰা বিচিন্ন (Delinking Degree from Jobs) :** কিছুমান নিৰ্বাচিত অঞ্চলত উপাধিক নিয়োগৰ পৰা বিচ্ছিন্ন কৰাৰ আৰম্ভণি কৰা হ'ব। এই প্ৰস্তাৱটো কিছুমান ক্ষেত্ৰত প্ৰয়োগ কৰিব পৰা নেযাব, যেনে অভিযান্ত্ৰিক শিক্ষা, চিকিৎসাবিজ্ঞান, আইন, শিক্ষকতা আদি বৃত্তিত।

বিচ্ছিন্ন অৱস্থা কিছুমান সেৱাৰ ক্ষেত্ৰত প্ৰয়োগ হ'ব যিবোৰত বিশ্ববিদ্যালয়ৰ উপাধিৰ প্ৰয়োজন নহয়। উপাধিৰ প্ৰয়োজন নোহোৱা কৰ্মক্ষেত্ৰত দক্ষ আৰু অৰ্হতা সম্পন্ন ব্যক্তিক হে নিয়োগৰ সুবিধা দিয়া হয়। এই ক্ষেত্ৰত সহায় হোৱাকৈ 'জাতীয় অভীক্ষা সেৱা' নামৰ গোট স্থাপন কৰা হ'ব। এই গোটৰ মাধ্যমত ক্ষেত্ৰ অনুযায়ী দক্ষ ব্যক্তি নিৰ্বাচন কৰি লোৱা হ'ব আৰু এই পদ্ধতি নীতিগত হ'ব।

**গ্ৰাম্য বিশ্ববিদ্যালয় (Rural University) :** গ্ৰাম্য বিশ্ববিদ্যালয়ৰ নতুন ধাৰণাটো মহাত্মা গান্ধীৰ বৈপ্লবিক আদৰ্শৰ মাধ্যমতে বিকশিত কৰাৰ প্ৰচেষ্টা কৰা হ'ব। গ্ৰাম্যাঞ্চলৰ একেবাৰে অন্তৰৰ পৰা বিকশিত কৰাৰ প্ৰচেষ্টা কৰা হ'ব আৰু সুক্ষ্ম পৰিকল্পনা হাতত লোৱা হ'ব। মহাত্মা গান্ধীৰ বুনিয়াদী শিক্ষাৰ কাৰ্যসুচী আৰু আঁচনিসমূহ সমৰ্থিত হ'ব।

**কাৰিকৰী আৰু ব্যৱস্থাপনা শিক্ষা (Technical and Management Education) :** কাৰিকৰী আৰু ব্যৱস্থাপনা শিক্ষাৰ ধাৰা যদিও দুটা পৃথক ধাৰণা, ইয়াৰ মাজত পৰস্পৰ সম্বন্ধ আছে। কাৰিকৰী শিক্ষা আৰু ব্যৱস্থাপনা শিক্ষা ব্যৱস্থাৰ পুনৰগঠন কৰা হ'ব লগতে অৰ্থনৈতিক, সামাজিক পৰিবেশ, উৎপাদন আৰু পৰিচালন প্ৰক্ৰিয়া আদিৰ বিকাশ সাধন কৰিব লাগিব।সেৱা ক্ষেত্ৰবোৰৰ উন্নতি সাধনৰ ব্যৱস্থা কৰি প্ৰযুক্তিৰ দিশবোৰৰ উন্নতি সাধিব লাগিব। কোনো ক্ষেত্ৰত চৰকাৰৰ সহযোগিতাৰ প্ৰয়োজন হ'ব। মানৱ শক্তিৰ দিশত জানিবলৈ হ'লে অৱস্থাৰ উন্নতি সাধন কৰিব লাগিব। এই উদ্দেশ্যৰে স্থাপন কৰা 'কাৰিকৰী মানৱশক্তি সংবাদ ব্যৱস্থা' ক অধিক শক্তিশালী আৰু বিকশিত কৰিব লাগিব। অবিচ্ছিন্ন শিক্ষা ব্যৱস্থাক প্ৰযুক্তিগতভাৱে উন্নীত কৰা হ'ব। আধুনিক আহিলা হিচাপে কম্পিউটাৰৰ ব্যৱহাৰ প্ৰশিক্ষণ বিস্তৃতভাৱে বিদ্যালয় পৰ্যায়ৰ পৰা দিয়াৰ ব্যৱস্থা কৰা হ'ব। বৰ্তমান শিক্ষা ব্যৱস্থাত থকা নামভৰ্তিকৰণ ব্যৱস্থাৰ লগতে দূৰত্ব শিক্ষণ প্ৰক্ৰিয়াৰ মাধ্যমত ব্যক্তিসকলক কাৰিকৰী আৰু ব্যৱস্থাপনা শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগিব। এই ক্ষেত্ৰৰ উন্নতি সাধনৰ অৰ্থে 'নিৰ্দেশনা আৰু পৰামৰ্শ' সেৱা ব্যৱস্থা কৰি এটা শক্তিশালী পদক্ষেপ ল'ব লাগিব। কাৰিকৰী শিক্ষাৰ ঔপচাৰিক আৰু অনৌপচাৰিক আঁচনি তথা কাৰ্যসূচী হাতত ল'ব লাগিব এই কাযসূচীৰ সহায়ত মহিলা সমাজৰ অৰ্থনৈতিক আৰু সামাজিকভাৱে দুৰ্বল অংশৰ লগতে শাৰীৰিকভাৱে অক্ষম সকলো যাতে উপকৃত হয় তালৈ লক্ষ্য ৰাখিব লাগিব। বৃত্তিমুখী শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব। ইয়াৰ বিকাশৰ বাবে গৰিষ্ঠ সংখ্যক শিক্ষক আৰু যোগানধাৰৰ প্ৰয়োজন হ'ব। শৈক্ষিক প্ৰযুক্তিবিদ্যা পাঠ্যক্ৰমৰ বিকাশৰ আঁচনি আৰম্ভ কৰি চাহিদা পূৰণৰ ব্যৱস্থা কৰিব লাগিব। ইয়াৰ উপৰিও 'আত্মনিয়োগ' হোৱা

DAILY ASSAM



ব্যৱস্থাটোক উদগণি দি শিক্ষাৰ্থীক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগিব। গ্ৰামাঞ্চলত 'পলিটেকনিক' কিছুমান খুলি দুৰ্বল শ্ৰেণীৰ লোকক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগিব।

**নতুনত্ব, গৱেষণা আৰু বিকাশ (Innovation, Research and Devolopment) :**

গৱেষণা হ'ল নৱৰূপ দান আৰু শৈক্ষিক প্ৰক্ৰিয়াসমূহৰ নৱীকৰণ ব্যৱস্থা। ইয়াক সকলো উচ্চ কাৰিকৰী শিক্ষাৰ অনুষ্ঠানে হাতত লোৱা প্ৰয়োজন। বিকাশৰ বাবে হোৱা গৱেষণাই বৰ্তমান প্ৰযুক্তিবিদ্যাৰ বিকাশ, উৎপাদন বৃদ্ধি আৰু থলুৱা বিকাশত সহায় কৰিব।

**(৭) সকলোপৰ্যায়ত দক্ষতাৰ উন্নীতকৰণ আৰু ফলপ্ৰসুতা (Promoting Efficiency and effectiveness at all levels) :** কাৰিকৰী শিক্ষা আৰু ব্যৱস্থাপনা শিক্ষা সম্প্ৰসাৰিত কৰিবলৈ হলে কেইটামান গুৰুত্বপূৰ্ণ পদক্ষেপ হাতত লোৱা প্ৰয়োজন। তেতিয়াহে ই অধিক ফলপ্ৰসু হব। পদক্ষেপবোৰ হ'ল—

১। আধুনিকতাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিব লাগিব আৰু পুৰণি ধাৰণাক আঁতৰাব লাগিব। কৰ্ম দক্ষতা বঢ়াবৰ বাবে আধুনিকতাক প্ৰয়োগ কৰা হব।

২। সমাজ আৰু উদ্যোগসমূহৰ সেৱা আগবঢ়োৱাৰ বাবে অনুষ্ঠানসমূহক উদগনি যোগোৱা হব যাতে সম্পদসমূহ ব্যৱহাৰ কৰি দক্ষতা প্ৰকাশ কৰিব পাৰে। তেওঁলোকক কম্পিউটাৰ, পুথিঁভড়াল, শিক্ষণসম্পদ আদিৰ দৰে আহিলাৰ সুবিধা দিয়া হব।

৩। মহিলাসকলৰ বাবে আবাসিক সুবিধা দিয়া হব খেলা-ধূলা, সৃষ্টিশীল কৰ্ম আৰু সাংস্কৃতিক কাৰ্যসূচীৰ সম্প্ৰসাৰণ কৰা হব।

৪। কৰ্মচাৰী নিয়োগৰ ক্ষেত্ৰত অধিকভাৱে ফলপ্ৰসূ পদ্ধতি হাতত লোৱা হব। চাকৰিৰ অৱস্থা, নীতি নিয়ম আৰু সুবিধাজনক দিশসমূহৰ উন্নয়নত গুৰুত্ব দিয়া হব।

৫। শিক্ষকসকলে বহুবিকল্প ভূমিকা পালন কৰিব লাগিব। যেনে— শিক্ষণ, গৱেষণা, সম্পদসমূহ আৰু আচবাব, সম্প্ৰসাৰণ আৰু অনুষ্ঠান পৰিচালনা ইত্যাদি। নিয়োগৰ মাজৰ প্ৰশিক্ষণৰ লগতে আন আন প্ৰশিক্ষণৰ ব্যৱস্থাও কৰা হব।

৬। কাৰিকৰী আৰু ব্যৱস্থাপনা শিক্ষাৰ কাৰ্যসূচী সময়োপযোগী হোৱাৰ বাবে লক্ষ্য ৰখা হব। উদ্যোগসমূহৰ প্ৰয়োজনীয় পৰিকল্পনা কৰি প্ৰয়োগ ব্যৱস্থাৰ ওপৰত গুৰুত্ব দিয়া হব। কাৰিকৰী অথবা ব্যৱস্থাপনা শিক্ষাৰ অনুষ্ঠান উদ্যোগমূহৰ মাজত পৰস্পৰ বিনিময়ৰভাৱ গঢ়িতুলিব লাগিব। ব্যক্তি বিনিময় প্ৰশিক্ষণৰ সুবিধা আৰু সম্পদসমূহ, গৱেষণা আৰু সমালোচনা আৰু আন আন ক্ষেত্ৰৰ পাৰস্পৰিক আগ্ৰহৰ উন্নীতকৰণ কৰিব লাগিব

৭। যিবিলাক অনুষ্ঠান আৰু ব্যক্তিয়ে উপযুক্ত তথা সুন্দৰভাৱে কাৰ্যসমূহ সম্পাদন কৰে সেইবোৰক স্বীকৃতি দান কৰা আৰু পুৰস্কৃত কৰা হব। নিম্ন মানদণ্ডৰ অনুষ্ঠানসমূহক চকু দিয়া হ'ব।

**(৮) বিষয়সূচী আৰু শিক্ষাপ্ৰক্ৰিয়াৰ পুনৰীক্ষণ (Reorienting the Content and process of Education) :** **সাংস্কৃতিক দৃষ্টিপাত** (The Cultural Perspective) :অগতানুগতিক শিক্ষা ব্যৱস্থা আৰু ৰাষ্ট্ৰৰ ভিন্ন সংস্কৃতিক পৰম্পৰাসমূহৰ মাজত সংযোগ স্থাপন হোৱা প্ৰয়োজন। আধুনিক প্ৰযুক্তি বিদ্যাই আমাৰ নতুন গোষ্ঠীক ভাৰতীয় ইতিহাস আৰু সাংস্কৃতিক ধাৰণাৰ পৰা পৃথক কৰিব নোৱাৰে। আমি আমাৰ অপধাৰণাবোৰ আঁতৰাব

DAILY ASSAM



লাগিব। বিষয়সূচী আৰু পাঠ্যক্ৰম সাংস্কৃতিক দিশৰ সৈতে সম্বন্ধ থকা হব লাগিব। শিশুসকলক সৌন্দৰ্য, সমন্বয় আৰু পৰিবৰ্তনৰ অনুভূতিৰ দ্বাৰা বিকশিত হব পৰাকৈ সমৰ্থবান কৰি তুলিব লাগিব। সমাজৰ সম্পদসূলভ ব্যক্তিসকলক আমন্ত্ৰণ কৰি সংস্কৃতিসম্পন্ন শিক্ষাৰ বাবে অৰদান আগবঢ়োৱাত মনোযোগ দিব লাগিব। বিশ্ববিদ্যালয় আৰু উচ্চ শিক্ষাৰ আন আন অনুষ্ঠানৰ মাজত সু-সম্বন্ধ স্থাপন হব লাগিব। বিশেষকৈ প্ৰত্নতত্ত্ব আৰু প্ৰাচ্য অধ্যয়নৰ অনুষ্ঠানসমূহ সামৰি লোৱা হব। ইয়াৰ উপৰিও প্ৰয়োজনীয় মনোযোগ দিয়া হব সুকুমাৰ কলা, সংগীত, লোক সংস্কৃতি আদিৰ দৰে বিষয়ৰ অধ্যয়নৰ ওপৰত। এই বিষয়বোৰৰ শিক্ষাদান, প্ৰশিক্ষণ আৰু গৱেষণা আদি শক্তিশালী কৰা হব।

**(৯) মুল্যবোধ শিক্ষা (Value Education) :** সমাজত ক্ৰমশঃ মানবীয় মূল্যবোধৰ স্খলন হোৱা পৰিলক্ষিত হৈছে আৰু জনমানসত আস্থাহীনতাৰ মনোভাৱ গঢ়ি উঠা দেখা গৈছে। উপযুক্ত ভাৱে পুনৰ বিন্যাস কৰি প্ৰস্তুত কৰা এখন পাঠ্যক্ৰমৰ সহায়ত শিক্ষাৰ্থীসকৰ নৈতিক সামাজিক প্ৰমূল্যসমূহৰ বিকাশ সাধন কৰিব লাগিব। শিক্ষা ব্যৱস্থাৰ মাধ্যমেৰে শিক্ষাৰ্থীসকলৰ মনত ঐক্য সংহতি আৰু সাৰ্বজনীন তথা শাশ্বত মূল্যবোধৰ বিকাশ সাধন কৰিব লাগিব। এনেধৰণৰ মূল্যবোধৰ শিক্ষাই ধৰ্মান্ধতা হিংসা, কু-সংস্কাৰ, অন্ধবিশ্বাস আদি নিৰ্মূল কৰাত সহায় কৰিব লাগিব। শিক্ষাৰ্থীসকলৰ ব্যক্তিত্বত সততা, সত্যনিষ্ঠা, সৎসাহস, আত্মবিশ্বাস, সহনশীলতা, দয়া, ক্ষমা, ন্যায়বিচাৰ আদি সাৰ্বজনীন প্ৰমূল্যৰ বিকাশ সাধন কৰিব পাৰে একমাত্ৰ শিক্ষাই। এইবোৰৰ বিকাশ সাধন হলেহে শিক্ষাৰ্থীসকল এখন সুস্থসমাজৰ প্ৰকৃত নাগৰিক ৰূপে গঢ় লৈ উঠিব।

**(১০) ভাষা সমূহ (Languages) :** ১৯৬৮ চনৰ শিক্ষানীতিয়ে ভাষাবিকাশৰ পৰীক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। ১৯৬৮ চনৰ শিক্ষানীতিৰ এই অংশটো প্ৰয়োগ কৰাৰ বৰ্ত্তমানে থল আছে। উদ্দেশ্যমূলকভাৱে এই নীতি প্ৰয়োগ কৰাৰ বাবে শক্তিশালী পদক্ষেপ লোৱা হব।

**শাৰিৰীক শিক্ষা (Physical Education) :** শিক্ষা আৰু খেল-ধেমালি সহজে যাতে পায় তাৰ প্ৰতি সজাগ হোৱা দৰকাৰ। বিদ্যালয় উন্নয়ন আঁচনিত খেলপথাৰ আচবাব, শাৰীৰিক শিক্ষাৰ শিক্ষাৰ শিক্ষক আৰু প্ৰশিক্ষক আদি অন্তৰ্ভুক্ত হৈছে। চহৰ অঞ্চলত মুক্ত স্থান খেল পথাৰৰ বাবে সংৰক্ষণ কৰা হব। প্ৰয়োজন হলে ইয়াৰ বাবে আইনৰ প্ৰণয়ন কৰা হব। খেল-ধেমালিৰ কাৰ্যসূচী আৰু খেলভিত্তিত অধ্যয়ন কৰিবলৈ হলে ক্ৰীড়াৰ অনুষ্ঠান স্থাপন কৰি ছাত্ৰাবাসৰ সুবিধা প্ৰদান কৰিব লাগিব। খেলসমূহৰ উন্নতি সাধনৰ ওপৰত গুৰুত্ব দিয়া হব। শৰীৰ আৰু মনৰ সু-সংগত বিকাশ কৰাৰ বাবে 'যোগাসন' শিক্ষাৰ ওপৰত বিশেষ মনোযোগ দিয়া হব। এই শিক্ষা যাতে সকলো শিক্ষাৰ্থীয়ে পায় তাৰ বাবে শিক্ষক সকলক প্ৰশিক্ষণ প্ৰাপ্ত কৰি বিদ্যালয়বোৰত প্ৰবৰ্তন কৰা হব।

**(১২) যুৱকসকলৰ ভূমিকা (Roie of Youth) :** শিক্ষানুষ্ঠানত আৰু আন আন ক্ষেত্ৰৰ মাধ্যমত যুৱকসকলে যাতে ৰাষ্ট্ৰীয় আৰু সামাজিক বিকাশত জড়িত হৈ পৰে তাৰ সুবিধা দিয়া হব। বৰ্তমান শিক্ষানুষ্ঠানসমূহত থকা যিকোনো এটা আঁচনি যুৱকসকলে অংশগ্ৰহণ কৰিব লাগিব। আঁচনিসমূহ হ'ল— 'ৰাষ্ট্ৰীয় সেৱা আঁচনি' (N.S.S.) আৰু জাতীয় শিক্ষাৰ্থী বাহিনী, (N.C.C.) । বাহিৰতো যুৱক সকলক সংস্কাৰ আৰু সম্প্ৰসাৰনৰ আঁচনিত অংশ গ্ৰহণ কৰা সুবিধা দিয়া হব। ৰাষ্ট্ৰীয় স্বেচ্ছাসেৱক

DAILY ASSAM



সেৱা আঁচনি (N.S.V.S.) শক্তিশালী কৰা হব।

**(১৩) মূল্যায়ণ প্ৰক্ৰিয়া আৰু পৰীক্ষা সংস্কাৰ** : শিক্ষণ আৰু শিক্ষাদান প্ৰক্ৰিয়াৰ মূল্যায়ন সম্পাদন কৰাটো এটা অবিচ্ছেদ্য অংগ স্বৰূপ। উচিত মূল্যায়ন পদ্ধতিৰ বিকাশ সাধন আৰু প্ৰচলিত পৰীক্ষা ব্যৱস্থাৰ সংস্কাৰ সাধন কৰাৰ ব্যৱস্থা কৰা হব। তেতিয়াহে শিক্ষাৰ গুণগত বিকাশ সম্ভৱ হব। শিক্ষাৰ্থীসকলে নিজে নিজৰ পাৰদৰ্শিতাৰ অগ্ৰগতি নিৰূপণ কৰিব পৰা ক্ষমতাৰ বিকাশ সাধন কৰাৰ ব্যৱস্থা থাকিব লাগে।

মূল্যায়ন প্ৰক্ৰিয়াৰ উন্নতিসাধন আৰু পৰীক্ষা সংস্কাৰ কৰিবলৈ হলে কেইটিমান কথাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব। মুখস্থ পদ্ধতিৰ ওপৰত গুৰুত্ব কমাব লাগিব। অবিৰত আৰু সহজ মূল্যায়ণ শিক্ষাৰ পাণ্ডিত্যপূৰ্ণ দিশত প্ৰয়োগ কৰাৰ লগতে শিক্ষক-শিক্ষাৰ্থী আৰু অভিভাৱকে মূল্যায়ণ প্ৰক্ৰিয়াৰ ফলপ্ৰসু ব্যৱহাৰ হোৱাৰ ওপৰত গুৰুত্ব দিব লাগিব। পৰীক্ষাৰ নিয়ন্ত্ৰণ ব্যৱস্থাৰ বিকাশ সাধন কৰিব লাগিব। শৈক্ষিক মূল্যায়ন পদ্ধতিৰ পৰিবৰ্তন সাধন কৰিব লাগিব. মাধ্যমিক পৰ্যায়ৰ পৰা 'চেমিষ্টাৰ' পদ্ধতিৰ প্ৰয়োগ কৰিব লাগিব আৰু নম্বৰৰ ঠাইত ক্ৰমৰ (Grade) ব্যৱহাৰ কৰিব পৰা যাব।

শিক্ষানুষ্ঠান সমূহৰ ভিতৰত বহিঃ পৰীক্ষা আৰু মূল্যায়ণ পদ্ধতিৰ বাবে ওপৰত উল্লেখ কৰা দিশবোৰৰ সহায়ত প্ৰয়োজনীয় বহিঃ পৰীক্ষাৰ গুৰুত্ব কমাই আনুষ্ঠানিক পৰ্যায়ৰ মূল্যায়নৰ ওপৰত গুৰুত্ব আৰোপ কৰা দৰকাৰ।

**(১৪) শিক্ষক (Teacher)** : শিক্ষকৰ পদমৰ্যাদায় এখন সংস্কৃতি সম্পন্ন সমাজত উপযুক্তভাৱে প্ৰতিফলন ঘটায়। এইটো দেখা যায় যে কোনো ব্যক্তিয়ে শিক্ষকৰ ওপৰত যাব নোৱাৰে। ৰাষ্ট্ৰীয় শিক্ষানীতিত শিক্ষকসকলৰ মৰ্য্যদা উন্নত কৰাৰ অৰ্থে আৰু লগতে শিক্ষকৰ বৃত্তিগত দায়বদ্ধতাৰ প্ৰতি সচেতন কৰাৰ বাবে বিভিন্ন ধৰণৰ পদক্ষেপ হাতত লোৱা হৈছে। তাৰ ভিতৰত শিক্ষক বাচনি প্ৰক্ৰিয়াৰ সংস্কাৰ সাধন, শিক্ষকক সংস্থান, কৰ্মপদ্ধতি আৰু সেৱা ব্যৱস্থাৰ উন্নয়ন, শিক্ষক সমাজৰ অসুবিধাসমূহ দূৰীকৰণৰ বাবে উপযুক্ত আৰু কাৰিকৰী প্ৰশাসনীয় ব্যৱস্থা গ্ৰহণ, শিক্ষাক সমাজৰ অসুবিধাসমূহ দূৰীকৰণৰ বাবে উপযুক্ত আৰু কাৰিকৰী প্ৰশাসনীয় ব্যৱস্থা গ্ৰহণ, শিক্ষা ব্যৱস্থাৰ পৰিকল্পনা আৰু ব্যৱস্থাকৰণৰ ক্ষেত্ৰত শিক্ষকসকলক জড়িতকৰণ, শিক্ষকসকলৰ বৃত্তিগত আচৰণবিধি প্ৰস্তুতকৰণ আৰু গৃহীত বিধিসমূহ পালন কৰি কৰ্তব্য কৰাৰ ব্যৱস্থা গ্ৰহণ, শিক্ষকসকলৰ শৈক্ষিক ক্ৰিয়া কলাপত আৱশ্যকীয় স্বাধীনতা প্ৰদান কৰি উদ্ভাৱনৰ সুবিধা দিয়াৰ পৰিবেশ সৃষ্টি কৰা আদিয়েই প্ৰধান।

শিক্ষকৰ সংস্থাসমূহে বৃত্তিগত সংহতি উন্নতি সাধনৰ অৰ্থে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব আৰু শিক্ষকৰ মৰ্যদা বৃদ্ধি কৰি বৃত্তিগত অপকৰ্মসমূহ যাতে সংযত হয় তাৰ প্ৰতি চকু ৰাখিব লাগিব। ৰাষ্ট্ৰীয় পৰ্যায়ৰ শিক্ষক সংস্থাসমূহে বৃত্তিগতনীতি প্ৰস্তুত কৰা উচিত আৰু সেই বিষয়ে পৰ্যবেক্ষণ কৰা দৰকাৰ। শিক্ষকৰ শিক্ষা এটা অবিৰত প্ৰক্ৰিয়া। শিক্ষকৰ শিক্ষাৰ ক্ষেত্ৰত প্ৰাকনিযুক্তিকালীন আৰু নিযুক্তিকালীন প্ৰশিক্ষণৰ বিষয়টো জুকিয়াই চাই উন্নত কৰাৰ ব্যৱস্থা কৰা হব। মাধ্যমিক বিদ্যালয়ৰ শিক্ষকসকলৰ মানদণ্ড উন্নত কৰাৰ বাবে প্ৰশিক্ষণ মহাবিদ্যালয়সমূহৰ উন্নতি সাধন কৰা হব। ৰাষ্ট্ৰীয় শিক্ষক শিক্ষণ পৰিষদক (N.C.T.E.) এই স্তৰৰ শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহক প্ৰশিক্ষণৰ পাঠ্যক্ৰম আৰু শিক্ষণ পদ্ধতি সম্পৰ্কত প্ৰয়োজনীয় পৰামৰ্শ আগবঢ়োৱাৰ বাবে দায়িত্ব অৰ্পণ কৰা হব। বিশ্ববিদ্যালয় শিক্ষা বিভাগৰ লগত শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠান সমূহৰ পাৰস্পৰিক সম্বন্ধ স্থাপন কৰি তুলিব লাগিব।

(১৫) **শিক্ষাৰ পৰিচালনা (The Management of Education) :** মানৱ সম্পদৰ বিকাশ আৰু ৰাষ্ট্ৰৰ বিকাশৰ প্ৰয়োজনীয়তাত শিক্ষা প্ৰক্ৰিয়াটোৰ সুস্থ আৰু দক্ষ পৰিচালনা অতি গুৰুত্বপূৰ্ণ। এই ক্ষেত্ৰত কেইটিমান দিশ বিশেষভাৱে উল্লেখযোগ্য. সেইবোৰ হ'ল —

(ক) মানৱ শক্তিৰ প্ৰয়োজন অনুসাৰে বিকশিত কৰিবলৈ দীৰ্ঘকালীন পৰিকল্পনা আৰু পৰিচালনৰ আঁচনি হাতত লব লাগে।

(খ) শিক্ষানুষ্ঠানবিলাকৰ ক্ষেত্ৰত স্বায়ত্ব শাসনৰ বৰস্থাৰ সৃষ্টি কৰি ক্ষমতাৰ বিকেন্দ্ৰীকৰণ কৰিব লাগে।

(গ) বেচৰকাৰী প্ৰতিষ্ঠান, স্বেচ্ছাসেৱী সংস্থানসমূহক কেন্দ্ৰ কৰি বিভিন্ন গোষ্ঠীৰ ব্যক্তিক জড়িত কৰাৰ ব্যৱস্থা কৰি লাগে।

(ঘ) শিক্ষা পৰিচালনা আৰু পৰিকল্পনা ব্যৱস্থাত অধিকসংখ্যক মহিলা নিয়োগ কৰিব লাগে।

(ঙ) উদ্দেশ্য আৰু নীতিসমূহক কেন্দ্ৰ কৰি মূল্যায়নৰ ব্যৱস্থা কৰিব লাগে।

**ৰাষ্ট্ৰীয় পৰ্যায়ত (Natonal Level) :** ৰাষ্ট্ৰীয় পৰ্যায়ত কেন্দ্ৰীয় শিক্ষা উপদেষ্টা পৰিষদে (C.A.B.E.) এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। শিক্ষাৰ প্ৰয়োগ, উন্নতিকৰণৰ পুনৰ বিবেচনা, প্ৰয়োজনীয় পৰিৱৰ্তন সাধন আদি এই পৰিষদে কৰিব। মানৱ সম্পদৰ বিকাশৰ বিভিন্ন ক্ষেত্ৰত উপযুক্ত সমিতিসমূহৰ সহযোগত এই পৰিষদে কাম কৰি যাব। বৃত্তিধাৰীসকলক জড়িত কৰি কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ শিক্ষাবিভাগক শক্তিশালী কৰি তোলা হ'ব।

**ভাৰতীয় শিক্ষা সেৱা (Indian Education Service) :** সদৌ ভাৰত সেৱা আঁচনিৰ ভিত্তিত ভাৰতীয় শিক্ষা সেৱা স্থাপন কৰিব। এই গুৰুত্বপূৰ্ণ দিশটোত এই সেৱাই ৰাষ্ট্ৰীয় ধাৰৰ সৃষ্টি কৰিব। ৰাজ্যিক চৰকাৰমূহৰ লগত আলোচনা কৰি এই সেৱাত নিয়োগৰ বাবে মূলনীতি, কাম আৰু প্ৰক্ৰিয়া নিৰ্ণয় কৰা হ'ব।

**ৰাজ্যিক পৰ্যায় (State Level) :** ৰাজ্যিক চৰকাৰসমূহে কেন্দ্ৰীয় শিক্ষা উপদেষ্টা পৰিষদৰ আৰ্হিত 'ৰাজ্যিক শিক্ষা উপদেষ্টা পৰিষদ' (S.A.B.E.) গঠন কৰিব। মানৱ সম্পদৰ বিকাশৰ লগত সংগতি ৰাখি এই পৰিষদে ফলপ্ৰসু পদক্ষেপ হাতত লব। শৈক্ষিক পৰিকল্পনাকাৰী, প্ৰশাসক আৰু শিক্ষানুষ্ঠানৰ মুৰব্বীসকলক প্ৰশিক্ষণ দিয়াৰ বাবে বিশেষ মনোযোগ দিয়া হ'ব।

**জিলা আৰু স্থানীয় পৰ্য্যায়ত (District and Local Level) :** উচ্চতৰ মাধ্যমিক পৰ্য্যায়লৈ শিক্ষা পৰিচালনা কৰিবলৈ 'জিলা শিক্ষা পৰিষদ' (D.B.E.) সৃষ্টি কৰা হ'ব। এই ক্ষেত্ৰত ৰাজ্যিক চৰকাৰে মনোযোগ দিব। শিক্ষা বিকাশৰ ভিত্তিত পৰ্যায়ৰ গাঁঠনি প্ৰস্তুত কৰাৰ বাবে কেন্দ্ৰীয়, ৰাজ্যিক, জিলা আৰু থলুৱা পৰ্যায়ৰ সংস্থা সমূহে পৰিকল্পনা, মূল্যায়ন আৰু সহযোগিতাৰ ক্ষেত্ৰত অংশ গ্ৰহণ কৰিব। শিক্ষানুষ্ঠানৰ মুৰব্বীসকলে বিশেষ ভূমিকা গ্ৰহণ কৰিব লাগিব। মুৰব্বীসকলক বিশেষভাৱে নিৰ্বাচন কৰি প্ৰশিক্ষণ দিব লাগিব। যৌগিক বিদ্যালয় প্ৰকল্প (Scool Complex) সমূহক উন্নীতকৰণ কৰিব লাগিব। সময়ত যৌগিক বিদ্যালয় গোটসমূহে পৰিদৰ্শনৰ দায়িত্ব লব লাগিব। বিদ্যালয়সমূহৰ বিকাশ সাধন কাৰ্যসূচীৰ ক্ষেত্ৰত স্থানীয় সমাজে নিৰ্দিষ্ট সমিতিৰ মাধ্যমেৰে প্ৰধান ভূমিকা গ্ৰহণ কৰিব।

বেচৰকাৰী আৰু স্বেচ্ছাসেৱী প্ৰচেষ্টাক উৎসাহিত কৰা হ'ব যাতে অৰ্থনৈতিক সাহাৰ্য্য আৰু উপযুক্ত পৰিচালনা পায়। শিক্ষাক ব্যৱসায়িক কৰাৰ প্ৰচেষ্টাৰে স্থাপন কৰা শিক্ষানুষ্ঠানসমূহক ৰোধ কৰাৰ বাবে পদক্ষেপ লোৱা হ'ব।

## সামৰণি (Conclusion)

আমি ৰাষ্ট্ৰীয় শিক্ষানীতিৰ সকলো দিশৰ বিষয়ে আলোচনা কৰি দেখিবলৈ পালোঁ যে শিক্ষাৰ সকলো প্ৰচেষ্টা আৰু ক্ৰিয়া-কলাপত স্থানীয় ৰাইজ আৰু সংস্থাসমূহক জড়িত কৰাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে। বিদ্যালয়ৰ শৈক্ষিক কাৰ্যক্ৰমক শিক্ষাৰ্থীৰ অভিভাৱকসকলে তথা স্থানীয় ৰাইজ আৰু স্বেচ্ছাসেৱীৰ অনুষ্ঠানসমূহক জড়িত কৰিলে বিদ্যালয় আৰু সমাজৰ মাজৰ সম্বন্ধ সুস্থ হব। এনেধৰণৰ সহযোগিতামূলক সম্বন্ধই বিদ্যালয়ত উপস্থিতি বৃদ্ধি আৰু অপচয় ৰোধ কৰা কাৰ্যত সহায়ক হব। ৰাষ্ট্ৰীয় শিক্ষানীতিত শিক্ষাৰ ভূমিকা আৰু প্ৰয়োজনীয়তা ৰাষ্ট্ৰীয় শিক্ষাপদ্ধতি, সমতাৰ বাবে শিক্ষা, শিক্ষানুষ্ঠান সমূহৰ পুনৰগঠন, কাৰিকৰী, বিষয়সূচী আৰু শিক্ষাপ্ৰক্ৰিয়াৰ পুনৰীক্ষণ, শিক্ষকৰ শিক্ষা, শিক্ষাৰ পৰিচালনা, সম্পদসমূহ আৰু পুনৰ বিবেচনাৰ বিষয়ে বিশেষভাৱে উল্লেখ কৰিছে। এই সকলোবোৰৰ সফল প্ৰয়োগ হলেহে শিক্ষাৰ সহায়ত ৰাষ্ট্ৰৰ বিকাশ সম্ভৱ হৈ পৰিব। ৰাষ্ট্ৰীয় শিক্ষানীতিক বাস্তৱ ৰূপ দিয়াৰ বাবে এখন 'টাস্ক ফৰ্চ' গঠন কৰা হয়। টাস্কফৰ্চে এই মৰ্মে 'কৰ্ম আঁচনিৰ সহায়ত অপৰেচন ব্লেকবোৰ্ড, উমৈহতীয়া শিক্ষা গাঁঠনি, বিস্তৃত শিক্ষক আঁচনি, নৱোদয় বিদ্যালয়, অনানুষ্ঠানিক শিক্ষাৰ নতুন দিশ, উচ্চশিক্ষা, গৱেষনা, স্বায়ত্বশাসিত মহাবিদ্যালয়,কাৰিকৰী শিক্ষা, মূল্যবোধ শিক্ষা আদি দিশত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিছে।

ৰাষ্ট্ৰীয় শিক্ষানীতিক ভাৰতবৰ্ষৰ বিভিন্ন দিশত সমালোচনা কৰা দেখা যায়। এই শিক্ষানীতি সমালোচনা মুক্ত নহয়। বিশেষকৈ নৱোদয় বিদ্যালয়ক অধিকভাৱে সমালোচনা কৰা দেখা যায়। বহু শিক্ষাবিদে এই শিক্ষানীতিক কোঠাৰী আয়োগৰ (১৯৬৪-৬৬) প্ৰভাৱ সমন্বিত শিক্ষা ব্যৱস্থা বুলি অভিহিত কৰিছে। আমি সদৌশেষত কব পাৰোঁ যে এই শিক্ষা সমালোচনাৰ সন্মুখীন হলেওঁ ইয়াৰ সফল প্ৰয়োগ হলে ভৱিষ্যতে ভাৰতবৰ্ষই শিক্ষাৰ ক্ষেত্ৰত বিকাশ লাভ কৰিব।

### মনত ৰাখিবলগীয়া - ৩

১। ভাৰত চৰকাৰে ১৯৮৬ চনত নতুন শিক্ষানীতি প্ৰৱৰ্তন কৰে।

২। ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ মাধ্যমত শিক্ষাৰ সকলো দিশতে নতুনত্বৰ ধাৰণা প্ৰৱৰ্তন কৰিবলৈ বিচৰা হয়।

৩। ৰাষ্ট্ৰীয় বিকাশত শিক্ষাৰ ভূমিকা হ'ল মূল চাবিকাঠি, সেয়েহে সকলো দিশৰ উন্নতি সাধন হোৱাৰ ক্ষেত্ৰত প্ৰয়োজনীয় দিশবোৰ শিক্ষানীতিত সামৰি লোৱা হৈছে।

৪। শিক্ষানীতিয়ে মাধ্যমিক স্তৰত বৃত্তিমূলক শিক্ষাৰ সম্প্ৰসাৰণত গুৰুত্ব দিয়াৰ কথা কৈছিল।

৫। ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে 'অপাৰেচন ব্লেকব'ৰ্ড' আৰু গ্ৰাম্যাঞ্চলৰ বিকাশৰ অৰ্থে 'নবোদয় বিদ্যালয়' স্থাপন কৰাত প্ৰাধান্যতা দিছিল।

**শিক্ষাৰ্থীৰ কাম ঃ ৩**

১। নতুন শিক্ষানীতিটো সংসদত কিমান চনত অনুমোদিত হয়?
২। নতুন শিক্ষানীতিত 'সমতাৰ বাবে শিক্ষা'ত কি কথা দোহাৰিছে।
৩। আগতীয়া বাল্যকালৰ যতন আৰু শিক্ষা মানে কি বুজা?
৪। ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে সামৰি লোৱা মূল দিশবোৰৰ বিষয়ে চমুকৈ লিখা।
৫। ১৯৮৬ চনৰ নতুন শিক্ষানীতিত কি কি দিশক সামৰি লৈছে।
৬। 'অপাৰেচন ব্লেকবোৰ্ড' কি?
৭। নবোদয় বিদ্যালয় বৈশিষ্ট্যসমূহ উল্লেখ কৰা।

### ১ (ছ) ঃ স্বাধীনতাৰ পিচত অসমত মাধ্যমিক শিক্ষাৰ বিকাশ (Development of Secondary Education in Assam after Independence)

স্বাধীনতা লাভৰ পিচৰ কাল ছোৱাত অসমৰ মাধ্যমিক শিক্ষা আধুনিকৰণ কৰি তুলিবৰ বাবে কিছুমান গুৰুত্বপূৰ্ণ ব্যৱস্থা গ্ৰহণ কৰা হয়। ইয়াৰ বাবে শিক্ষাৰ গুণগত মানদণ্ড উন্নত কৰি তোলা হয় আৰু শিক্ষা প্ৰশাসন ব্যৱস্থাৰো আমূল পৰিবৰ্তন সাধন কৰা হয়। প্ৰয়োজনীয় আইন প্ৰণয়ন কৰি স্বায়ত্ব শাসিত শিক্ষা-কৰ্তৃপক্ষ গঢ় দি তোলা হয় আৰু তাৰ যোগেদি স্কুলৰ শিক্ষা অধিক নিয়ন্ত্ৰিত কৰা হয়। সৰ্বভাৰতী ভিত্তিত গঠন কৰা মুডালিয়াৰ আয়োগ, কোঠাৰী আয়োগ আৰু ৰাষ্ট্ৰীয় শিক্ষা নীতি আদিৰ পৰামৰ্শ আৰু সিদ্ধান্ত সমুহেও অসমৰ মাধ্যমিক শিক্ষাৰ বিকাশৰ গতি নিৰ্ধাৰন আৰু নিয়ন্ত্ৰণ কৰে।

স্বাধীনতা পাচত গোটেই ভাৰতবৰ্ষতে মাধ্যমিক স্কুলৰ সংখ্যা দ্ৰুতভাৱে বাঢ়ি আহিবলৈ ধৰে। অসমৰ ক্ষেত্ৰত কিন্তু ইয়াৰ ব্যতিক্ৰম দেখা গৈছিল। স্কুলৰ সংখ্যা বৃদ্ধিৰ গতি অসমৰ ক্ষেত্ৰত বৰ লেহেম আছিল। ১৯২৬ চনৰ পৰা অসমৰ মাধ্যমিক স্কুলবোৰৰ প্ৰশাসনৰ দায়িত্ব গ্ৰহণ কৰিছিল কলিকতা বিশ্ববিদ্যালয়ে আৰ প্ৰৱেশিকা পৰীক্ষাও চলাইছিল সেই একে বিশ্ববিদ্যালয়ে। ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হোৱাত অসমৰ মাধ্যমিক শিক্ষাৰ ভাৰ গ্ৰহণ কৰে গুৱাহাটী বিশ্ববিদ্যালয়ে। লগতে প্ৰবেশিকা পৰীক্ষাও চলাই এই বিশ্ববিদ্যালয়ে। ১৯৫২-৫৩ চনৰ মাধ্যমিক শিক্ষা আয়োগৰ অনুমোদন অনুসৰি ১৯৬২ চনত অসম মাধ্যমিক শিক্ষা বোৰ্ড স্থাপন কৰে। তেতিয়াৰ পৰা মাধ্যমিক শিক্ষা আয়োগৰ অনুমোদন অনুসৰি ১৯৬২ চনত অসম মাধ্যমিক শিক্ষা বোৰ্ড স্থাপন কৰে। তেতিয়াৰ পৰা মাধ্যমিক শিক্ষাৰ শৈক্ষিক প্ৰশাসনৰ ভাৰ বিশ্ববিদ্যালয়ৰ পৰিবৰ্তে এই বোৰ্ডৰ তললৈ আহে। এই বোৰ্ডৰ কাৰ্য্যালয় হ'ল গুৱাহাটীত। এই সময়ছোৱাত 'মুডালিয়াৰ আয়োগ' ৰ অনুমোদনক্ৰমে ৬৭ খন হাইস্কুল উচ্চতৰ মাধ্যমিক পৰ্যায়লৈ পৰিৱৰ্তিত হয়। তেতিয়াৰে পৰা মাধ্যমিক শিক্ষা পৰিষদে দুটা পৰীক্ষা চলায়। এটা হ'ল প্ৰৱেশিকা (Maticulation) যিটোক আজিকালি স্কুল শিক্ষান্ত পৰীক্ষা (School Leaving Certificate Examination) বুলি কোৱা হয় আৰু আনটো হ'ল

DAILY ASSAM



উচ্চতৰ মাধ্যমিক পৰীক্ষা। বৰ্তমান উচ্চতৰ মাধ্যমিক পাঠ্যক্ৰম আৰু পৰীক্ষা অসম উচ্চতৰ মাধ্যমিক শিক্ষা পৰিষদে চলায়।

এনেকৈ মাধ্যমিক শিক্ষা পুনৰ গঠন আঁচনি কাৰ্যকৰী কৰাৰ পাছত ক্ৰমে উচ্চতৰ মাধ্যমিক আৰু বহুমুখী স্কুলৰ সংখ্যা বৃদ্ধি হবলৈ ধৰে। ১৯৬৯-৭০ চনৰ হিচাব অনুসৰি অসমত উচ্চতৰ মাধ্যমিক আৰু বহুমুখী স্কুলৰ সংখ্যা হয়গৈ ৭০ খন আৰু হাইস্কুলৰ সংখ্যা প্ৰায় ১২০০ খন। অসমত মাধ্যমিক স্কুলৰ সংখ্যা ১৯৭৩ চনত ডেৰ হাজাৰৰ ওচৰ চাপিল। অৱশ্যে এই সকলোবোৰ স্বীকৃতি নহয়। ১৯৬৪-১৯৬৬ চনৰ কোঠাৰী আয়োগৰ প্ৰতিবেদন অনুসৰি ১৯৭৩ চনৰ পৰা অসমত মাধ্যমিক শিক্ষা বোৰ্ডে ১২ বছৰীয়া স্কুলীয়া শিক্ষাৰ প্ৰবৰ্তন কৰে আৰু দুবছৰীয়া উচ্চতমৰ মাধ্যমিক পাঠ্যক্ৰমো ইয়াৰ লগে লগে যুগুত কৰে। এই পাঠ্যক্ৰমে ১৯৭৩ চনৰ পৰা ৬৩ খন স্কুলত চলিছিল।

কোঠাৰী আয়োগৰ পৰামৰ্শৰ আধাৰতেই ১৯৮৪ চনত অসমতো 'উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ' অসম চৰকাৰে গঠন কৰে আৰু উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ (+ ২) পৰিচালনা, নিয়ন্ত্ৰণ আৰু প্ৰশাসনৰ দায়িত্ব সংসদৰ হাতলৈ আহে। ফলস্বৰূপে, তেতিয়াৰে পৰা পূৰ্বে গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ হাতত থকা উচ্চতৰ মাধ্যমিক শিক্ষাৰ (+ ২) পাঠ্যক্ৰম প্ৰস্তুতি, পাঠ্যপুথি প্ৰণয়ন, পৰীক্ষা আদিৰ সকলো দায়িত্ব সংসদৰ দায়িত্ব হৈ পৰে। স্কুলৰ বাহিৰেও কলেজসমূহত উচ্চতৰ মাধ্যমিক শ্ৰেণী দুটা সংলগ্ন হৈ আছে যদিও ইয়াৰ সকলো দায়িত্বভাৰ 'উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ'ৰ হাতত থাকে। চৰকাৰে পৰ্যায়ক্ৰমে উচ্চ মাধ্যমিক স্কুলসমূহক উচ্চতৰ মাধ্যমিক স্কুললৈ পৰিবৰ্তন কৰাৰ ব্যৱস্থা এতিয়ালৈকে অব্যাহত ৰাখিছে। তাৰোপৰি (+ ২) শ্ৰেণী দুটাৰ স্বীকৃতিৰে 'জুনিয়ৰ কলেজ' গঠন কৰাৰো চিন্তা অসম চৰকাৰে কৰিছিল। বৰ্তমান ই কাৰ্যকৰী হৈছে।

**অসম মাধ্যমিক শিক্ষা আইন - ১৯৬১ চন (Secondary Education Act of Assam - 1961)**

১৯৬১ চনৰ অসম চৰকাৰে 'মাধ্যমিক শিক্ষা বিল' প্ৰস্তুত কৰি বিধানসভাত উপস্থাপন কৰে। এই আইনখন সংসদত গৃহীত হয়। ১৯৬১ চনতে এই আইনখন বিধান সভাত গৃহীত হয় যদিও ইয়াক প্ৰণয়ন কৰাৰ ক্ষেত্ৰত গৱৰ্ণৰে ১৯৬১চনতহে সন্মতি প্ৰদান কৰে। এই আইনৰ নিৰ্দেশ ক্ৰমে ১৯৬৬ চনত 'অসম মাধ্যমিক শিক্ষা বোৰ্ড' গঠন কৰা হয় আৰু তেতিয়াৰে পৰা অসমৰ সকলো মাধ্যমিক স্কুল ইয়াৰ নিয়ন্ত্ৰণলৈ অনা হয়। এই আইনৰ মূল প্ৰস্তাৱসমূহ তলত সংক্ষেপে উল্লেখ কৰা হ'ল—

১। এই আইন সমগ্ৰ অসমতে বলবৎ হ'ব।

২। অসম চৰকাৰৰ দ্বাৰা স্বীকৃত সকলোবোৰ মাধ্যমিক স্কুলক বিশ্ববিদ্যালয় অথবা আন কোনো বোৰ্ডে নিয়ন্ত্ৰণ কৰিব নোৱাৰিব।

৩। চৰকাৰে বিশেষ জাননীৰ জৰিয়তে মাধ্যমিক শিক্ষাৰ নিয়ন্ত্ৰণ, পৰিচালনা আৰু উন্নীতকৰণৰ অৰ্থে 'মাধ্যমিক শিক্ষা বোৰ্ড' নামেৰে এখন বোৰ্ড স্থাপন কৰিব।

৪। মাধ্যমিক শিক্ষা বোৰ্ডখন নিম্নোক্ত সদস্য সকলক লৈ গঠিত হ'ব।

(ক) শিক্ষাধিকৰ্তা-সভাপতি,

(খ) অতিৰিক্ত শিক্ষাধিকৰ্তা,

(গ) কৃষি বিভাগৰ সঞ্চালক,

(ঘ) কাৰিকৰী বিভাগৰ সঞ্চালক,

(ঙ) স্বাস্থ্য বিভাগৰ সঞ্চালক,

(চ) শিল্প বিভাগৰ সঞ্চালক,

(ছ) অসম কৃষি মহাবিদ্যালয়ৰ অধ্যক্ষ,

(জ) বোৰ্ডৰ অধীনলৈ অহা আন ৰাজ্য বা অঞ্চলৰ শিক্ষা বিভাগৰ সঞ্চালক,

(ঝ) গুৱাহাটী বিশ্ববিদ্যালয়ৰ কলা আৰু বিজ্ঞান বিভাগৰ কলাগুৰু দুগৰাকী,

(ঞ) স্ত্ৰী - শিক্ষাৰ তত্ত্বাৱধানত থকা সহকাৰী সঞ্চালক,

(ট) ওপৰত উল্লেখ কৰা সকলৰ বাহিৰেও নিম্নোক্ত সকল চৰকাৰে মনোনীত কৰা সদস্য হিচাপে বোৰ্ডখনত থাকিব।

(i) এজন স্কুল পৰিদৰ্শক, (ii) হাইস্কুল বা উচ্চ মাধ্যমিক স্কুলৰ দুজন প্ৰধান শিক্ষক, (iii) দুগৰাকী প্ৰধান শিক্ষয়িত্ৰী, (iv) হাই-মাদ্ৰাজাৰ এগৰাখী অধীক্ষক, (v) সাহায্যপ্ৰাপ্ত হাইস্কুল শিক্ষকৰ সন্মিলনে মনোনীত কৰা দুজন শিক্ষক, (vi) গুৱাহীটী বিশ্ববিদ্যালয়ে মনোনীত কৰা দুজন সদস্য, (vii) শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ এগৰাকী অধ্যক্ষ, (viii) প'লিটেক্‌নিকৰ এগৰাকী অধ্যক্ষ, (ix) প্ৰয়োজন সাপেক্ষে দুজন শিক্ষাবিদকো মনোনীত কৰিব পাৰে।

৫। এই বোৰ্ডৰ সচিবগৰাকী চৰকাৰে নিয়োগ কৰিব আৰু তেওঁ কমিটিৰ সদস্য হ'ব।

**বোৰ্ডৰ ক্ষমতা আৰু কাৰ্য্যসমূহ ঃ** বোৰ্ডৰ ক্ষমতা আৰু কাৰ্য্য তলত দিয়া ধৰণৰ হ'ব

১। বোৰ্ডে মাধ্যমিক আৰু উচ্চ মাধ্যমিক শিক্ষাৰ বাবে পাঠ্যক্ৰম প্ৰস্তুত কৰিব।

২। সেই পাঠ্যক্ৰমৰ আধাৰত পৰীক্ষাসমূহ পৰিচালনা কৰিব।

৩। নিয়ম অনুসৰি যি পৰীক্ষাৰ্থীয়ে পাঠ্যক্ৰম শেষ কৰিছে তেওঁক পৰীক্ষা দিবলৈ অনুমতি দান কৰিব আৰু নিয়ম ভংগ কৰিলে বিধান অনুযায়ী দোষীক শাস্তি প্ৰদানৰ ব্যৱস্থা কৰিব।

৪। পৰীক্ষাৰ ফলাফল ঘোষণা কৰিব।

৫। কৃতকাৰ্য হোৱা পৰীক্ষাৰ্থীক প্ৰমাণ পত্ৰ প্ৰদান কৰিব।

৬। নামভৰ্তি তথা পৰীক্ষা বিষয়ক নীতি-নিয়ম স্থিৰ কৰিব আৰু মাচুল আদিৰ পৰিমাণ নিৰ্ধাৰণ কৰি স্কুলৰ পৰা লব।

৭। জলপানী আৰু পুৰস্কাৰৰ ব্যৱস্থা তথা বিতৰণ বোৰ্ডে কৰিব।

৮। পাঠ্যপুথি আৰু আনুসঙ্গিক পুথি নিৰ্বাচন আৰু প্ৰস্তুত কৰা তথা প্ৰকাশৰ দায়িত্ব লব।

৯। মাধ্যমিক আৰু উচ্চ মাধ্যমিক স্কুলক স্বীকৃতি দিয়াৰ নীতি-নিয়ম প্ৰস্তুত কৰা, স্বীকৃতি প্ৰদান কৰা আৰু প্ৰয়োজন সাপেক্ষে স্বীকৃতি উঠাই লোৱা আদিৰ দায়িত্ব লব।

১০। বোৰ্ডৰ দ্বাৰা প্ৰস্তুত কৰা নীতি-নিয়ম কোনো স্কুলে উলংঘা কৰিলে সেই স্কুলৰ কাৰণে শাস্তিমূলক ব্যৱস্থা লব।

১১। মাধ্যমিক শিক্ষাৰ সমস্যাসমূহ পৰীক্ষা কৰা তথা অধ্যয়ন কৰাৰ ব্যৱস্থা কৰা।

১২। স্বীকৃতিপ্ৰাপ্ত সকলো মাধ্যমিক স্কুলৰ ছাত্ৰৰ শাৰীৰিক, সামাজিক আৰু তেওঁলোকৰ কাৰেণে অনুশাসন সম্বন্ধীয় নিয়মাৱলী প্ৰস্তুত কৰিব।

১৩। স্বীকৃতিপ্ৰাপ্ত স্কুলৰ সিক্ষক সকলৰ আৱশ্যকীয় অৰ্হতা নিৰ্ণয় কৰিব।

DAILY ASSAM



১৪। স্নাতক ডিগ্ৰী নোলোৱা শিক্ষকসকলৰ প্ৰশিক্ষণ অনুষ্ঠানৰ পাঠ্যক্ৰম প্ৰস্তুত কৰিব আৰু তেওঁলোকৰ পৰীক্ষা লব।

১৫। শিক্ষক প্ৰশিক্ষণ অনুষ্ঠানবোৰক স্বীকৃতি দিয়া বা স্বীকৃতি উঠাই লোৱা আদি কাৰ্য্য বোৰ্ডে কৰিব।

১৬। শিক্ষকসকলৰ আন্তঃসেৱা প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব আৰু চেমিনাৰ আদিৰ আয়োজন কৰিব।

১৭। চৰকাৰৰ পৰা প্ৰতিষ্ঠান আদিয়ে আগবঢ়োৱা আৰু কোনো ব্যক্তি বা অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে আগবঢ়োৱা দান বা সাহাৰ্য্য গ্ৰহণ কৰিব।

১৮। শিক্ষা বিভাগৰ সঞ্চালকৰ পৰা স্বীকৃতি বিচৰা হাইস্কুলসমূহৰ বা স্বীকৃতিপ্ৰাপ্ত স্কুলৰ অৱস্থা সম্বন্ধে দিবলগীয়া প্ৰতিবেদন বিচাৰিব।

১৯। মাধ্যমিক শিক্ষাৰ পুনৰ সংগঠন আৰু উন্নতিকৰণৰ ক্ষেত্ৰত নতুনবা আন্যান্য প্ৰয়োজনীয় দিশত চৰকাৰক পৰামৰ্শ দিব পাৰিব।

২০। বোৰ্ডৰ বাবে অফিচাৰ, কৰ্মচাৰী আদি নিযুক্তি দিয়া, লগতে তেওঁলোকৰ চাকৰিৰ চৰ্ত নিৰ্ধাৰণ কৰা।

২১। বোৰ্ডে নিযুক্তি দিয়া চাকৰিয়াল সকলৰ বাবে পেঞ্চন, উপাদান (Gratuity) আৰু প্ৰভিডেন্ট ফাণ্ড খোলাৰ ব্যৱস্থা কৰা।

২২। প্ৰয়োজন সাপেক্ষে নিজৰ কোনো ক্ষমতা কমিটিলৈ হস্তান্তৰ কৰা।

২৩। মাধ্যমিক স্কুলৰ পুঁজি সম্বন্ধীয় যাৱতীয় ব্যৱস্থাৰ দায়িত্ব লব।

চৰকাৰে মাধ্যমিক শিক্ষা বোৰ্ডৰ ওপৰত মাধ্যমিক শিক্ষাৰ প্ৰসাৰ, পৰিচালনা, নিয়ন্ত্ৰণ আৰু উন্নতি কৰাৰ সকলো দায়িত্ব দিছিল। অৱশ্যে শিক্ষাবিভাগে স্বীকৃতি দিয়া সকলো ধৰণৰ মাধ্যমিক স্কুলহে শিক্ষা বোৰ্ডে পৰিচালনা কৰিব। স্বীকৃতি নোপোৱা স্কুলে শিক্ষাবিভাগৰ পৰা কোনো ধৰণৰ আশা কৰিব নোৱাৰে। আনকি ছাত্ৰসকলেও কোনো ধৰণৰ জলপাণি নাপায়। শিক্ষাবিভাগৰ পৰা স্বীকৃতি নোপোৱা স্কুলে পৰীক্ষাৰ বাবে পৰীক্ষাৰ্থী পঠিয়াব নোৱাৰে। ইয়াৰোপৰি বোৰ্ডে দিয়া আন আন সুবিধাও অস্বীকৃত স্কুলে উপভোগ কৰিব নোৱাৰিব।

এখন মাধ্যমিক স্কুলে স্কুল বোৰ্ডৰ পৰা স্বীকৃতি পাবলৈ হলে, বোৰ্ডে বান্ধি দিয়া কিছুমান নিয়ম মানি চলিব লাগিব, অন্যথাই স্কুলে বোৰ্ডৰ পৰা স্বীকৃতি লাভ কৰিবলৈ সক্ষম নহয়। প্ৰয়োজন সাপেক্ষে স্বীকৃতি উঠাই লব পৰা ব্যৱস্থাও এই আইনত সন্নিবিষ্ট কৰিছে। যদি বোৰ্ডে বান্ধি দিয়া নিয়মবোৰ কোনো স্কুলে পালন কৰিবলৈ সক্ষম নহয় তেতিয়া হলে বোৰ্ডে স্কুলক দিয়া স্বীকৃতি পুনৰ উঠাই লব পাৰিব।

মাধ্যমিক শিক্ষা বোৰ্ড গঠন হোৱাৰ পিচত মাধ্যমিক স্কুলৰ পৰিচালনাৰ ভাৰ বোৰ্ডৰ হাতলৈ যায় আৰু তেতিয়াৰে পৰা দ্বৈত শাসনৰ ওৰ পৰে। আগতে মাধ্যমিক শিক্ষাৰ নিয়ন্ত্ৰণ, পৰিচালনা, পৰিদৰ্শন অনুদান দিয়া আদিৰ দায়িত্ব শিক্ষা বিভাগৰ হাতত আছিল আৰু পৰীক্ষা পৰিচালনাৰ ভাৰ আছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ হাতত। কিন্তু ১৯৬৬ চনত "অসম মাধ্যমিক শিক্ষা বোৰ্ড" স্থাপন হোৱাৰে পৰা এই বোৰ্ডে অসমৰ মাধ্যমিক শিক্ষাৰ মানদণ্ড উন্নত কৰিবলৈ লগতে স্কুলৰ অৱস্থা সমৃদ্ধ কৰিবলৈ বিভিন্ন দিশত নিয়মাৱলী প্ৰস্তুত কৰে। বহুতো স্কুলক অৰ্থ-সাহাৰ্য্যও দান কৰে। ১৯৭৩ চনত এই আইনৰ কিছু সংশোধনী কৰি এজন পূৰ্ণ পৰ্য্যায়ৰ চেয়াৰমেনক

নিযুক্তি দিবলৈ আৰু পাঠ্যক্ৰমৰ কিছু সাল-সলনি কৰিবলৈ সিদ্ধান্ত লোৱা হয়। ১৯৭৩-৭৪ চনৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ে প্ৰাক-বিশ্ববিদ্যালয় শ্ৰেণী এবছৰৰ পৰিবৰ্তে দুবছৰীয়া কৰিবলৈ সিদ্ধান্ত লয়। ১৯৭৩ চনৰ পৰা কোঠাৰী আয়োগৰ পৰামৰ্শৰ ভেঁটিত অসমত 'অসম মাধ্যমিক শিক্ষা বোৰ্ডে' ১২ বছৰীয়া স্কুলীয়া শিক্ষাৰ প্ৰবৰ্তন কৰে। আয়োগৰ পৰামৰ্শৰ আধাৰতেই ১৯৮৪ চনত অসমতো অসম চৰকাৰে 'অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ' গঠন কৰে আৰু উচ্চতৰ মাধ্যমিক পৰ্য্যায়ৰ পৰিচালনা, নিয়ন্ত্ৰণ আৰু প্ৰশাসনৰ দায়িত্ব মাধ্যমিক শিক্ষা বোৰ্ডৰ পৰিবৰ্তে উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ হাতলৈ যায়। ইয়াৰ লগে লগে পাঠ্যপুথি প্ৰণয়ন, পাঠ্যক্ৰম প্ৰস্তুতি, পৰীক্ষা আদিৰ সকলো দায়িত্বও এই সংসদৰ দায়িত্ব হৈ পৰে।

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিত ১০+২+৩ শিক্ষা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই শিক্ষানীতিৰ ভিত্তিত সংযোজিত বিভিন্ন পৰিবৰ্তনসমূহ অসমৰো মাধ্যমিক শিক্ষা ব্যৱস্থাত পৰিলক্ষিত হোৱা দেখা গৈছিল। ইয়াত গ্ৰহণ কৰা সিদ্ধান্ত অনুযায়ী অসমৰ প্ৰতিখন জিলাতে একোখন 'নৱোদয়' বিদ্যালয় স্থাপনৰ ব্যৱস্থা কৰা হয়। এই সিদ্ধান্ত অনুসৰি প্ৰথম অৱস্থাত ৭ খন নৱোদয় বিদ্যালয় স্থাপন কৰা হৈছিল। ইয়াৰ উপৰিও ৰাষ্ট্ৰীয় শিক্ষা-নীতিৰ আন এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত হৈছে মাধ্যমিক শিক্ষা বৃত্তিমুখী কৰি তোলা। ছাত্ৰ সকলৰ মাজত ক্ৰিয়া পটুতা বৃদ্ধি কৰি তোলা, শিক্ষা পৰিচালন ক্ষমতা আৰু স্বনিয়োজন ক্ষমতা লাভ কৰা আৰু তাৰ যোগেদি মধ্যম বৰ্গৰ জনশক্তি বৃদ্ধি কৰি তোলাটো এই বৃত্তিমুখী কৰণৰ মূল উদ্দেশ্য। ১৯৯৫ চনৰ ভিতৰত শতকৰা ২৫ ভাগ ছাত্ৰই এই বৃত্তিমুখী শিক্ষা গ্ৰহণ কৰাটো সম্ভৱ কৰি তোলটো আছিল ইয়াৰ লক্ষ্য। সেই সময়ত অসম চৰকাৰে উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ ৩৩ খন স্কুলত বৃত্তিমূলক শিক্ষা প্ৰণালীৰ ব্যৱস্থা হাতত লৈছিল। ইয়াৰ পিছৰ পৰ্যায়ত মুঠ ১৫০ খন উচ্চতৰ মাধ্যমিতক বিদ্যালয়ত এই বৃত্তিমুখী শিক্ষাৰ ব্যৱস্থা কৰা হৈছিল।

বৰ্তমান অসমত মাধ্যমিক শিক্ষাৰ সংখ্যাগত দিশত উৰ্ধমুখী ধাৰা পৰিলক্ষিত হ'লেও ইয়াৰ গুণগত দিশটো সন্তোষজনক নহয়।

### অসমত মাধ্যমিক শিক্ষাৰ সমস্যা (Problems of Secondery Education in Assm) :

বৰ্তমান আমাৰ ৰাজ্যত যদিও মাধ্যমিক শিক্ষাৰ কিছু বৃদ্ধি পৰিলক্ষিত হৈছে তথাপি মাধ্যমিক শিক্ষাৰ আশানুৰূপ সম্প্ৰসাৰণ আৰু উন্নতি হোৱা নাই। আজিও আমাৰ মাধ্যমিক শিক্ষা ব্যৱস্থা নানান সমস্যাৰে জৰ্জৰিত। তলত মাধ্যমিক শিক্ষাৰ প্ৰধান সমস্যাসমূহৰ কেইটামান গুৰুত্বপূৰ্ণ সমস্যা উল্লেখ কৰা হ'ল —

১। আমাৰ ৰাজ্যত মাধ্যমিক বিদ্যালয়সমূহ সমানে বিতৰণ হোৱা নাই। অৰ্থাৎ কিছুমান এলেকাত প্ৰয়োজনৰ তুলনাত স্কুলৰ সংখ্যা বাঢ়িছে যদিও আন কিছুমান এলেকাত প্ৰয়োজনীয় বিদ্যালয়ৰ অভাৱ।

২। অসমৰ মাধ্যমিক পৰ্যায়ৰ পাঠ্যক্ৰম দোষমুক্ত

DAILY ASSAM



নহয়। এই পাঠ্যক্ৰম একমূখী হোৱা বাবে আৰু কাৰ্যকৰী বিষয়ৰ অভাৱত শিক্ষাৰ্থীৰ জীৱনৰ লগত সম্পৰ্কীহীন। ইয়াৰ উপৰিও এই পাঠ্যক্ৰমত বুৰঞ্জী, ভুগোল আদিৰ দৰে গুৰুত্বপূৰ্ণ বিষয়ক অৱহেলা কৰা হৈছে। বৰ্তমান এই বিষয়সমূহ বাধ্যতামূলক কৰি তুলিবৰ বাবে জনমতো গঢ়ি উঠিছে।

৩। মাধ্যমিক পৰ্যায়ৰ পাঠ্যপুথি প্ৰস্তুত আৰু প্ৰকাশৰ দায়িত্ব মাধ্যমিক শিক্ষা পৰিষদে গ্ৰহণ কৰে যদিও এই গুৰু দায়িত্ব পালনত সদায় অনেক বিসংগতিয়ে দেখা দিছে। শিক্ষাবৰ্ষ আৰম্ভ হোৱাৰ লগে লগে পাঠ্যপুথি যোগান ধৰিব নোৱাৰা অৱস্থাই সদায় এক সমস্যাৰ সৃষ্টি কৰে।

৪। অসমৰ বহুতো মাধ্যমিক বিদ্যালয়ৰ বৈষয়িক দিশৰ দুৰৱস্থাই এই শিক্ষাৰ গুণগত মান নিম্নগামী কৰি তুলিছে। দুই এখন চৰকাৰী আৰু বেচৰকাৰী স্কুলৰ বাহিৰে অধিকাংশ বিদ্যালয়ৰ বৈষয়িক দূৰৱস্থাই প্ৰয়োজনীয় শিক্ষা পৰিৱেশ গঢ় দি তোলাত ব্যৰ্থ হৈছে।

৫। স্কুল পৰিদৰ্শনৰ অনুন্নত অৱস্থাত মাধ্যমিক শিক্ষাৰ এক গুৰুত্বপূৰ্ণ সমস্যা। যথেষ্ট সংখ্যাক বিদ্যালয় পৰিদৰ্শক থকা স্বত্বেও পৰিদৰ্শন ব্যৱস্থা কাৰ্যকৰী নোহোৱাত মাধ্যমিক শিক্ষা নিম্নগামী হৈছে।

৬। অসমৰ মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকৰ অভাৱ দেখা যায়। পৰ্যাপ্ত পৰিমাণৰ প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকসকল বিদ্যালয় পৰিৱেশত সা-সুবিধাৰ অভাৱত গতানুগতিকভাৱে শিক্ষাদান কৰিব লগা হোৱা বাবে শিক্ষাৰ গুণগত মানৰ কেনো উন্নতি হোৱা নাই।

৭। উপযুক্ত অৰ্হতাসম্পন্ন শিক্ষকৰ কৰ্ম নিযুক্তি নোহোৱাটো আমাৰ ৰাজ্যৰ মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ সমস্যা।

৮। মজুলিয়াৰ আয়োগ, কোঠাৰী আয়োগৰ লগতে ১৯৮৩ চনৰ জাতীয় শিক্ষানীতিত মাধ্যমিক পৰ্যায়ৰ শিক্ষা বৃত্তিমুখী কৰণত অধিক গুৰুত্ব আৰোপ কৰিছিল। কিন্তু প্ৰয়োগিক দিশত এই বৃত্তিমুখীকৰণ অসমত সফল হোৱা নাই।

৯। অসমৰ বিভিন্ন মাধ্যমিক বিদ্যালয় সমূহৰ শিক্ষাৰ মানদণ্ড বৈষম্যমূলক। অসমৰ চৰকাৰী, চৰকাৰৰ সাহায্যপ্ৰাপ্ত আৰু ব্যক্তি বেচৰকাৰী বিদ্যালয়সমূহৰ শিক্ষাৰ মানদণ্ড ভিন্ ভিন্। এই বৈষম্যই এক শ্ৰেণীৰ বিদ্যালয়ৰ প্ৰতি সৰ্বসাধাৰণক অধিক আকৰ্ষিত কৰে।

১০। অসমৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ ফলাফল বিশ্লেষণ কৰিলে দেখা যায় অধিকাংশ ছাত্ৰ-ছাত্ৰী ইংৰাজী বিষয়ত অকৃতকাৰ্য হয়। গাঁও আৰু পিছপৰা অঞ্চলসমূহত এই বিষয়ত বিজ্ঞানসন্মত শিক্ষাদানৰ অভাৱ দেখা যায়।

মুঠতে আমাৰ ৰাজ্যৰ মাধ্যমিক শিক্ষাৰ ছবিখন আজিও সন্তোষজনক নহয়। নিৰীক্ষণ চলোৱা হৈছে যদিও আজিও ইয়াৰ অৱস্থাৰ উন্নতি হোৱা নাই। এই শিক্ষাক সফল কৰি তুলিবৰ বাবে চৰকাৰী, বেচৰকাৰী সন্থা, শিক্ষকে, অভিভাৱক আৰু ছাত্ৰৰ ঐকান্তিক প্ৰচেষ্টাৰ প্ৰয়োজন।

**মনত ৰাখিবলগীয়া - ৫**

১। অসমৰ মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰখন ১৯৫২-৫৩ চনৰ মুডালিয়ৰ আয়োগ, ১৯৬৪-৬৬ চনৰ কোঠাৰী আয়োগ আৰু ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ আধাৰতহে বিকশিত কৰি তুলিবলৈ বিচৰা হৈছে।

৪। ১৯৬১ চনত অসম মাধ্যমিক শিক্ষা আইন প্ৰৱৰ্তন কৰা হয়।

৫। অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ গঠন কৰা হয় ১৯৮৪ চনত।

৬। অসমৰ মাধ্যমিক পৰ্যায়ত শিক্ষাৰ পাঠ্যক্ৰম, সা-সুবিধা আদিৰ ক্ষেত্ৰত অনেক সমস্যা দেখা যায়।

**কাৰ্যৱলী ঃ ৫**

১। অসম মাধ্যমিক শিক্ষা পৰিষদে কেতিয়া গঠন কৰা হয়?

২। মুডালিয়ৰ আয়োগৰ পৰামৰ্শৰ ভিত্তিত অসমত বহুমুখী বিদ্যালয়লৈ ৰূপান্তৰ কৰা বিদ্যালয়সমূহৰ নাম লিখা।

৩। অসমত পোন প্ৰথমে কোন চাৰিখন বিদ্যালয়ে উচ্চতৰ মাধ্যমিক বিদ্যালয় হিচাপে স্বীকৃতি লাভ কৰিছিল?

৪। ১৯৬১ চনৰ অসম মাধ্যমিক শিক্ষা আইনৰ ৪ টা প্ৰস্তাব লিখা।

৫। 'অসম মাধ্যমিক শিক্ষা বৰ্ড' ৰ ৪ টা কাৰ্য্য উল্লেখ কৰা।

৬। এখন মাধ্যমিক বিদ্যালয়ে স্বীকৃতি পাবলৈ কি কি নিয়ম মানি চলিব লাগিব?

৭। অসমৰ উচ্চতৰ মাধ্যমিক শিক্ষা সংসদখন কেতিয়া গঠন কৰা হৈছিল?

৮। তোমাৰ ৰাজ্যৰ মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত সঘনে চৰ্চিত কেইটামান সমস্যা উল্লেখ ক ৰা।

### ১। (জ) ঃ সাৰাংশ (Summary)

মাধ্যমিক শিক্ষাৰ স্তৰটো এটা গুৰুত্বপূৰ্ণ শিক্ষাৰ স্তৰ। মাধ্যমিক শিক্ষাৰ স্তৰটো মানৱ জীৱনৰ বিকাৰ তৃতীয় স্তৰটোৰ লগত জড়িত। এই স্তৰটো অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আদি সকলো দিশৰ পৰা তাৎপৰ্য্যপূৰ্ণ কাৰণে ইয়াৰ ওপৰত শিক্ষাবিদসকলে অধিক মনযোগ দিয়াৰ কথা বাৰে বাৰে দোহাৰিছে।

ভাৰতবৰ্ষৰ স্বাধীন চৰকাৰে ১৯৫২-৫৩ চনত লক্ষ্মনস্বামী মুডালিয়াৰৰ নেতৃত্বত মাধ্যমিক শিক্ষাৰ বিষয়ে অধ্যয়ন কৰিবলৈ এখন আয়োগ গঠন কৰি দিয়ে। আয়োগখনে মাধ্যমিক শিক্ষাৰ বিকাশৰ ক্ষেত্ৰলৈ লক্ষ্য ৰাখি তলত দিয়া ধৰণেৰে লক্ষ্য নিৰূপণ কৰে —

১। ব্যক্তিত্বৰ পূৰ্ণ বিকাশ সাধন

২। নেতৃত্বৰ প্ৰশিক্ষণ দিয়া

DAILY ASSAM



৩। গণতান্ত্রিক নাগৰিকত্বৰ ধাৰনাৰ শিক্ষা দান

৪। চৰিত্ৰ গঠনৰ শিক্ষা দান

৫। বৃত্তিমূলক দক্ষতাৰ শিক্ষা দান

ভাৰতবৰ্ষৰ জাতীয় শিক্ষাৰ বিকাশৰ অৰ্থে ১৯৬৪-৬৬ চনত ডি.এচ কোঠাৰী নেতৃত্বত এখন আয়োগ গঠন কৰি দিয়া হয়। আয়োগখনক কোঠাৰী আয়োগ নামেৰে জনা যায়। বৰ্ত্তমান ভাৰতবৰ্ষৰ শিা ব্যৱস্থাটো ১৯৬৪-৬৬ চনৰ কোঠাৰী আয়োগৰ নিৰ্দেশনা মতে প্ৰচলন হৈ আছে। আয়োগে ১০ + ২ + ৩ সূত্ৰৰ মাধ্যমত শিক্ষা ব্যৱস্থা কৰাৰ পৰামৰ্শ দিছিল। দহবছৰীয়া স্কুলীয়া শিক্ষা, দুবছৰীয়া প্ৰাক-স্নাতক বা উচ্চতৰ মাধ্যমিক শিক্ষা আৰু তিনিবছৰীয়া স্নাতক পৰ্যায়ৰ শিক্ষা। কোঠাৰী আয়োগে শিক্ষা ব্যৱস্থাৰ সংগঠন আৰু মানদণ্ডৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছিল। শিক্ষাৰ স্কুল পৰ্য্যায়, হাইস্কুল পৰ্য্যায়, উচ্চতৰ মাধ্যমিক পৰ্য্যায়ৰ সংগঠনৰ লগতে প্ৰাক-বিশ্ববিদ্যালয় স্তৰৰ স্থানান্তকৰণৰ দিশটো পৰামৰ্শ দিছিল। কোঠাৰী আয়োগে বৃত্তিমূলক শিক্ষাৰ পোষকতা কৰি ইয়াৰ সম্প্ৰসাৰণৰ পৰামৰ্শ আগবঢ়াইছিল। ইয়াৰ উপৰিও কৰ্ম অভিজ্ঞতাৰ মাধ্যমত সাধাৰণ স্কুল স্থাপন কৰি উৎপাদনমুখী বিজ্ঞানসন্মত আধুনিক শিক্ষা দিয়াৰ ওপৰত গুৰুত্ব দিছিল।

ভাৰতবৰ্ষত ১৯৮৬ চনত ৰাষ্ট্ৰীয় শিক্ষানীতি বা নতুন শিক্ষানীতি প্ৰবৰ্তন কৰা হয়। এই শিক্ষানীতিয়ে শিক্ষাৰ সকলো দিশতে নতুনত্বৰ ধাৰণা প্ৰবৰ্তন কৰিবলৈ বিচাৰে। শিক্ষানীতিত সামৰি লোৱা মূল দিশবোৰ হ'ল— শিক্ষা ভূমিকাক মূল চাবি কাঠি হিচাপে লোৱা হয়, সমতাৰ বাবে শিক্ষাৰ আধাৰত মহিলাসকলৰ শিক্ষাৰ, অনুসূচিত জাতি আৰু জনজাতিৰ শিক্ষাৰ লগত আন আন পিচপৰা জাতিৰ শিক্ষাক সামৰি লোৱা হয়, বয়স্কসকলৰ শিক্ষা, আগতীয়া বাল্যকালৰ যতন আৰু শিক্ষা, প্ৰাথমিক শিক্ষা, অনানুষ্ঠানিক শিক্ষা, মাধ্যমিক শিক্ষা, শিক্ষাক বৃত্তিমুখীকৰণ, উচ্চ শিক্ষা, মুক্ত বিশ্ববিদ্যালয়, চাকৰিৰ পৰা পদবীৰ বিচিন্নতা, গ্ৰাম্য বিশ্ববিদ্যালয়, কাৰিকৰী শিক্ষা আৰু ব্যৱস্থাপনাৰ শিক্ষা, শিক্ষণৰ ওপৰত গুৰুত্ব প্ৰদান মূল্যবোধৰ শিক্ষা, সংস্কৃতিৰ সংৰক্ষন, বিজ্ঞান শিক্ষা, শিক্ষা, শিক্ষা আৰু পৰিবেশ, ক্ৰীড়া আৰু শাৰীৰিক শিক্ষা, শৈক্ষিক প্ৰযুক্তিবিদ্যা, গনমাধ্যম ব্যৱস্থাপনা শিক্ষা, কৃ।ণফলি আঁচনি আৰু নবোদয় বিদ্যালয়।

অসমৰ মাধ্যমিক শিক্ষাৰ বিকাশৰ ধাৰা অধিক মনোগ্ৰাহী হোৰ নাই। স্বাধীনতাৰ পিছত গঠিত হোৱা মুডালিয়ৰ আয়োগ ১৯৫২-৫৩), কোঠাৰী আয়োগ (১৯৬৪-৬৬), ৰাষ্ট্ৰীয় শিক্ষানীতি ১৯৮৬ ৰ আধাৰত বিকাশ কৰি থকা হৈছে।

## প্ৰশ্নাৱলী

১। মাধ্যমিক শিক্ষা কাক বোলে? এই শিক্ষা মানবজীৱনৰ কোনটো স্তৰৰ লগত জড়িত? চমু আভাষ দিয়া।

২। মাধ্যমিক শিক্ষা আয়োগে (১৯৫২-৫৩) নিৰূপন কৰি দিয়া শিক্ষাৰ লক্ষ্যবোৰৰ বিষয়ে চমুকৈ লিখা।

৩। ১৯৫২-৫৩ চনৰ আয়োগখনৰ সভাপতি কোন আছিল? আয়োগখনে শিক্ষাৰ লক্ষ্য কি হোৱা উচিত বুলি কৈছে।

৪। ১৯৫২-৫৩ চনৰ মুডালিয়ৰ আয়োগে মাধ্যমিক পৰ্য্যায় শিক্ষাৰ কোনবোৰ লক্ষ্য আদৰ্শৰ কথা উল্লেখ কৰিছে? লিখা।

৫। মুডালয়িৰ আয়োগে (১৯৫২-৫৩) নিৰূপন কৰা মাধ্যমিক শিক্ষাৰ লক্ষ্যবোৰ ভাৰতবৰ্ষৰ শিক্ষাৰ ক্ষেত্ৰত কাৰ্য্যকৰী হৈছে নে? আলোচনা কৰা।

৬। একেবাৰে চমুকৈ লিখা ঃ

(ক) ভাৰতবৰ্ষই কোন চনত স্বাধীনতা লাভ কৰিছিল?

(খ) ১৯৫২-৫৩ চনৰ মাধ্যমিক শিক্ষা আয়োগৰ সভাপতি কোন আছিল?

(গ) মুডালিয়ৰ আয়োগ কোন চনত গঠন কৰা হৈছিল?

(ঘ) মুডালিয়ৰ আয়োগে আগবঢ়োৱা মাধ্যমিক শিক্ষাৰ দুটা লক্ষ্য উল্লেখ কৰা।

৭। ১৯৫২-৫৩ চনৰ মুডালিয়াৰ আয়োগে নিৰূপন কৰা মাধ্যমিক শিক্ষাৰ লক্ষ্য কেইটা উল্লেখ কৰা।

৮। ভাৰতবৰ্ষৰ জাতীয় বিকাশৰ বাবে শিক্ষাৰ কোনবোৰ লক্ষ্য আদৰ্শ কোঠাৰী আয়োগে (১৯৬৪-৬৬) দাঙি ধৰিছে? উল্লেখ কৰা।

৯। ১৯৬৪-৬৬ চনৰ কোঠাৰী আয়োগে ভাৰতৰ শিক্ষাৰ গাঠনিক প্ৰক্ৰিয়া সম্বন্ধে কি পৰামৰ্শ দিছে? বৰ্ণনা কৰা।

১০। কোঠাৰী আয়োগৰ (১৯৬৪-৬৬) উদ্দেশ্যসমূহ কি কি? এই আয়োগৰ পৰামৰ্শ অনুসৰি শিক্ষাৰ গাঁঠনি কেনেকুৱা?

১১। ভাৰতৰ স্কুলীয়া শিক্ষাৰ নতুন গাঁঠনি প্ৰক্ৰিয়া সম্বন্ধে কোঠাৰী আয়োগৰ পৰামৰ্শাৱলী ব্যক্ত কৰা।

১২। ১৯৬৪-৬৬ চনৰ ভাৰতীয় শিক্ষা আয়োগে বিদ্যালয় শিক্ষাৰ কেনেধৰণৰ গাঠনিক প্ৰক্ৰিয়াৰ পৰিবৰ্তনৰ কথা কৈছে?

১৩। চমুকৈ লিখাঃ

(ক) ১০ + ২ + ৩ সূত্ৰ (খ) জাতীয় শিক্ষাৰ লক্ষ্য (১৯৬৪-৬৬ চনৰ আয়োগ)

(গ) কৰ্ম অভিজ্ঞতা (ঘ) বিদ্যালয় প্ৰকল্প বা স্কুল কমপ্লেক্স

১৪। কোঠাৰী আয়োগে উদ্ভাৱন কৰা ১০ + ২ + ৩ সূত্ৰটোৱে সুচোৱা কথা খিনি চমুকৈ বৰ্ণনা কৰা।

১৫। ১৯৬৪-৬৬ চনৰ কোঠাৰী আয়োগে বৃত্তিমুখী শিক্ষা সন্দৰ্ভত কেনেধৰণৰ মতামত আগবঢ়াইছিল? বৰ্ণনা কৰা।

১৬। চমুটোকা লিখাঃ

(ক) বৃত্তিমুখী শিক্ষা (খ) শিক্ষাৰ গাঠনিক প্ৰক্ৰিয়া

১৭। স্বাধীনতাৰ পিছত অসমৰ মাধ্যমিক শিক্ষাৰ বিকাশ সম্বন্ধে বৰ্ণনা কৰা।

১৮। ১৯৬১ চনৰ অসম মাধ্যমিক শিক্ষা আইনৰ মূল দফাখিনি লিখা।

১৯। অসম মাধ্যমিক শিক্ষা বোৰ্ডৰ কাৰ্য্যসমূহ উল্লেখ কৰা।

DAILY ASSAM



২২। অসমৰ মাধ্যমিক শিক্ষাৰ কেইটামান প্ৰধান সমস্যাৰ বিষয়ে লিখা।

২৩। ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ মূল দিশবোৰ চমুকৈ লিখা।

২৪। চমুকৈ লিখা (১৯৮৬ চনৰ শিক্ষানীতিৰ ভিত্তিত)

(ক) মহিলাৰ সমতাৰ বাবে শিক্ষা।

(খ) চাকৰিৰ পৰা ডিগ্ৰী পৃথকিকৰন।

(গ) বয়স্ক শিক্ষা।

(ঘ) মুক্ত শিক্ষা।

(ঙ) নবোদয় বিদ্যালয়।

(চ) অপাৰেচন ব্লেকবোৰ্ড

(ছ) আগতীয়া বাল্যকালৰ যতন আৰু শিক্ষা।

(জ) শিক্ষা বৃত্তিমুখীকৰন।

(ঝ) সংহত শিশু বিকাশ সেৱা আঁচনি।

(ঞ) উচ্চ শিক্ষাত স্বায়ত্বশাসন।

২৫। সমতাৰ বাবে শিক্ষা বুলিলে কি বুজা? ৰাষ্ট্ৰীয় শিক্ষানীতি (১৯৮৬) য়ে ইয়াৰ বাবে কেনেবোৰ ব্যৱস্থা গ্ৰহণৰ কথা কৈছে?

২৬। ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতি কিয় প্ৰস্তুত কৰা হয়? বৰ্ণোৱা।

## প্ৰসংগ গ্ৰন্থসমূহ ঃ

১। বৰদলৈ অজন্তা ঃ *ভাৰতৰ শিক্ষাৰ বুৰঞ্জী*, লয়াৰ্চ, গুৱাহাটী- ১

২। ডেকাবীৰেন্দ্ৰ ঃ *ভাৰতৰ শিক্ষাৰ ইতিহাস*, অসম বুক ডিপো, গুৱাহীটী - ১

৩। বৰুৱা যতীন ঃ *ভাৰতৰ শিক্ষাৰ ইতিহাস অধ্যয়ন*, লয়াৰ্চ, গুৱাহাটী - ১

৪। ডেকাবীৰেন্দ্ৰ ঃ *শিক্ষাতত্ত্ব*, বনলতা, গুৱাহাটী- ১

৫। ডেকাবীৰেন্দ্ৰ ঃ *শৈক্ষিক বচনাসমূহ*, কিতাপঘৰ, নলবাৰী

৬। Chaube SP : *History and problems of India Education*, Vinod Pustak Mandir, Agra-3

৭। Rawal PL : *History of Indian Education*, Ramprasad and Sons, Agra-3